1947 60 2007

ডিসেম্বৰ 2007 ■ Rs.15 /-

চান্দমামা


Naya saal ka naya chand
Featuring the winning entries of 'I Love my India' contest
Kids! Get your New Year Special issue of Chandamama with additional pages + action packed CD.
The first ever Chandamama CD has more stories on heritage & culture and timeless Indian tales. Plus a host of games & quizzes to keep you & your friends busy at home!
Reserve your copy with your newspaper vendor now or write to us at:
CHANDAMAMA INDIA LIMITED
JVL Plaza, 6th Floor, 626, Anna Salai
Teynampet, Chennai – 600018.
Tel: (044) 24334455 | Email: chandamama@chandamama.com
1947 60 2007
CHANDAMAMA

CALLING HEADS OF EDUCATIONAL INSTITUTIONS !

Listen to Teachers and Parents

I am a teacher handling primary classes. The newly introduced Page for Parents is very different from the directions we see in other magazines. We teachers find your presentation very helpful.
- From Kunnamkulam, Kerala

As a parent and lecturer, I find your issues very informative and full of educational material for kids.
- A Teacher from Kolkata

If I am not mistaken, Junior Chandamama is the only magazine that gives us an idea of the great sacrifices made by those who fought the British.
- A parent from Kanpur

A subject like waste management has been attempted wisely and with great effect in comics form. We hope you will think of subjects like protection of environment and preservation of ecology.
- A parent from Bangalore

The Parents and Teachers corner has not come a day too soon. The new page will certainly help we mothers when we try to read out the magazine to our children.
- A parent from Dindigul

A page for Parents and Teachers is a good idea to help children enrich their memory bank. The activity work, oral and written, is appropriate for the 6-9 age group.
- A former teacher from Faridabad

Junior CHANDAMAMA IS NOT JUST ANOTHER MAGAZINE FOR TINY-TOTS, BUT MUCH MORE!

PAGE AFTER PAGE WILL KINDLE YOUR YOUNG ONE'S IMAGINATION

SPECIAL OFFER TO SCHOOLS ON BULK SUBSCRIPTIONS

Schools and educational institutions can now pay for 20 or more annual subscriptions @ Rs. 120 and save Rs. 60 on each subscription*

* THIS OFFER CLOSES ON DECEMBER 31, 2007

Mail your order to: CHANDAMAMA INDIA LIMITED
JVL Plaza, 6th floor, 626 (Old 501) Anna Salai, Teynampet, Chennai 600 018

চান্দমামা বৰ্ষ ৩১ ডিচেম্বৰ ২০০৭ সংখ্যা-১২

বিশেষ আকৰ্ষণ

কঠিন কাম (বেতাল কাহিনী)...১৯

গুজৰাটৰ এটা লোককাহিনী ...২৯

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-৩ ...৩৬

ৰামায়ণ ... ৫৭

এই সংখ্যাত আছে

- ★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
- ★ মঞ্জৰী দেৱী ...০৭
- ★ অগ্নি প্ৰবেশ ...১১
- ★ ভয়ংকৰ ঘাটী-২৬ ...১৩
- ★ মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-২৪ ...২৫
- ★ সংবাদ বিচিত্ৰা ...২৮
- ★ বিচিত্ৰ ভাৰত ...৩৫
- ★ ৰংবোৰ আছে আমাৰ নিচেই কাষতে ...৪০
- ★ মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-৬ ...৪৪
- ★ চান্দমামা ভাৰত কুইজ-১১ ...৪৭
- ★ বীৰবলৰ কাহিনী-৪ ...৪৮
- ★ বন্ধুত্ব ...৫২
- ★ জাতক কথা ...৫৩
- ★ মতবিৰোধ ...৬৩
- ★ অপৰাজেয় গৰুড়-২১ ...৬৭
- ★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৭১
- ★ বাতৰিৰ শিৰোণামাত শিশু ...৭২
- ★ জানো আহাঁ নানা কথা ...৭৩
- ★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

সম্পাদকীয়
বি.নাগি ৰেড্ডী আৰু চক্ৰপানি

অমৰ বাণী

বয়োজ্যেষ্ঠজনে ক'ব খোজে যে অনুচিত কাৰ্যক বাধা দিয়া, ভাল কামৰ বাবে অনুপ্ৰেৰণা দিয়া, ৰহস্য গোপনে ৰখা, ভাল গুণ বিয়পিবলৈ দিয়া, বিপদৰ সময়ত সঙ্গ দিয়া, সময়মতে সহায় কৰা-- এইবোৰেই হ'ল এজন ভাল মিত্ৰৰ লক্ষণ।

এটা ঘটনাবহুল বছৰ

এটা নতুন বছৰৰ বাবে ঠাই এৰি দি ২০০৭ বছৰটোৱে সোনকালেই কেলেণ্ডাৰৰপৰা বিদায় মাগিব। ঘূৰি চালে দেখিম ভাৰত তথা চান্দমামা দুয়োৰে বাবে ২০০৭ চনটো ঘটনাবহুল আছিল। স্বাধীন ভাৰতে সম্পূৰ্ণ কৰিলে স্বাধীনতাৰ ৬০টা বছৰ আৰু চান্দমামাই ভৰি দিলে প্ৰকাশৰ ৬১তম বছৰত।

বিভিন্ন ক্ষেত্ৰত এই বছৰটোত ভাৰতে সংবাদ জগতৰ শিৰোনামা দখল কৰে। ভাৰতত জন্ম লাভ কৰা মাৰ্কিন মহাকাশচাৰী সুনীতা উইলিয়ামচে মহাকাশত ১৯৬ দিন থাকি ৰেকৰ্ড কৰিলে। ভাৰতীয় মহাকাশ গৱেষণা আয়োগে সফলতাৰে এখন পি.এচ.এল.ভি আৰু এখন জি.এচ.এল.ভি মহাকাশলৈ উৎক্ষেপণ কৰি দেশৰ যোগাযোগ ব্যৱস্থাত বিপ্লৱৰ সূচনা কৰে। এই বছৰ শান্তিৰ নবেল বটা জয় কৰা যুটীয়া বিজয়ীৰ অন্যতম হ'ল ভাৰতীয় বিজ্ঞানী ড.ৰাজেন্দ্ৰ কে. পাচৌৰীৰ নেতৃত্বাধীন ইন্টাৰ গৱৰ্ণমেন্টেল পেনেল অন্ ক্লাইমেট চেঞ্জ। ক্ৰীড়াত, ভাৰতে টুৱেন্টি টুৱেন্টি ক্ৰিকেটৰ বিশ্বকাপ জয় কৰে আৰু বিশ্বনাথন আনন্দে লাভ কৰে দবাৰ বিশ্ব চেম্পিয়নৰ খিতাপ। এইসকলে ভাৰতলৈ কঢ়িয়াই আনিলে গৌৰৱ।

তিনিটা প্ৰজন্মৰ সহৃদয় পাঠকে আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰত গণ্যমান্য ব্যক্তিয়ে চান্দমামা প্ৰকাশৰ ৬০ বছৰ পূৰ্ত্তি হোৱা কথাটোত নিজৰ সন্তুষ্টি ব্যক্ত কৰিছে।

চান্দমামাই ইয়াৰ ৬০তম বাৰ্ষিকীৰ শুভ মুহূৰ্ত্তত মুম্বাইৰ জিঅ'ডেছিক ইনফৰ্মেছন ছিষ্টেমৰ ৰূপত লাভ কৰিছে ই গুৰি ধৰা উদ্দেশ্যৰ এক নতুন চেম্পিয়ন, যি আলোচনীখনৰ প্ৰকাশক ইয়াৰ পৰৱৰ্ত্তী স্তৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে যিটো স্তৰ হ'ব ডিজিটীয়, যাতে ১৯৪৭ চনৰ জন্মলগ্নৰ পৰা আলোচনীখনৰ আটাইবোৰ কাহিনী সমগ্ৰ বিশ্বৰে হাজাৰ হাজাৰ অনুৰাগীৰ সমুখত তুলি ধৰিব পৰা যায় পুনৰ সক্ৰিয় কৰা এটা ৱেবচাইটৰ জৰিয়তে।

অৱশ্যে চান্দমামাই ইয়াৰ পূৰ্ব গৌৰৱ লৈয়েই সন্তুষ্ট হ'ব নোখোজে। নতুন প্ৰজন্মৰ সেৱাত নতুন সুযোগৰ সন্ধান কৰাত ই ইয়াৰ শক্তি ব্যয় কৰি যাব।

সম্পাদক: বিশ্বম

Visit us at : http://www.chandamama.com

চান্দমামা

শুল্ক

সকলো দেশলৈ এয়াৰ মেইলৰদ্বাৰা বাৰটা সংখ্যা ৯০০ টকাত। ভাৰতত বুক প'ষ্টৰদ্বাৰা বাৰটা সংখ্যা ১৮০ টকাত। এই ধনৰাশি 'চান্দমামা ইণ্ডিয়া লিমিটেড' নামত ডিমাণ্ড ড্ৰাফ্‌ট বা মণি অৰ্ডাৰ হিচাপে পঠিয়াওক।

সৰ্বশ্ৰেষ্ঠ পত্ৰৰ বাবে পুৰস্কাৰ

''পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা'' শিতানত প্ৰকাশিত সৰ্বশ্ৰেষ্ঠ চিঠিখনৰ বাবে ২৫০ টকা পুৰস্কাৰ হিচাপে দিয়া যাব। নিজৰ চিঠিত পাঠকে চান্দমামাত প্ৰকাশিত কাহিনী সমূহৰ বিষয়ে মুকলিভাৱে নিজৰ চিন্তা ব্যক্ত কৰিব পাৰে।

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
JVL Plaza, 6th Floor
626(Old 501), Anna Salai
Teynampet, Chennai-600018
E-mail :
subscription@chandamama.com

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

পুৰস্কৃত পত্ৰ:

আমি যোৱা ২৫ বছৰ ধৰি চান্দমামাৰ নিয়মীয়া পাঠক হৈ আহিছো। এই সময়ছোৱাত আমি চান্দমামাৰ স্বৰূপ আৰু পঠন সামগ্ৰীত অহা পৰিৱৰ্তন, সূক্ষ্মভাৱে নীৰিক্ষণ কৰি আহিছো। এইবোৰ পৰিৱৰ্তনে চান্দমামাক সৰ্বোৎকৃষ্ট শিশু আলোচনী হিচাপে গঢ়ি তুলিছে। এই সময়ছোৱাৰ কথাও আমাৰ মনত আছে যেতিয়া এই প্ৰিয় আলোচনীখনৰ প্ৰকাশ বন্ধ হৈ গৈছিল। তেতিয়া আমি বিভিন্ন ধৰণেৰে চান্দমামাক পুনৰজীৱিত কৰাৰ অভিযান চলাইছিলো। ঈশ্বৰক ধন্যবাদ যে চান্দমামা আজি জনপ্ৰিয়তাৰ তুংগত আছে। এই পত্ৰৰ জৰিয়তে আমি এক পৰামৰ্শ আপোনালোকক দিব খুজিছো, যিটো কাৰ্যকৰী কৰাৰ কথা চিন্তা কৰিলে, চান্দমামা আৰু বেছি আকৰ্ষণীয় হৈ উঠিব। আজি বহু বছৰ ধৰি ''ফটো নামকৰণ প্ৰতিযোগিতাত'' পুৰস্কাৰৰ ধন ১০০ টকা হৈ আহিছে, আৰু আলোচনীখনৰ বাৰ্ষিক শুল্ক আপোনালোকে ১৫০ টকা নিৰ্দ্ধাৰিত কৰি দিছে। আমাৰ পৰামৰ্শ হ'ল ফটো নামকৰণ প্ৰতিযোগিতাৰ পুৰস্কাৰ ১০০ টকাৰপৰা বঢ়াই ১৫০ টকা কৰা হওক। ইয়াৰ এটা লাভ হব, যদিহে কোনো পুৰস্কাৰ বিজেতাই পুৰস্কাৰৰ ধনৰাশি নিবিচাৰি, চান্দমামাৰ এবছৰৰ বাবে বাৰ্ষিক সদস্যতা ল'ব খোজে তেতিয়া তেনে কৰাটোও সম্ভৱ হ'ব। ইয়াৰ বাবে বিকল্প (পুৰস্কাৰৰ ধন ৰাশি/চান্দমামাৰ বাৰ্ষিক সদস্যতা শুল্ক) প্ৰতিযোগিতা প্ৰৱিষ্টিতে পাঠকৰপৰা সুধিব পাৰে।

- ***অক্ষিত আদিত্য পাৰুল তিলক ৰাজ গুপ্ত, হাৰিয়ানা***

এই আলোচনী ১৯৭০ চনৰেপৰা অবিৰতভাৱে মই পঢ়ি আহিছো। আলোচনীখনৰ জৰিয়তে আপোনালোকে আগবঢ়োৱা সেৱা প্ৰশংসনীয়। আকাশৰ পূৰ্ণ চন্দ্ৰমাৰ দৰে ইয়ো জিলিকি থাকক, সেই আশাৰে।

- ***নবীনচন্দ্ৰ, কলকাতা***

মঞ্জৰী দেৱী

উদয়গিৰিৰ ৰজা ভানুপ্ৰতাপ একনায়কত্ববাদী ৰজা আছিল। তেওঁৰ পৰম বিশ্বাস আছিল যে ভয় থাকিলেহে মানুহ সঠিক পথত চলিব। সেয়েহে সৰু সৰু অপৰাধৰ বাবেও তেওঁ কঠোৰ শাস্তি দিছিল। অপৰাধ গুৰুতৰ হ'লে তেওঁ মৃত্যুদণ্ড প্ৰদান কৰিবলৈ থেৰোগেৰো কৰা নাছিল। ৰাজ্যত শান্তি বিৰাজ কৰিছিল যদিও ৰাইজ প্ৰচণ্ড ভয়ৰ মাজত বাস কৰিছিল।

মঞ্জৰী দেৱী ৰজাৰ একমাত্ৰ কন্যা আছিল। স্ত্ৰী হৈয়ো তেওঁ ক্ষত্ৰিয়োচিত বিদ্যা আয়ত্ব কৰিছিল। হঠাতে ৰজা অসুস্থ হৈ পৰাত বালিকা মঞ্জৰী দেৱীৰ হাতত শাসনভাৰ অৰ্পণ কৰা হ'ল। বৃদ্ধ মন্ত্ৰী ভৈৰৱৰ পৰামৰ্শ মতে কাম কৰি মঞ্জৰী দেৱীয়ে নিয়াৰিকৈ শাসন চলাবলৈ ধৰিলে। কম দিনৰ ভিতৰতে তেওঁ শাসন সম্বন্ধীয় বিষয়ত দক্ষতা অৰ্জন কৰিলে। কুশলতাৰে তেওঁ ৰাজ্যৰ আটাইবোৰ বিষয়তে সিদ্ধান্ত ল'বলৈ ধৰিলে। জীয়েকৰ দক্ষতা আৰু যোগ্যতা দেখি মহাৰাজ বৰ আনন্দিত হ'ল। স্ত্ৰী হৈয়ো থকা তেওঁৰ ৰাজোচিত সামৰ্থৰ ওপৰত ৰজাৰ সম্পূৰ্ণ বিশ্বাস হ'ল। সেই বিশ্বাসৰ বাবেই ৰজাই শান্তিৰে চিৰদিনৰ বাবে চকু মুদিব পাৰিলে।

পিতাকৰ মৃত্যুত মঞ্জৰী দেৱীয়ে বৰ দুখ পালে। তেওঁক সান্ত্বনা দি মহামন্ত্ৰী ভৈৰৱে ক'লে, "এনে বিষাদপূৰ্ণ পৰিস্থিতিত ধৈৰ্য ধৰা উচিত। ধৈৰ্য নাথাকিলে একোৱেই কৰিব নোৱাৰিবা। আৰু তেতিয়া তোমাৰ স্বৰ্গগামী পিতৃয়েও মনতে দুখ পাব।"

মন্ত্ৰীৰ এই ভাল কথাখিনি শুনি মঞ্জৰী দেৱীয়ে কম সময়ৰ ভিতৰতে নিজকে চম্ভালি লৈ পুনৰ শাসন সম্বন্ধীয় বিষয়ত নিমগ্ন হৈ পৰিল।

মন্ত্ৰী ভৈৰৱে এবাৰ প্ৰতিবেশী ৰাজ্যৰ সৈতে বেপাৰ সম্বন্ধীয় বিষয় লৈ আলোচনা কৰিবৰ বাবে সেই ৰাজ্যলৈ গ'ল। সেই সময়তে মঞ্জৰী দেৱীয়ে মনোবিনোদৰ বাবে সৈনিক আৰু

অনামিকা

সখীয়েকহঁতক লৈ চিকাৰ কৰিবলৈ অৰণ্যলৈ গ'ল। বাণ চলোৱাত তেওঁৰ প্ৰবীণতা আৰু নৈপুণ্য দেখি সৈনিকসকল আচৰিত হ'ল। চিকাৰত মগ্ন মঞ্জৰী দেৱী সৈনিকসকলৰপৰা বহু দূৰ আঁতৰি গ'ল।

বহু সময় ঘূৰাৰ পাছত মঞ্জৰী দেৱীৰ ভাগৰ লাগিল আৰু এক সৰোবৰৰ ওচৰত এজোপা গছৰ তলত নিজৰ ভাগৰ মাৰিবলৈ ধৰিলে। তেতিয়া গছজোপাৰ পাছফালে থকা এজন যুৱকে তেওঁক দেখিলে। মঞ্জৰী দেৱীৰ অদ্ভুত সৌন্দৰ্যত যুৱকে মুগ্ধ হ'ল। আৰু ওচৰলৈ আহি যুৱকে একেথৰে মঞ্জৰী দেৱীক চাবলৈ ধৰিলে। যেতিয়া তেওঁ সৈনিক অহাৰ চিঞৰ বাখৰ শুনিলে তেতিয়া যুৱক পুনৰ গছজোপাৰ পিছফালে গ'ল আৰু তাৰপৰাই মঞ্জৰী দেৱীক চাই থাকিবলৈ ধৰিলে।

সেই যুৱকজন এজন চিত্ৰকৰ আছিল। তেওঁৰ নাম আছিল মুকুন্দ। তেওঁ ক'তো একেৰাহে বেছিদিন থকা নাছিল। গোটেই দেশতে তেওঁ ঘূৰি ফুৰিছিল। মন্দিৰবোৰৰ দেৱালত তেওঁ দেৱতাসকলৰ চিত্ৰ অংকণ কৰিছিল। লগতে পক্ষী আৰু জন্তুবোৰৰ চিত্ৰ আঁকোতো তেওঁ সিদ্ধহস্ত আছিল। চিত্ৰাংকণৰ বাবে প্ৰয়োজনীয় সামগ্ৰী গোটাবলৈ তেওঁ অৰণ্যলৈ আহিছিল আৰু তাতে তেওঁ অপূৰ্ব সুন্দৰী ৰাণী মঞ্জৰী দেৱীক দেখা পালে।

গাঁৱলৈ ঘূৰি অহাৰ পাছতো তেওঁৰ চকুৰ আগত মঞ্জৰী দেৱীৰ ৰূপেই ভাহি থাকিল। তেওঁ আৰু এবাৰ ৰাণীক চাব খুজিলে। ৰাণীৰ চিত্ৰ অংকন দৰিবলৈয়ো তেওঁৰ হাবিয়াস হ'ল। এবাৰ তেওঁ অৰণ্যৰপৰা ঘূৰি আহি থাকোতে এঠাইত দেখিলে সৈনিকসকলে এঠাইত তম্বু তৰি আছে। সৈনিকসকলৰ কথা বতৰাৰপৰা মুকুন্দই অনুমান কৰিলে চিকাৰৰ পাছত ৰাণীয়ে তাতে বিশ্ৰাম কৰিব। তেওঁ ভাবিলে ৰাণীক আৰু এবাৰ চোৱাৰ এইটোৱেই সোণালী সুযোগ। মুকুন্দ তাতে থাকি গ'ল।

তম্বু তৰিবলৈ বহুত সময় লাগিল। ৰাতিও হৈ আহিল। তেওঁ জানিছিল যে তেওঁ ৰাণীক দেখা কৰাৰ অনুমতি নাপাব। সেয়েহে ৰাণী অহাৰ অপেক্ষা কৰি তেওঁ অলপ দূৰত্ব বহি ৰ'ল। ৰাণী যেতিয়া আহিল তেতিয়া তেওঁ সৈনিকৰ দৃষ্টিৰ আঁৰ হৈ ভিতৰত প্ৰৱেশ কৰিলে ভাগৰৰ বাবে ৰাণী আৰু তেওঁৰ সখিয়েকসকল নাক বজাই শুবলৈ ধৰিলে। শুই থকা মঞ্জৰী দেৱীক মুকুন্দই কিছু সময়ৰ বাবে চাই থাকিল। যেতিয়া তেওঁৰ বিশ্বাস

হ'ল যে এতিয়া তেওঁ ৰাণীৰ চিত্ৰ অংকন কৰিব পৰা হৈছে তেতিয়া তেওঁ ঘূৰি যাবলৈ ওলাল। এইবাৰ তেওঁ সৈনিকৰ চকুৰপৰা গা বচাই যাব নোৱাৰিলে। তেওঁক বন্দী কৰা হ'ল। পিছদিনা মঞ্জৰী দেৱী যেতিয়া ৰাজধানী পালেগৈ, তেতিয়া সৈনিকে বন্দী মুকুন্দক ৰাণীৰ সমুখলৈ আনিলে। যিহেতু সেই সময়ত মহামন্ত্ৰী ভৈৰৱ ৰাজ্যত নাছিল সেয়েহে সেনাপতিয়ে অভিযোগ আনিলে যে মুকুন্দ শত্ৰুৰাজ্যৰ গুপ্তচৰ আৰু ইয়াৰ শাস্তি হ'ল মৃত্যুদণ্ড।

ৰাণীয়ে মুকুন্দক মূৰৰপৰা ভৰিলৈকে চালে। "মই এজন চিত্ৰকৰ। চিকাৰ কৰাৰ পাছত আপুনি এবাৰ যেতিয়া এজোপা গছৰ তলত বিশ্ৰাম কৰিছিল তেতিয়া মই আপোনাক প্ৰথমবাৰ দেখিছিলো। আপোনাক দেখাৰ লগে লগে আপোনাৰ এখন সুন্দৰ চিত্ৰ অংকন কৰাৰ মোৰ তীব্ৰ ইচ্ছা হ'ল। সেয়ে ভালকৈ আপোনাক চাবৰ বাবে আৰু আপোনাৰ ছবি মোৰ মনত বহাবলৈ দ্বিতীয় বাৰৰ বাবে আপোনাৰ অস্থায়ী শিবিৰলৈ গৈছিলো। ইয়াৰ বাহিৰে মোৰ মনত কোনো বেয়া ভাব নাছিল।" মুকুন্দই ক'লে.

"বিনা অনুমতিত মাজনিশা এওঁ তাত সোমোৱাটো এটা ডাঙৰ অপৰাধ হৈছে। কাৰণ যিয়েই নহওক, আমাৰ ৰাজ্যত নিয়ম অনুসাৰে এওঁ মৃত্যুদণ্ড পোৱা উচিত।" সেনাপতিয়ে জোৰ দি ক'লে।

ৰাজসভাত উপস্থিত আন প্ৰধান সভাসদ-সকলেও সেনাপতিক সমৰ্থন কৰিলে। তেওঁলোকৰ এই অভিপ্ৰায় ৰাণীয়েও উচিত

বুলি ভাবিলে আৰু তেওঁ ঘোষণা কৰিলে, "বিনা অনুমতিত মোৰ অস্থায়ী শিবিৰত প্ৰবেশ কৰাৰ অপৰাধত তোমাক মৃত্যুদণ্ড দিয়া হৈছে। কাইলৈ সূৰ্যোদয়ৰ আগতেই এই যুৱকৰ শিৰচ্ছেদ কৰা হওক।"

যেতিয়া সৈনিকে মুকুন্দক লৈ যাবলৈ আগবাঢ়ি আহিল তেতিয়া তেওঁ ৰাণীৰ ফালে চাই ক'লে, "স্বীকাৰ কৰিছো বিনা অনুমতিত আপোনাৰ শয়ন কক্ষত প্ৰবেশ কৰা অপৰাধ। মৃত্যুদণ্ডৰ আগতে মোক যদি মোৰ এটা ইচ্ছা দয়া কৰি পূৰণ কৰিবলৈ দিয়ে তেন্তে মই শান্তিৰে চকু মুদিব পাৰিম।"

"সেইটো কি?" ৰাণীয়ে সুধিলে।

"আপোনাৰ এখন চিত্ৰ তৈয়াৰ কৰাৰ মোৰ তীব্ৰ আশংকা আছে। এসপ্তাহৰ ভিতৰতে তৈয়াৰ কৰিম। ইয়াৰ পাছত নিশ্চয় আপোনাৰ

আজ্ঞা কামত লগাব পৰা যাব। মোৰ এই অন্তিম ইচ্ছা অনুগ্ৰহ কৰি পূৰণ কৰক।" মুকুন্দই কাকুতি কৰিলে।

অলপ সময়লৈ ৰাণী চিন্তাত পৰিল। তাৰ-পিছত তেওঁ ক'লে, "ঠিক আছে, এসপ্তাহৰ সময় দিছো। এই সময়ছোৱাত তোমাৰ চিত্ৰ সম্পূৰ্ণ হওকেই বা নহওক অহা শুক্ৰবাৰে পুৱাতে তোমাক মৃত্যুদণ্ড দিয়া হ'ব।"

মুকুন্দৰ অনুৰোধত তেওঁক চিত্ৰাংকনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী দিয়া হ'ল। এসপ্তাহ শেষ হ'ল। শেষৰ দিনা ৰাতি মুকুন্দই ৰাণীৰ ওচৰলৈ তেওঁ আঁকা ৰাণীৰ চিত্ৰ পঠিয়াই দিলে।

পিছদিনা পুৱাই নিজৰ চিত্ৰ দেখি মঞ্জৰী দেৱী আচৰিত হ'ল। ইমান সুন্দৰ চিত্ৰ আঁকা এজন চিত্ৰকৰকে তেওঁ মৃত্যুদণ্ড দিবলৈ ওলাইছেনে? চিত্ৰখন একেবাৰে সজীৱ আছিল। তেওঁ সৈনিকক মাতি আনি আদেশ দিলে, "মৃত্যু দণ্ড স্থগিত কৰা হওক।"

ইতিমধ্যে সৈনিকে মুকুন্দক বলিশাললৈ লৈ গৈছিল। যিসময়ত ৰাণীৰ আদেশ কাৰ্যকৰী কৰিবলৈ লোৱা হৈছিল, তেতিয়াই এজন সৈনিক দৌৰি দৌৰি সেইখিনি পালেহি আৰু ৰাণীৰ নতুন আজ্ঞা শুনালেহি। মুকুন্দক ৰাণীৰ সমুখলৈ অনা হ'ল। মহামন্ত্ৰী ইতিমধ্যে প্ৰতিবেশী ৰাজ্যৰপৰা ঘূৰি আহিছিল। কথাটো শুনি তেওঁ তৎক্ষণাৎ ৰাণীক লগ ধৰিবলৈ গ'ল আৰু ক'লে, "নাজানো, কোন যুগৰ এই মৃত্যুদণ্ড কাৰ্যকৰী কৰিবলৈ লোৱা হৈছে, কিন্তু ই বৰ ভয়ংকৰ কথা। ইয়াৰ ফলত ভালতকৈ সেই অসাধাৰণ কলাকাৰে প্ৰাণ দিব লাগিলেহেঁতেন। ভুল যিয়েই নহওক কিয়, আন কাৰোবাৰ প্ৰাণ কাঢ়ি লোৱা অধিকাৰ আন কাৰো থাকিব নালাগে। পাৰিলে প্ৰাণদান কৰিব লাগে, প্ৰাণ হৰণ কৰিব নালাগে।"

"হয় মন্ত্ৰীবৰ, আপুনি একেবাৰে ঠিক কথা কৈছে। এই মুহূৰ্ত্তৰে পৰা উদয়গিৰি ৰাজ্যত মৃত্যুদণ্ড বন্ধ কৰা হ'ল।" মঞ্জৰী দেৱীয়ে ঘোষণা কৰিলে।

মিচিকিয়া হাঁহি মাৰি মন্ত্ৰী ভৈৰৱে মঞ্জৰী দেৱীক অভিনন্দন জনালে।

"কেৱল সেয়াই নহয়। মুকুন্দক ৰাজসভাৰ চিত্ৰকৰ পদত নিযুক্তি দিছো," এই ঘোষণা কৰি ৰাণীয়ে মুকুন্দৰ ফালে চালে।

ৰাজসভাত আটায়ে হৰ্ষ ধ্বনি কৰিলে।

অগ্নি প্ৰবেশ

সৰস্বতী গাঁৱৰ কাষেদি বৈ যোৱা নদীখনৰ আনটো পাৰত এজোপা আঁহত গছ আছিল। গছজোপাৰ তলত এজন সন্ন্যাসী তেওঁৰ দুজন শিষ্যৰ সৈতে বাস কৰিছিল। মানুহ বিভিন্ন ধৰণৰ সমস্যা লৈ তেওঁলোকৰ ওচৰলৈ আহিছিল। তেওঁলোকে মানুহবোৰক সঠিক পৰামৰ্শ দি শান্ত কৰিছিল। বনৌষধিৰ সহায়ত তেওঁলোক সৰু সুৰা ৰোগৰদ্বাৰা পীড়িত মানুহৰ চিকিৎসাও কৰিছিল।

এবাৰ কালযোগী নামৰ আন এজন সন্ন্যাসী তেওঁৰ চাৰিজন শিষ্য লগত লৈ সেই গাঁৱলৈ আহিল। গাঁওবুঢ়া দশৰথে নিজৰ উদ্যানতে তেওঁলোকৰ থকাৰ ব্যৱস্থা কৰি দিলে। তেওঁৰ ওচৰলৈ অহা মানুহক কালযোগীয়ে ভস্ম দিছিল আৰু এই ভস্ম তেওঁ নিজৰ খালী হাতৰপৰা সৃষ্টি কৰিছিল। এই ভস্ম দি তেওঁ কৈছিল, "এই ভস্মৰ অদ্ভুত শক্তিৰ সহায়ত তোমাৰ আটাইবোৰ সমস্যা সমাধান হ'ব। হিমালয়ত বাৰ বছৰ কঠোৰ তপস্যা কৰাৰ পাছত মই এই শক্তি লাভ কৰিছো। কিন্তু নদীৰ আনটো পাৰে থকা সন্ন্যাসীজনে একো নাজানে। তেওঁ প্ৰতাৰক। তেওঁৰ কোনো মহিমা নাই। সম্ভৱ নিজৰ পেট ভৰাবলৈকে তেওঁ সন্ন্যাসী হোৱাৰ চেষ্টা কৰিছে।"

তেওঁৰ এইবোৰ কথা শুনি তেওঁৰ ভক্ত-সকল চিন্তিত হৈ উঠিছিল। দশৰথে প্ৰেমানন্দক বৰ ভাল পাইছিল। প্ৰেমানন্দৰ সততা আৰু ব্যৱহাৰ শৈলীত দশৰথ মুগ্ধ হৈছিল। কালযোগীয়ে কোৱা কথাবোৰ শুনি তেওঁ বৰ কষ্ট পাইছিল। এবাৰ তেওঁ গাঁৱৰ কেইজনমান মানুহ লৈ প্ৰেমানন্দৰ ওচৰলৈ গ'ল আৰু তেওঁক সকলো কথা খুলি ক'লে।

প্ৰেমানন্দই তেওঁৰ সকলো কথা শুনাৰ পাছত ক'লে, "মই এনে এজন যোগীৰ প্ৰতীক্ষাতেই আছো। অহা একাদশীৰ দিনা আপোনাৰ বাগিচাত যজ্ঞকুণ্ডৰ আয়োজন কৰক। সেইদিনা একাদশী উপলক্ষ্যে ৰুদ্ৰ হোম কৰিম। পূৰ্ণ আহুতি সমাপ্তিৰ পাছত

নন্দলাল

পবিত্ৰ হৃদয়ৰ যোগী তাত প্ৰবেশ কৰিলে তেওঁ দুগুণ তেজস্বিতা তথা অদ্ভুত শক্তিৰ সৈতে বাহিৰ ওলাই আহিব। ইয়াৰপৰা মানুহৰ কল্যাণ হ'ব। এই কথা সৰ্বজ্ঞ কালযোগীয়ে নিশ্চয় জানে। এই যজ্ঞকুণ্ডত মহিমামণ্ডিত কালযোগী প্ৰথমে প্ৰবেশ কৰিলে ময়ো মোৰ শিষ্যসহিতে সেই কুণ্ডত প্ৰবেশ কৰিম। তেওঁক এই কথা আগতীয়াকৈ জনাব।"

প্ৰেমানন্দৰ এই কথা গোটেই গাঁৱতে বনজুইৰ দৰে বিয়পি পৰিল। দশৰথে যেতিয়াই এই বিষয়ে কালযোগীক ক'লে, তেতিয়া তেওঁ ক'লে, "ঠিক আছে, তাকেই কৰিম। পৰহিলৈ একাদশী পালেহিয়েই।"

পিছদিনা ৰাতিপুৱাই মালী দশৰথৰ ওচৰলৈ আহি ক'লে, "মালিক, কালযোগীক বাগিচাত দেখিবলৈ পোৱা হোৱা নাই।"

"ভালকৈ ঘূৰি পকি চোৱাচোন। যোগীয়ে কোনো নিৰিবিলি ঠাইত নিশ্চয় যোগমনত বহি তপস্যা কৰি আছে।" দশৰথে ক'লে।

"মই গোটেই বাগিচাখন ভালকৈ চাইছো মালিক। তেওঁৰ কোনো বস্তুৱেই মোৰ চকুত পৰা নাই।" মালীয়ে ক'লে।

দশৰথে লগে লগে প্ৰেমানন্দক লগ ধৰিবলৈ গ'ল। তেওঁক গোটেই কথাখিনি ক'লে।

প্ৰেমানন্দই মিচিকিয়া হাঁহি মাৰি ক'লে, "জানি শুনিনো কোনে মৃত্যুক সাবটি ল'ব? নিজকে বচাবলৈ ক'ৰবালৈ নিশ্চয় পলাই গ'ল। অলপ অচৰপ যাদু শিকি সৰল জনতাক প্ৰতাৰণা কৰি ধন উপাৰ্জন কৰিছিল। নিৰ্মল মন নাথাকিলে কোনো যোগী হ'ব নোৱাৰে। নিৰ্মল মনত অহংকাৰ বা দ্বেষে ঠাই ল'ব নোৱাৰে। আপোনাৰ কথাৰপৰা মই তেতিয়াই বুজি পাইছিলো যে এওঁ এজন কপট যোগী হ'ব।

"সেয়েহে মই অগ্নি প্ৰবেশৰ নাটক কৰিলো। যাগ-যজ্ঞৰদ্বাৰা কোনোবা মহিমামণ্ডিত হ'ব পাৰে, কিন্তু তেওঁ দাম্ভিক নহয়। আনক তেওঁ ভৰ্ৎসনা নকৰে। তেওঁ সকলোকে সহায় কৰাটোৱেই নিজৰ উদ্দেশ্য কৰি লয়। সঁচা অৰ্থত এনে এজন মানুহকে মহাযোগী বুলিব পাৰি।"

প্ৰেমানন্দই কোৱা কথাখিনি নিজৰ আচৰণত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিম বুলি মনতে ভাবি দশৰথে বিদায় মাগিলে।



ভয়ংকৰ ঘাটী

২৬

(জয়মল্লই বিড়ালী আৰু শ্ৰাণকৰ্ণী গোটৰ মাজত বুজাবুজি স্থাপন কৰাত সফলতা লাভ কৰিব নোৱাৰিলে। বিড়ালীয়ে জনালে যে শ্ৰাণকৰ্ণী গোটৰ পূৰ্বপুৰুষৰ পাথৰৰ গদাটো জুই উলিওৱা সিংহৰ গুহাত আছে। সেই গদাটো আনিবলৈ কেশৰ আৰু তাৰ বন্ধুদ্বয় হ্ৰদ পাৰ হৈ গুহাৰ ওচৰলৈ যায় আৰু সিহঁতে গুহাটোৰ ভিতৰলৈ জুমি চায়। তাৰ পিছত...)

গুহাৰ ভিতৰত বেছি আন্ধাৰ নাছিল। ক'ৰবাৰপৰা তাত পোহৰ পৰিছিল। আটাইতকৈ প্ৰথমে কেশৰে জুমি চাই দেখিলে অ'ত ত'ত জ্বলন্ত, অঙঠা পৰি আছে, কিন্তু সিংহটো ক'তো দেখা পোৱা নগ'ল ।

"গুহাবাসীসকলে কোৱা কথাবোৰ যদি সঁচা হয়, তেন্তে জুই উলিওৱা সিংহ আমাৰ বাণে ঢুকি পোৱা সীমাতকৈ দূৰত আছে।" এইবুলি কৈ কেশৰে তাৰ বন্ধুহঁতৰ ফালে চালে। জয়মল্ল আৰু গোমাংগয়ো গুহাৰ ভিতৰত এঙাৰ দেখা পালে।

"আমি সিংহটো বাহিৰলৈ আনিব লাগিব। এইটো কৰিব পাৰিলে, তাক মৰাটো সহজ হ'ব। আমি গুহাৰ ভিতৰলৈ যোৱাটো উচিত নহ'ব। গুহাটো আমাৰ বাবে অচিনাকি আনহাতে সিংহটোৱে ইয়াৰ চুকে কোণে চিনি পায়। সি লুকাই আমাক পিছফালৰপৰা আক্ৰমণ কৰিব পাৰে।" জয়মল্লই ক'লে।

চিকাৰ কৰিব লাগিব, নহ'লে আৰুনো কি উপায় আছে?" জয়মল্লই কেশৰক সুধিলে।

জয়মল্লই ক'লে, "গুহাবাসীয়ে কোৱাৰ দৰে এই জন্তুটো সিমান বেছি ভয়ংকৰ নহয়। কিন্তু ইয়াৰ এটা বৈশিষ্ট্য আছে, যিটো আন সিংহৰ ক্ষেত্ৰত লক্ষ্য কৰা নাযায়, আৰু সেইটো হ'ল ই নাকেৰে বা মুখেৰে অঙঠা উলিয়াব পাৰে। তাকে দেখি গুহাবাসীসকলে ভয় খায়। তথাপি সাৱধানে যাবা। আমাৰ তিনিওৰে বাণৰ ভিতৰত এডাল গৈ লাগিলেও তাৰ মৃত্যু অনিবাৰ্য, নহয়নে গোমাংগ? পিছে খৰখেদা নকৰাই ভাল।"

"এই বিষয়ে মই বেছ সচেতন। মোৰ অলপো সংশয় নাই।" গোমাংগই ক'লে।

"আমি আকৌ গুহাত আহি বাট হেৰুৱালো। কোনটো ৰাস্তা ক'লৈ যায়, ক'ব নোৱাৰি। সিংহটো, ইয়াৰে কোনটো ৰাস্তাত গ'ল?" কেশৰে সুধিলে।

গোমাংগই আঁঠ কাঢ়ি যিখিনিৰপৰা ৰাস্তাবোৰ বিভক্ত হৈছিল তাত খুব মনোযোগেৰে চালে। "চোঁৱা, চোঁৱা, এইফালে গৈছে সিংহটো, তাৰ হাতোবাৰ চিন দেখা গৈছে।" সি ক'লে।

তাৰ বাহুত ধৰি জয়মল্লই ক'লে, "গোমাংগ, খৰখেদা নকৰিবা। সিংহটো এই ৰাস্তাইদি যোৱাটো অসম্ভৱ নহয়। কিন্তু সি এইফালে গৈ আন এটা ৰাস্তাইদি আহি পিছফালৰপৰা আমাক আক্ৰমণ কৰিব পাৰে। পিছফালৰপৰা চলা আক্ৰমণ আমাৰ বাবে বিপদজনক হ'ব পাৰে। সেই কথা তুমি ভবি চাইছানে?"

জয়মল্লৰ কথা শুনি সচকিত হৈ উঠা

জয়মল্লই কথাখিনি কৈ থাকোতেই গোমাংগই গুহাৰ ওচৰতে পৰি থকা এটা ডাঙৰ পাথৰ উঠাই লৈ জোৰেৰে গুহালৈ মাৰি পঠিয়ালে।

"অ'হ...হ'..." সি জোৰেৰে চিঞৰি উঠিল। গুহাত তাৰ মাতৰ প্ৰতিধ্বনি শুনা গ'ল। তৎক্ষণাৎ অঙঠা জিলিকি উঠিল। ক'ৰবাত কিবা এটা লৰচৰ কৰাৰ শব্দ শুনা গ'ল।

কেশৰে চকুৰ পচাৰতে বাণ এৰিবলৈ লৈ ক'লে, "সিংহ আমাৰ ওপৰত আক্ৰমণ কৰিবলৈ আহি আছে।"

কিন্তু তাৰপাছত গুহাত কোনো শব্দ শুনা নগ'ল। অঙঠাৰ ৰশ্মিও কমি আহিল।

"সিংহ ভয়তে পলাই গ'ল। ইয়াত কোনো সন্দেহ নাই।" গোমাংগই ক'লে।

"এতিয়া আমি গুহাত তাৰ পিছ লৈ তাক

গোমাংগই ক'লে, "তুমি কোৱা কথাখিনি দলিয়াই পেলাব নোৱাৰি। আমাৰ মাজৰে এজনে পিছলৈ চাই চাই আহিব লাগিব খুব সাৱধানে। এনে অৱস্থাত সিংহই হঠাতে আমাৰ ওপৰত আক্ৰমণ চলাব পাৰে।"

জয়মল্ল আৰু গোমাংগ আগে আগে আৰু কেশৰ গৈ থাকিল সিহঁতৰ পিছে পিছে। কিছুদূৰ যোৱাৰ পাছত গোমাংগই অনুচ্চ কণ্ঠেৰে ক'লে, "এয়া চোৱা, মানুহৰ কংকাল। খুব সম্ভৱ বিড়ালী গোটৰ সেই ল'ৰাটোৰ। ইয়েই বোধকৰো শ্ৰাণকৰ্ণীৰ গদা চুৰ কৰি সিংহটো মাৰিবলৈ আহিছিল।"

অলপ দূৰত পৰি থকা কংকালটো উঠাই লৈ মনোযোগেৰে চাই জয়মল্লই ক'লে, "খুব সম্ভৱ এই কংকাল সেই ল'ৰাটোৰেই। কিন্তু যদি এই কথা সঁচা হয় তেন্তে গদাটোও ইয়াৰে ক'ৰবাত নিশ্চয় পৰি থাকিব।"

তিনিও তাত গদা বিচাৰিবলৈ ধৰিলে। হঠাতে কেশৰে ডাঙৰকৈ হাঁহি মাৰি এটা দীঘল পাথৰৰ টুকুৰা ওপৰলৈ তুলি ধৰিলে। টুকুৰাটোৰ এটা মূৰ গোল গোল আৰু কাঁইটীয়া আছিল।

"এইটোৱেই শ্ৰাণকৰ্ণীৰ পূৰ্বপুৰুষৰ মহিমামণ্ডিত গদাটো নহয়তো?"

জয়মল্লই গদাটো পৰীক্ষা কৰি ক'লে, "ইয়াত কোনো সন্দেহ নাই যে ই হ'ল পাথৰৰ গদা। পিছে ইয়াত মহিমা আছে নে নাই সেই কথা সেই গুহাবাসীসকলেহে জানিব। এৰা, আমি যি কামত আহিছিলো সেই কাম হ'লেই। ব'লা, বাহিৰলৈ যাওঁ।"

"পিছে সিংহটোক কি কৰা যায়?" কেশৰে সুধিলে।

"হয়, আমি তাক নমৰাকৈ যাওঁ কেনেকৈ?" গোমাংগই ক'লে।

জয়মল্লই পাথৰৰ গদাটো গোমাংগক দি ক'লে, "আমি সিংহটোক মাৰিম বুলিতো কাকো কথা দিয়া নাই। যিটো কাম কৰিম বুলি কথা দিছিলো সেই কাম ইতিমধ্যেই কৰা হৈছে। সিংহৰ বিষয়েনো আমি কৰোৱেই বা কি? আমি এইটোও নাজানো সিনো কিমান ভয়ংকৰ পশু। ব্যৰ্থ দুঃসাহস কৰা আৰু বিনা কাৰণত নিজৰ বাবে বিপদ মাতি অনা উচিত নহ'ব।" এইবুলি কৈ জয়মল্লই কেশৰৰ ফালে চালে।

জয়মল্লৰ কথাৰ উত্তৰত কেশৰে কিবা এটা ক'ব খুজিছেহে হঠাতে গোমাংগই চিঞৰি উঠিল, "অঁঙঠা উলিওৱা সিংহ। সৌটো চোৱা। আহি গ'ল। বাণ লগোৱা।" সি নিজে পাথৰৰ গদাটো উঠাই ল'লে।

এটা কেঁকুৰিৰ ওচৰৰপৰা ডাঙৰকৈ গৰজি সিংহটোৱে এটা প্ৰকাণ্ড জাঁপ মাৰিলে আগফাললৈ। জয়মল্ল আৰু কেশৰে নিজৰ ধনুত বাণ নৌ লগাঁওতেই গোমাংগই নিজৰ হাতত থকা গদাৰে জন্তুটোৰ মূৰত এটা তীব্ৰ প্ৰহাৰ কৰিলে। মাৰ খাই সিংহটোৱে চকুৰ পচাৰতে পিছফাললৈ দৌৰিবলৈ ধৰিলে। কেশৰ আৰু জয়মল্ল দুয়ো বাণ এৰিলে পিছে সিংহৰ গাত নালাগিলগৈ।

"নাজানো কোনে ইয়াৰ নাম থ'লে সিংহ। ইতো সিংহ নহয়। আমিবোৰে ইয়াক সিংহলিক বুলি কওঁ। আমাৰ পাহাৰবোৰলৈয়ো ই অহা যোৱা কৰি থাকে। তাৰ নাকৰপৰা ওলোৱা অঙঠাৰ পোহৰ নিশ্চয় আছে, কিন্তু ইয়াত গৰম নাই।" হাত জোকাৰি জোকাৰি গোমাংগই ক'লে।

"ইয়াৰ ডিঙি আৰু মুখ দেখি কোনেও বিশ্বাস নকৰিব যে ই সিংহ জাতিৰ সদস্য। তাতে ই ভয়াতুৰ। এতিয়া চোৱা যাওক ই কি কৰিব পাৰে?" এইবুলি কৈ জয়মল্ল সমুখৰ ফালে আগবাঢ়ি গ'ল। কেশৰ আৰু গোমাংগও তাৰ পিছে পিছে গ'ল।

সিংহ কিছু দূৰলৈকে গৈ হঠাতে ঘূৰি ল'লে। জয়মল্লই কেঁকুৰিটোলৈকে আহি জুমি চালে। তাৰ পিছত সি ক'লে, "মোৰ ভয় আছিল আমালৈ ই ইয়াতে বহি অপেক্ষা কৰিব। কিন্তু ই দেখোন পলাই গ'ল। এতিয়া কি কৰা যায়?"

তিনিও সমুখৰ গুহাটোৰ ফালে চাই পঠিয়ালে। পাথৰৰ গদাটো ঘূৰাই গোমাংগই ক'লে, "ইয়াৰ নিশ্চয় কিবা অদ্ভুত শক্তি আছে। তাত কোনো সন্দেহ নাই। দেখিলানে একেটা প্ৰহাৰতে সিংহটোৱে কেনেকৈ ভয় খাই গুচি গ'ল!"

"কিন্তু গদাটোৰ যদি সঁচাই কিবা মহিমা আছে তেন্তে বিড়ালী যুৱকৰ কংকাল ইয়াত পৰি নাথাকিলেহেঁতেন। সিংহটোৰ মূৰত গদাৰ তীব্ৰ প্ৰহাৰ পৰিল যিটো যিকোনো পাথৰৰদ্বাৰাই সম্ভৱ হ'ব পাৰিলেহেঁতেন। সেই আঘাততে ভয় খাই সিংহটো পলাল।" কেশৱে নিজৰ সন্দেহ প্ৰকাশ কৰিলে।

"সি গুচি যোৱাটোৱেই আমাৰ বাবে ভাল হ'ল কিজানি।" জয়মল্লই ক'লে।

"ইমান কষ্ট অথলে যাবলৈ দিওঁ কিয়? সিংহটো মাৰি তাৰ ছালখনকে লৈ নাযাওঁ কিয়?" কেশৱে সুধিলে। "কোনে জানে আঘাতপ্ৰাপ্ত হৈ তাৰ কিজানি যোৱা থোৱা অৱস্থাই বা! ব'লা চাই লওঁ।"

তিনিও গুহাত আগবাঢ়ি গ'ল। কিন্তু ক'তো সিংহটো দেখা পোৱা নগ'ল। সিহঁতে ভাবিলে সিংহটো নিশ্চয় গুহাৰ ভিতৰৰ ৰাস্তাৰ ক'ৰবাত লুকাই আছে। কিন্তু সিংহটোক মৰা যায় কেনেকৈ?

জয়মল্লই পিছফালে ঘূৰি চালে। হঠাতে জয়মল্ল ৰৈ গ'ল, "আকৌ হ্ৰদৰ ওচৰলৈ ঘূৰি যোৱা ৰাস্তাটো তোমালোকে জানানে? ইয়াৰ আগৰবাৰ ৰাস্তা পাহৰি যোৱাৰ নিচিনাকৈ এইবাৰো যদি ৰাস্তা হেৰাই যায় কি হ'ব? তেতিয়া অক অজান ঠাইত উপনীত হৈ আমি নতুন বিপদৰ মুখামুখি হ'ব লাগিব। গতিকে ইয়াতে ৰৈ লৈ হ্ৰদলৈ ঘূৰি যোৱা ৰাস্তাটো ঠিক কৰি লোৱাটোৱেই ভাল হ'ব।"

এই প্ৰশ্নতহে সকলোৱে নিজৰ ভুল বুজি পালে। সিংহটোক মৰাৰ চিন্তাতে সকলোৱে কোনো চিন ৰাখি থৈ নহাকৈ খৰখেদাকৈ আগবাঢ়ি আহিছিল। এতিয়া সিহঁতে ঠিক



কৰিব পৰা নাই কোনটো ৰাস্তাৰে গ'লে হ্ৰদটোৰ পাৰ পোৱা যাবলৈ।

"খৰখেদাকৈ যিকোনো ৰাস্তাইদি গৈ, পিছত অনুতাপ কৰাটো আমাৰ বাবে শুভ নহ'ব। প্ৰথমতে আমি জানি ল'ব লাগিব হ্ৰদৰপৰা আমি কিমান দূৰ আগবাঢ়ি আহিলো।" জয়মল্লই ক'লে।

"সেইটো কেনেকৈ জনা যায়?" কেশৱে ক'লে, অলপ সময় নিমাতে থাকি কিবা এটা ভাবি কেশৱে আকৌ ক'লে, "আমি এতিয়া যিটো ৰাস্তাত আছো, সেই ৰাস্তাৰেই ঘূৰি যাওঁ। পিছলৈ গ'লে সিংহৰ ভয় নাই। তাৰপাছত আমি সেই কেঁকুৰিটো পামগৈ যিখিনিত কেইবাটাও ৰাস্তা ফাটি গৈছে। তাতেই আমি ঠিক কৰিম হ্ৰদলৈ যোৱা ৰাস্তা কোনটো হ'ব। সিংহক অনুসৰণ কৰি এইদৰে আগলৈ গৈ থকাটো বিপদমুক্ত

নহ'ব। এইখন নিসন্দেহে এখন নতুন ৰাজ্য। ইয়াৰ মানুহ আৰু বিপদবোৰো নতুন হ'ব। গতিকে পুনৰ দুৰ্গ পাবলৈ ঘূৰি যোৱাটোৱেই আমাৰ পক্ষে সবাতোকৈ সুৰক্ষিত হ'ব।"

জয়মল্লই কিবা এটা ক'ব খোজোতেই জংঘলী গোমাংগই তাত থকা ওখ চাপৰ পাথৰবোৰৰ ওপৰত উঠি গ'ল। এটা ফুটাইদি মূৰটো বাহিৰলৈ উলিয়াই সি চিঞৰিলে, "হে দেৱী মা," বুলি কৈ সি মূৰ তললৈ কৰি জঁপিয়াই পৰিল।

"তুমি ইমান আচৰিত হৈছানে? তুমিনো দেখিলা কি?" জয়মল্লই গোমাংগক সুধিলে।

গোমাংগই মুখত আঙুলি দি চুপ হৈ থকাৰ ইংগিত দি ক'লে, "আমি পুনৰ বিপদত পৰিছো। গুহাৰ ৰাস্তাৰে আমি সেই ঠাইলৈ আহিলো য'ত থাকে পাখিলগা মানুহবোৰ। লগতে আমি ব্ৰাহ্মদণ্ডী তান্ত্ৰিকৰো চিকাৰ হ'ব লাগিব।"

ব্ৰাহ্মদণ্ডী তান্ত্ৰিকৰ নাম শুনিয়েই কেশৰ আৰু জয়মল্লৰ আশ্চৰ্যৰ সীমা নোহোৱা হ'ল।

যেতিয়া দুয়ো ফুটাৰে বাহিৰলৈ চাব খুজিলে তেতিয়া গোমাংগই সিহঁতক সাৱধান কৰি ক'লে, "তোমালোকে এনেকুৱা কোনো কাম নকৰিবা যাৰদ্বাৰা সিহঁতে গম পায় যে আমি ইয়াতেই আছো। পাখিলগা মানুহবোৰে ব্ৰাহ্মদণ্ডীৰ সমুখত ব্যায়াম কৰি থকা যেন লাগিছে।"

কেশৰ আৰু জয়মল্লই নিশব্দে বাহিৰলৈ চালে। সমুখত আছিল এখন বিশাল পথাৰ। তাত আছিল ডাঙৰ ডাঙৰ গছ। পাখিলগা মানুহবোৰে পক্ষীৰ দৰে জঁপিয়াই আছিল। এটা ডাঙৰ পাথৰত বহি ব্ৰাহ্মদণ্ডীয়ে নিজৰ মন্ত্ৰদণ্ড লৰচৰ কৰি আছিল।

"এইবাৰ এওঁক জীৱিত অৱস্থাত ঘূৰি যাবলৈ নিদিম।" ক্ৰোধান্বিত কেশৰে ক'লে। জয়মল্লই মূৰ দুপিয়াই কিবা এটা ক'ব খুজিছেহে তেনেতে পাখিলগা মানুহবোৰে হঠাতে চিঞৰ বাখৰ কৰি ফৰিংছিটিকা দিয়া দেখা গ'ল।

ব্ৰাহ্মদণ্ডীয়ে পাথৰৰ ওপৰত থিয় হৈ মন্ত্ৰদণ্ডডাল ঘূৰাই কৈ, "মই এয়া...ঘট, ঘট, কালভৈৰৱ," বুলি চিঞৰিবলৈ ধৰিলে। জুই উলিওৱা সিংহটোৱে পাখিলগা মানুহবোৰক খেদি যোৱা দেখা গ'ল। **(আগলৈ)**



কঠিন কাম

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল, গছৰপৰা শটো নমাই নিজৰ কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগবাঢ়িল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, নিজৰ লক্ষ্যত উপনীত হ'বলৈ তুমি কঠোৰ পৰিশ্ৰম কৰিছা। তোমাৰ এই প্ৰচেষ্টা প্ৰশংসনীয়। কিন্তু যিটো লক্ষ্য পূৰণ কৰিবলৈ তুমি এনেকৈ কঠোৰ পৰিশ্ৰম কৰিছা সেইটো তোমাৰ নিজৰ লক্ষ্য নে আন কাৰোবাৰ? কোনো কপটীয়া লোকৰ ছলাহী কথাত ভুল গৈ তুমি এনেকৈ কষ্ট কৰি থকা নাইতো? বুদ্ধিমান লোকেও কেতিয়াবা এনে ভুল কৰে। তোমাক সাৱধান কৰি দিবলৈকে মই জনবন্ধ নামৰ এজন তপস্বীৰ কাহিনী শুনাব খুজিছো যি দুজন প্ৰতিভাৱান যুৱকক মিঠা মিঠা কথাৰে প্ৰলোভিত কৰি শেষত প্ৰতাৰণা কৰিছিল।"

বেতাল কথা

এইবুলি বেতালে নিজৰ কাহিনী আৰম্ভ কৰিলে:

ৰাম পণ্ডিত আছিল, ভীম মল্লযুদ্ধত পাকৈত আছিল আৰু সোম জলক্রীড়াত অদ্বিতীয় আছিল। এই তিনিও যুৱকে নিজৰ নিজৰ বিদ্যা প্রদর্শন কৰিবলৈ বজ্রপুৰলৈ যাঁওতে তাত তিনিও মিত্র হৈ পৰিল। সেই গাঁৱৰ মানুহে তেওঁলোকৰ প্রতিভাৰ প্রশংসা কৰিলে আৰু তেওঁলোকৰ থকা খোৱাৰ ব্যৱস্থা কৰিলে।

কিন্তু কেইদিনমানৰ পিছত বজ্রপুৰত আকাল পৰিল। তিনিও মিত্রই শাৰীৰিক পৰিশ্রম কৰিব খোজা নাছিল সেয়েহে তিনিও শ্রীনগৰ পালেগৈ। থাকিবৰ বাবে তিনিও নগৰৰ ধনী ব্যক্তি বাসৰেশ্বৰৰ ঘৰ পালেগৈ।

সেই সময়ত তাত জনবন্ধ নামৰ এজন তপস্বী আছিল। বাসৰেশ্বৰৰ আতিথ্যত সন্তুষ্ট হৈ জনবন্ধ ক'লে, "অহা বছৰ তোমাৰ বোৱাৰীয়ে এটি সুপুত্র জন্ম দিব।"

এই কথা শুনি বাসৰেশ্বৰৰ মুখ নিস্তেজ হৈ আহিল। তেওঁৰ পত্নী বিমলাই ক'লে, "স্বামী, আমাৰ কোনো সন্তান নাই। আপোনাৰ আশীৰ্বাদৰ জোৰত আমাৰ পুত্র সন্তান হ'লেও তাৰ বিবাহ বিছ বছৰৰ পাছতহে হ'ব, নহয়জানো?" বিমলাই কথাখিনি দুখেৰে ক'লে।

জনবন্ধই ক'লে, "মোৰ আশীৰ্বাদ অথলে নাযায়। কোনো যোগ্য যুৱকক তোলনীয়া পুত্রৰ ৰূপত গ্রহণ কৰা আৰু তেওঁৰ বিবাহ কৰোৱা। এবছৰৰ ভিতৰতে তোমাৰ বোৱাৰীয়ে পুত্র জন্ম দিব।" বাসৰেশ্বৰে ক'লে, "আমিও তাকেই ভাবিছো। কিন্তু আমি জানিম কেনেকৈ যোগ্য কোন?"

ঠিক সেই সময়তে ৰাম, ভীম আৰু সোমে দুৱাৰত টকৰিয়ালে। তেওঁলোকে নিজৰ বিষয়ে কিবা কোৱাৰ আগতেই জনবন্ধই প্রত্যেককে নাম ধৰি মাতিলে আৰু ক'লে, "যিখন গাঁৱত তোমালোক আছিলা তাত দুৰ্ভিক্ষই দেখা দিলে। তোমালোকৰ পৰিশ্রম কৰাৰ ইচ্ছা নাছিল সেয়েহে নিজৰ নিজৰ প্রতিভা অনুসাৰে কাম বিচাৰি এইখন নগৰলৈ আহিছা। হয়নে বাৰু?"

তিনিও মিত্র আচৰিত হ'ল আৰু ক'লে, "আপুনি মহান। আপোনাৰ দিব্য দৃষ্টি আছে। আপুনি আমাৰ বিষয়ে সকলো কথা জানে। আপুনিয়েই এতিয়া আমাক পৰাৰ্মশ দিয়ক আমি কি কৰো।" এইবুলি কৈ তিনিও তপস্বীক প্রণাম কৰিলে।

জনবন্ধই ক'লে, "ভাগ্যৱান, এই বাস-ৰেশ্বৰৰ কোনো সন্তান নাই। দশৰথ পৰ্বতত

বশিষ্ট বৃক্ষ আছে। তাৰ পকা ফল খালে এওঁৰ পত্নী মাতৃ হ'ব পাৰিব। কিন্তু সেই পৰ্বত পশ্চিম দিশত নাই। বাকী তিনিটা দিশতো এই পৰ্বত নাই। তোমালোক তিনিও তিনিটা দিশলৈ গৈ এই ফলৰ অন্বেষণ কৰা। যিয়েই ফলটো আনিব পাৰিব, তেওঁকেই বাসৱেশ্বৰে নিজৰ সম্পত্তিৰ আধাভাগ দি দিব। দুমাহৰ ভিতৰতে যদি তোমালোকৰ কোনো এজনেও যদি এই ফলটো আনিব নোৱৰা তেন্তে ফলটো বিচাৰোতে আনৰ তুলনাত আটাইতকৈ বেছি পৰিশ্ৰম কৰাজনকে তোলনীয়া পুত্ৰ কৰা হ'ব আৰু ফলৰ অন্বেষণত কৰা চেষ্টাৰ বিনিময়ত তোমালোক তিনিও কাম পাবা।" তিনিও মিত্ৰ ফলটো বিচাৰি তিনিটা বিভিন্ন দিশত ৰাওণা হ'ল।

ৰাম গ'ল উত্তৰ দিশে। তেওঁ দশৰথ পৰ্বতৰ বিষয়ে খবৰ গোটাবলৈ চেষ্টা কৰিলে। তেওঁ বঞ্চক নামৰ এজন জমিদাৰক লগ পালে। ৰামৰপৰা প্ৰয়োজনীয় কথাবোৰ জানি লৈ তেওঁ ক'লে, "নিয়মানুযায়ী তেওঁকহে দশৰথ পৰ্বতৰ বিষয়ে জনোৱা হ'ব যি সৎ আৰু বুদ্ধিয়ক। তুমি ছসপ্তাহলৈকে মোৰ ইয়াত কাম কৰা। যদিহে মই পতিয়ন যাঁও যে তুমি বুদ্ধিয়ক তেন্তে মই তোমাক সেই পৰ্বতৰ বিষয়ে সকলো কথা কম।"

ৰামে বঞ্চকৰ কথাবোৰ বিশ্বাস কৰিলে। তেওঁ বঞ্চকৰ ঘৰত কাম কৰিবলৈ ধৰিলে। বঞ্চকে প্ৰতিদিনে ৰামক ঘৰুৱা কামবোৰ কৰিবলৈ দিয়ে। ঘৰ চাফাই কৰা, গৰু মহক গা ধুওৱা, খৰি কটা, কুঁৱাৰপৰা পানী তোলা ইত্যাদি। ৰামৰ এইবোৰ কাম কৰিবলৈ ইচ্ছা নাছিল, কিন্তু ছসপ্তাহলৈকে ৰামে এইবোৰ কামকে কৰি থাকিল। ছমাহৰ পাছত ৰামে যেতিয়া বঞ্চকক দশৰথ পৰ্বতৰ বিষয়ে ক'বলৈ অনুৰোধ কৰিলে তেতিয়া বঞ্চকে ক'লে, "এই ছসপ্তাহৰ ভিতৰত তুমি নিজকে বিশ্বাসৰ পাত্ৰ কৰি তুলিলা। কিন্তু এতিয়া মই যদি তোমাক এই পৰ্বতৰ বিষয়ে কঁও তেন্তে তুমি তৎক্ষণাৎ ইয়াৰপৰা গুচি যাবাগৈ। ইমান বিশ্বাসী ভৃত্য মই আন কৰপৰা পাম। ইমান সৰু কথাটোকে তুমি বুজি নাপালা। প্ৰমাণ হ'ল যে তুমি মুঠেই বুদ্ধিয়ক নহয়, তুমি দশৰথ পৰ্বতৰ বিষয়ে জনাৰ যোগ্য নহয়।"

এতিয়া ৰামে বুজি পালে যে বঞ্চকে দশৰথ পৰ্বতৰ বিষয়ে একোকে নাজানে আৰু তেওঁ এজন ডাঙৰ প্ৰতাৰক। বেচেৰা ৰামে শ্ৰীনগৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে।

ভীম গ'ল দক্ষিণ দিশে। তেওঁ গৈ বিচিত্ৰপুৰ নামৰ এখন গাঁও পালেগৈ। তেওঁ সেই গাঁৱত



নিজৰ মল্লবিদ্যা প্ৰদৰ্শন কৰিলে, গাঁওবাসী তাকে দেখি সন্তুষ্ট হ'ল আৰু তেওঁক সেই গাঁৱতে থাকি যাবলৈ পৰামৰ্শ দিলে। ভীমে ৰাইজক তালৈ অহাৰ কাৰণ বুজাই দিলে। তাকে শুনি শ্বিলাদ্ৰ নামৰ এজন ব্যক্তিয়ে ভীমক ক'লে, "আমাৰ গাঁৱৰপৰা অলপ দূৰৈত এক দুৰ্গম পৰ্বতমালা আছে, মই এজন পৰ্বত আৰোহণকাৰী। এই লানি পৰ্বতৰ বৈশিষ্ট্যৰ কথা জানিবলৈ মই তোমাৰ দৰেই এজন বলৱান লোকৰ সন্ধান কৰি আছো। তুমি মানি ল'লে তোমাৰ লগত যাবলৈ মই সাজু আছো। কোনে জানে, সেই পৰ্বতমালাৰে কোনোবা এঠাইত কিজানি দশৰথ পৰ্বতেই আছে বা।"

ভীমে এই প্ৰস্তাৱ মানি ল'লে। পিছদিনা দুয়ো পৰ্বত অভিযানত ওলাল। সেই পথ সঁচাই দুৰ্গম আৰু বিপদজনক আছিল। খলা বমা আছিল। বটিত আছিল হিংস্ৰ জন্তু আৰু বিষাক্ত সাপ। কোনো খোৱাবস্তু নাছিল। ছসপ্তাহ পাছত তেওঁলোক নিৰাশ হৈ ঘূৰি আহিল। বিচিত্ৰপুৰৰ ৰাইজে এই কঠোৰ যাত্ৰাৰ বাবে তেওঁক সন্মান জনালে। দশৰথ পৰ্বতৰ কথা জনা নগ'ল ঠিকেই, কিন্তু এটা কথাত ভীম সুখী আছিল যে তেওঁ কঠোৰ পৰিশ্ৰম কৰিলে, আৰু অনেক কষ্ট সহ্য কৰিলে। উৎসাহিত হৈ তেওঁ শ্ৰীনগৰ অভিমুখে ৰাওনা হ'ল।

এতিয়া আহিল সোমৰ কথা। তেওঁ পূব দিশলৈ গৈ মহাবলি নামৰ এখন নদীৰ পাৰত থকা জলপুৰ নামৰ এখন গাঁৱলৈ গ'ল। তাত তেওঁ গাঁওবাসীক নিজৰ জলক্ৰীড়াৰ বিভিন্ন কৌশলেৰে সন্তুষ্ট কৰিলে। গাঁওবাসীয়ে তেওঁক তাতে থাকি যাবলৈ অনুৰোধ কৰিলে, কিন্তু সোমে তালৈ অহাৰ নিজৰ উদ্দেশ্য ব্যক্ত কৰি ৰাইজৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। তেওঁৰ কাহিনী শুনাৰ পাছত মকৰ নামৰ এজন ব্যক্তিয়ে ক'লে, "এই নদীয়েদি দুসপ্তাহ গৈ থাকিব পাৰিলে আমি ঘৰিয়ালৰ দ্বীপত গৈ উপস্থিত হ'মগৈ। সম্ভৱ সেইটো দ্বীপতে দশৰথ পৰ্বত আছে। কিন্তু নদীৰ মাজভাগত অসংখ্য ঘৰিয়াল আছে। এই ভয়তে আজিলৈকে কোনেও সেই দ্বীপলৈ যাবলৈ সাহস কৰা নাই। মই এজন নাবিক। এই দ্বীপৰ বৈশিষ্ট্যৰ কথা জানিবলৈ মই তোমাৰ দৰে জলক্ৰীড়াত নিপুণ মানুহ এজনকে বিচাৰি আছো। তুমি মানি ল'লে আমি দুয়ো যাত্ৰা আৰম্ভ কৰিব পাৰো।"

সোমে নিজৰ সন্মতি দিলে। দুয়ো মকৰদ্বীপ অভিমুখে নাৱেৰে যাত্ৰা আৰম্ভ কৰিলে। দুদিনৰ পাছত তেওঁলোকে যিফালেই চায় সেইফালেই ঘৰিয়াল দেখিলে। সোমে তেওঁৰ জলনৈপুণ্যৰে ঘৰিয়ালবোৰক ভয় খুৱাই খেদি দিলে। এনেকৈ

দুসপ্তাহ যাত্ৰা কৰাৰ পাছত তেওঁলোক মকৰ-দ্বীপ পালেগৈ।

তাত গৈ পোৱাৰ লগে লগে কিছুমান মানুহে তেওঁলোকক ঘেৰি ধৰিলে আৰু নিজৰ ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজাই তেওঁলোকৰ গোটেই কাহিনীটো শুনাৰ পাছত ক'লে, "আমাৰ দেৱী ঘৰিয়াল। ঘৰিয়ালৰ নদীৰ সোঁমাজতে আছে দেৱীৰ মূৰ্ত্তি। যেতিয়া দেৱীক নৰবলি লগা হয় তেতিয়া তেওঁ বাহিৰৰ মানুহক ইয়ালৈ আহিবলৈ প্ৰৰোচিত কৰে। তোমালোক দুয়ো এনেকৈ অহা মানুহ। তোমালোকক ঘৰিয়ালৰ মাজত দলিয়াই দিয়া হ'ব। আমাৰ দেৱী ঘৰিয়ালৰ ৰূপত আহি তোমালোকক ভক্ষণ কৰিবহি।"

সোমে ক'লে, "মোৰ এটা প্ৰাৰ্থনা আছে। মোক সেই ঠাইত প্ৰথমে নমাই দিয়ক। দেৱী মোৰ প্ৰাৰ্থনাত সন্তুষ্ট হ'লে মই তেওঁক সাষ্টাংগে প্ৰণাম কৰিম আৰু সুৰক্ষিত হৈ ঘূৰি আহিম। যদিহে মই সেই দেৱীৰ আহাৰ হওঁ তেন্তে মোৰ মিত্ৰকো তালৈ দলিয়াই দিব।"

তেওঁৰ কথা শুনি ৰজাই হাঁহিলে আৰু সোমক সেই নদীৰ সোঁমাজলৈ দলিয়াই দিলে। তৎক্ষণাৎ এটা প্ৰকাণ্ড ঘৰিয়াল মুখ মেলি তেওঁৰ ওপৰত জঁপিয়াই পৰিল। সোমে বিভিন্ন প্ৰকাৰৰ জলবিন্যাসেৰে সেই ঘৰিয়ালটোক খেদি পঠিয়ালে। তাৰপিছত তেওঁ তাত থকা দেৱী মূৰ্ত্তিক প্ৰণাম কৰিলে। ৰজাই সোমক প্ৰশংসা কৰি ক'লে, "তুমি আমাৰ দেৱীৰপৰা আশীৰ্বাদ লাভ কৰিছা। তোমাক আতিথ্য প্ৰদান কৰাটো আমাৰ কৰ্ত্তব্য। যিমান দিন ইয়াত থাকিব খোজা থাকা আৰু দশৰথ পৰ্বতৰ সন্ধান কৰা।"

দুসপ্তাহলৈকে অন্বেষণ কৰাৰ পাছত তেওঁলোকে গম পালে যে সেই দ্বীপত দশৰথ পৰ্বত নাই। সোমে ভাবিলে যে মই যথেষ্ট পৰিশ্ৰম কৰিলো, দশৰথ পৰ্বত বিচাৰি উলিয়াবলৈ সম্ভৱপৰ প্ৰতিটো প্ৰচেষ্টাই চলালো। এটা সন্তুষ্টি লৈ সোম উভতি গ'ল।

দুমাহ কাল পূৰা হোৱাৰ লগে লগে তিনিও শ্ৰীনগৰ পালেগৈ আৰু বাসৱেশ্বৰৰ ঘৰলৈ গ'ল। তাত তেতিয়া জনবন্ধও উপস্থিত আছিল। তেওঁ তিনিওজনৰে অভিজ্ঞতাৰ কথা শুনাৰ পাছত ক'লে, "মোৰ কথা মতে তোমালোক তিনিও এনে তিনি ঠাইলৈ গ'লা য'ত তোমালোকে কাম পাব পাৰা। ভীম বিচিত্ৰপুৰলৈ যোৱা আৰু সোম যোৱা জল-পুৰলৈ। তাত গৈ আৰামেৰে থাকাগৈ। ৰামে তোমালোক দুয়োজনতকৈ বেছি কষ্টকৰ কাম কৰিলে, কিন্তু তেওঁ ক'তো কাম নাপায়।

সেয়েহে বাসৱেশ্বৰে ৰামক নিজৰ তোলনীয়া পুত্ৰ কৰিব।"

তেওঁৰ সিদ্ধান্ত শুনি সোম আৰু ভীম খন্তেক সময়ৰ বাবে অবাক হৈ গ'ল। তাৰপাছত নিজকে নিজে চম্ভালি লৈ জনবন্ধক প্ৰণাম কৰিলে আৰু তাৰপৰা গুচি গ'লগৈ।

কাহিনীটো কৈ উঠি বেতালে ক'লে, "ৰাজন, বাসৱেশ্বৰে কোনোবা এজনক তোলনীয়া পুত্ৰ কৰক, সেই উদ্দেশ্যৰে সোম আৰু ভীমে দশৰথ পৰ্বত বিচাৰিবলৈ যথাসাধ্য প্ৰচেষ্টা চলালে, কষ্ট সহিলে, বিপদৰ মুখামুখি হ'ল, কিয়নো জনবন্ধৰ চৰ্ত্ত আছিল যে যিজনে সবাতোকৈ বেছি পৰিশ্ৰম কৰে তেওঁকেই বাসৱেশ্বৰে নিজৰ তোলনীয়া পুত্ৰ কৰিব।

ফলটো বিচাৰি তেওঁলোকে নিজৰ প্ৰাণ দিবলৈয়ো সাজু হৈছিল। জনবন্ধই এওঁলোক দুজনৰ কোনোবা এজনক বাচনি নকৰি বঞ্চকৰ প্ৰতাৰণাৰ বলি ৰামকহে এই সৌভাগ্যৰ গৰাকী কৰিলে। এই ঘটনাই ইয়াকে প্ৰমাণ কৰে যে তেওঁ মহামূৰ্খ। ৰামক বাচনি কৰি জনবন্ধই ভুল কৰা নাছিলনে? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই ক'লে, "ৰাম বঞ্চকৰ ছলাহী কথাত ভুল গ'ল। ইয়াৰ বাবে তেওঁ সেই সকলোবোৰ কাম কৰিলে, যিবোৰ কাম তেওঁৰ মুঠেই পচন্দৰ নাছিল। বাকী দুজনে এটা অনিশ্চিত লক্ষ্য পূৰণৰ অৰ্থে কষ্টকৰ কাম কৰিলে ঠিকেই কিন্তু সেই কাম তেওঁ-লোকৰ সামৰ্থৰ অনুকূল আছিল। নিজৰ পছন্দৰ কাম কৰা সহজ লাগিলে সি কষ্টকৰেই নহওক কিয়। পছন্দৰ কাম নহ'লে সহজ কামও কৰা কঠিন হৈ পৰে। ৰামে এই কঠিন কামকে কৰা বাবেই জনবন্ধই তেওঁক বাচনি কৰিলে। ইয়াত পক্ষপাতিত্বৰ প্ৰশ্ন উঠিব নোৱাৰে। ইয়াৰ বাহিৰেও সোম আৰু ভীমৰ প্ৰচেষ্টাও অথলে নগ'ল। তেওঁলোকে জীয়াই থকাৰ ৰাস্তা বিচাৰি পালে। তেওঁলোকে নিজেও এই সত্যৰ কথা গম পায়েই তপস্বীক সবিনয় প্ৰণাম কৰি তাৰপৰা গুচি গ'ল।

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ পুনৰ অদৃশ্য হৈ গ'ল আৰু সেই গছজোপাত ওলমি থাকিলগৈ।

(বসুন্ধৰাৰ ৰচনাৰ আলম লৈ)

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-২৪

মহান চিকাৰীৰ মহানতম গুণ

তোমালোকে নিশ্চয় জিম কৰবেটৰ কথা ভালকৈ জানা, যিজন উত্তৰ প্ৰদেশৰ কুমাও এলেকাৰ ৰাইজৰো অতি মৰমৰ আছিল। তাত তেওঁৰ নামেৰে নামকৰণ কৰা এখন বিখ্যাত প্ৰাণীবিজ্ঞান উদ্যানও আছে।

কুৰি শতিকাৰ প্ৰাৰম্ভিক বছৰবোৰৰ কথা। সেই সময়ত বাঘ চিকাৰ একপ্ৰকাৰ আমোদ ক্ৰীড়া আছিল। পিছে নিজে এজন ইংৰাজ চিকাৰী হৈয়ো কৰবেটে ব্যক্তিগত আনন্দ বা গৰ্বৰ বাবে বাঘ হত্যা কৰা নাছিল। তেওঁৰ নিজৰ ভাষাতে ক'বলৈ গ'লে নিজৰ প্ৰাকৃতিক বাসস্থানত থকা এটা বাঘ হ'ল "এজন বহল অন্তৰৰ ভদ্ৰলোক যাৰ আছে অসীম সাহস।" এটা বাঘ নৰখাদক হৈ উঠিলেহে আৰু গাওঁবাসীৰ বাবে সংকটৰ কাৰণ হৈ উঠিলেহে কৰবেটে বন্দুক হাতত তুলি লৈছিল। ধৈৰ্য আৰু নেৰানেপেৰা প্ৰচেষ্টাৰে তেওঁ এই নৰখাদক বিচাৰি উলিয়াই বন্দুকৰ গুলীৰে তাক চিৰদিনৰ বাবে শান্ত কৰিছিল।

কালা অগৰ পৰ্বতমালাৰ ওচৰৰ গাওঁবোৰত এবাৰ এজনী বাঘিনীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। এনে অৱস্থাত স্থানীয় ৰাইজৰ মৰমৰ "কাৰ্পেট চাহিবৰ" বাহিৰে আছে কোন ৰাইজক ৰক্ষা কৰিবলৈ। কৰবেটে এই প্ৰত্যাহ্বান গ্ৰহণ কৰিলে আৰু বাঘিনীৰ মুখামুখি হ'বলৈ সিদ্ধান্ত কৰিলে। তেতিয়ালৈকে বাঘিনীয়ে ৬৪ জন পুৰুষ আৰু মহিলাৰ কেঁচাতেজৰ সোৱাদ লৈছিল চৰকাৰী হিচাপ মতেই। সেই অঞ্চলৰ ৰাইজে কোৱা মতে আচল অংকটো তাৰ দুগুণ আছিল। কেইবাৰো চিকাৰী আৰু বাঘিনী চুলিৰ হিচাপত মুখামুখি হোৱাৰপৰা বাচি গৈছিল। অৱশেষত প্ৰতীক্ষাৰ অন্ত পৰিল। কৰবেটে এদিন

হঠাতে দেখিলে তেওঁৰ সোঁহাতে এটা শিলৰ ওপৰতে থিয় দি আছে সেই বাঘিনী। বাঘিনীয়ে একেথৰে চাই আছে কৰবেটলৈ, মুখত যেন তাইৰ পুতৌৰ হাঁহি, কাৰণ তাই জানিছিল সমুখৰ মানুহটোৰ পলাই সৰাৰ উপায় নাই।

কৰবেটৰ সোঁহাতত আছিল এটা পাতল ৰাইফল। কিন্তু বাঁওহাতৰ তলুৱাত আছিল ইটাখোলি চৰাইৰ দুটা কণী। বিভিন্ন চৰাইৰ কণী সংগ্ৰহ কৰাটো কৰবেটৰ এটা ডাঙৰ নিচা আছিল। এই কণী দুটা তেওঁ কিছু সময়ৰ আগতে এটা বাহৰপৰা উঠাই আনিছে, কিয়নো কৰবেটৰ সংগ্ৰহত তেতিয়ালৈকে নাছিল চৰাইৰ কণী।

নৰখাদকৰ মুখামুখি হোৱাৰ পাছত এজন সাধাৰণ মানুহে তৎক্ষণাৎ কণীদুটা পেলাই দুয়োখন হাতেৰে ৰাইফলটো খামুচি ধৰিলেহেঁতেন। কিন্তু প্ৰচুৰ অভিজ্ঞতাসম্পন্ন কৰবেটে জানিছিল যে তেওঁ বাঘিনীয়ে বুজিব পৰাকৈ সামান্য লৰচৰ কৰিলেই বাঘিনী তেওঁৰ ওপৰত বিজুলী গতিৰে জঁপিয়াই পৰিব।

মূৰ্তিৰ দৰে কৰবেট থিয় হৈ থাকিল। তেওঁৰ চকু বাঘিনীৰ চকুত। লাহে লাহে, কিমান লাহে লাহে তেওঁৰ মনত নপৰে, যেন অনন্ত কাল ধৰি তেওঁ বন্দুকটো লৰচৰ কৰিলে কেৱল সোঁহাতেৰে। এটা সময়ত বন্দুকটোৰ নলীডাল বাঘিনীৰ ফালে মুখ কৰি উঠিল। বাঘিনীয়ো কিহৰ লৰালৰি, নৰখাদক হিচাপে তাই ল'ৰা মাৰি বুঢ়া হোৱা যমৰ দৰে, আন বাঘৰ দৰে তাইনো মানুহলৈ ভয় কৰিব কিয়!

তাৰপিছত কৰবেটৰ বন্দুক গৰজি উঠিল, একেটা গুলীতে বাঘিনী বাগৰি পৰিল, এটা বিপদসংকুল প্ৰতীক্ষাৰ অন্ত পৰিল।

চান্দমামা ভাৰত কুইজ প্ৰতিযোগিতা-৯ (অক্টোবৰ ২০০৭ৰ উত্তৰসমূহ)
১. ১৯৬৯; ২. আৰ্যভট্ট; ৩. বি.এচ.চন্দ্ৰশেখৰ;
৪. হোমি জাহাংগীৰ ভাবা, ৫. ত্ৰিবান্দ্ৰম; ৬. ৰুৰকী।

কৰবেটে তাৰপাছত গোটেই ঘটনাটো পুনৰ চালিজাৰি চালে। তেওঁৰ দুয়োখন হাত মুকলি হৈ থকাহেঁতেন অভ্যাসবশতঃ তেওঁ বাঘিনীৰ ওপৰত লক্ষ্য স্থিৰ কৰিবলৈ দুয়োখন হাত ব্যৱহাৰ কৰিলেহেঁতেন। বাঘিনীয়ে তেতিয়া হয় তেওঁৰ ওপৰত জঁপিয়াই পৰিলে-হেঁতেন বা তেওঁক আঁতৰাই পলাই যাবলৈ চেষ্টা কৰিলেহেঁতেন।

তেওঁৰ বাঁওহাতখন খালী হৈ নথকাৰ বাবে তেওঁ লোৱা এই কৌশলে কাম দিলে। আনকথাত ক'বলৈ গ'লে, কণীকেইটাই তেওঁৰ জীৱন ৰক্ষা কৰিলে। য'ৰপৰা কণীকেইটা আনিছিল কৰবেট সেই ঠাইলৈ ঘূৰি গ'ল। কণীকেইটা আকৌ তেওঁ একেটা বাহতে থৈ দিলে। কেইমুহূৰ্ত্তমানৰ পাছত মাক চৰাইজনী আহি বাহটোত পৰিলহি।

কৰবেট আছিল সাহসী, দুঃসাহসিক অভিযানপ্ৰিয়, নম্ৰ আৰু পৰোপকাৰী ব্যক্তি। কিন্তু এই ঘটনাই তেওঁৰ চৰিত্ৰৰ সবাতোকৈ সুন্দৰ গুণটোকে প্ৰকট কৰিছিল, সেইটো হ'ল কৃতজ্ঞতাবোধ।

কণী কেইটাৰ প্ৰতি অনুভৱ কৰা কৃতজ্ঞতাৰ বাবেই কৰবেটে মাক চৰাইজনীক তাইৰ আটাইতকৈ বেছি মৰমৰ সম্পত্তিৰপৰা বঞ্চিত কৰিব খোজা নাছিল।

- মনোজ দাস

ভাৰতৰ বিষয়ে জানি লোৱা

ডিচেম্বৰ মাহত আহে খ্ৰীষ্টমাচ যিটো উৎসৱ আন ধৰ্মৰ মানুহেও পালন কৰে। কেইটামান প্ৰধান ধৰ্মৰ বিষয়ে তোমাৰ জ্ঞান পৰীক্ষা কৰাচোন।

১. খ্ৰীষ্টিয়ানসকলে তেওঁলোকৰ ধৰ্মৰ প্ৰৱৰ্ত্তকক পবিত্ৰ পিতৃ বুলি কয়। শিখসকলে তেওঁলোকৰ ধৰ্ম প্ৰৱৰ্ত্তকক কি বুলি কয়?

২. মহাবীৰৰ জন্ম কেতিয়া আৰু ক'ত হৈছিল?

৩. জোৰোষ্ট্ৰিয়ান সকলৰ উপাসনা স্থলৰ নাম কি?

৪. বুদ্ধৰ পূৰ্ব জনমৰ সৈতে সম্পৰ্ক থকা কিছুমান কাহিনী আছে। এই কাহিনীবোৰক কি নামেৰে জনা যায়?

৫. মুচলিম কেলেণ্ডাৰ কেতিয়া আৰম্ভ হয়?

(উত্তৰ ৭৪ পৃষ্ঠাত)

পুডুচেৰীয়ে বাচি ল'লে ৰাজ্যিক চিহ্নসমূহ

অলপতে পণ্ডিচেৰীৰপৰা পুডুচেৰীলৈ নাম সলনি কৰা ৰাজ্যখনে এতিয়া ইয়াৰ ৰাজ্যিক চিহ্নবোৰ চূড়ান্ত কৰিবলৈ লৈছে। ৰাম আৰু লক্ষ্মণক লংকালৈ যাব পৰাকৈ এক সেতু নিৰ্মাণৰ কামত বানৰ সেনাক সহায় কৰাৰ বাবে বিখ্যাত কেৰ্কেটুৱা হ'ব ৰাজ্যখনৰ ৰাজ্যিক জন্তু। ইয়াক এটা বিপন্ন প্ৰাণী বুলি গণ্য কৰা হয়। ৰাজ্যিক পক্ষী হ'ব কুয়িল বা কুলি চৰাই। কুয়িলথপ্পু নামৰ এখন উদ্যানতে জাতীয়তাবাদী কবি, সুব্ৰামনীয়া ভাৰতীয়ে তেওঁৰ বহুতো কবিতা ৰচনা কৰিছিল। ৰাজিক ফুল হ'ল নাগলিংগম আৰু ৰাজ্যিক গছ হ'ল বিলৱাম, এই দুয়োটাই ভগৱান শিৱৰ সৈতে জড়িত পবিত্ৰ সামগ্ৰী।

আটাইবোৰ হাতীৰ "মাতৃ"

সাধাৰণ অৱস্থাত হাতীৰ গড় বয়স হ'ল ৬০ ৰপৰা ৭০ বছৰ। মধ্যপ্ৰদেশৰ ছাটাৰপুৰত থকা পান্না টাইগাৰ ৰিজাৰ্ভৰ বাসিন্দা বাটচালা নামৰ হাতীজনীৰ বয়স ৯২ বছৰ। এই হাতীজনী বিশ্বৰ আটাইবোৰ হাতীৰ ভিতৰত আটাইতকৈ বেছি বয়সৰ হাতী হিচাপে স্বীকৃত। কেৰালাৰ নিলাম্বৰ অৰণ্যত এইজনী হাতীৰ জন্ম হৈছিল আৰু তাতে তাই ডাঙৰ দীঘল হৈছিল। বনবিভাগে তাইক গধুৰ কাঠৰ কুণ্ডা পৰিবহণৰ কামত লগাইছিল। বাটচালাক ১৯৭৭ চনত মধ্যপ্ৰদেশৰ হোচাংগাবাদলৈ নিয়া হয় আৰু তাৰপৰা তাইক ১৯৯৩ চনত পান্নালৈ স্থানান্তৰিত কৰা হয়।

পান্নাৰ টাইগাৰ ৰিজাৰ্ভলৈ অহা ভ্ৰমণকাৰী-সকলৰ বাবে এই হাতীজনীয়েই মুখ্য আকৰ্ষণ। সপ্তাহত তিনিবাৰকৈ তাইৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। কৰ্তৃপক্ষই এতিয়া তাইৰ নাম গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডচত অন্তৰ্ভুক্ত কৰাবলৈ চেষ্টা কৰি আছে। ইয়াত এতিয়া এই সন্মানৰ অধিকাৰী হৈ আছে থাইলেণ্ডৰ এটা ৮৬ বছৰীয়া হাতী।



আচৰিত বলৰ আচৰিত প্ৰহাৰ

ৰজা যাদৱ সিঙৰ দুগৰাকী ৰাণী আছিল। ডাঙৰ ৰাণীতকৈ সৰু ৰাণীক তেওঁ বেছি মৰম কৰিছিল। এবাৰ ডাঙৰ ৰাণী মাক হ'বলৈ ওলাল। এই খবৰ পাই সৰুৰাণী স্বাভাৱিকতে ঈৰ্ষান্বিত হ'ল আৰু এগৰাকী বিশ্বাসী বনকৰা ছোৱালীৰ সহায় লৈ সৰুৰাণীয়ে এটা ষড়যন্ত্ৰ যুগুতাই উলিয়ালে। বনকৰা ছোৱালীজনীয়ে ডাঙৰ ৰাণীৰ বিশ্বাস আদায় কৰি ডাঙৰ ৰাণীক প্ৰসৱৰ সময়ত সহায় কৰিবলৈ প্ৰস্তাৱ দিলে।

প্ৰসৱৰ আগে আগে বনকৰা ছোৱালী-জনীয়ে তথাকথিত ৰীতি অনুসাৰে ডাঙৰ ৰাণীক চকুত কপোৰ বান্ধি দিলে। ৰাণীয়ে সোনকালেই এহাল যমজ সন্তানৰ জন্ম দিলে এটা ল'ৰা আৰু এজনী ছোৱালী। মৰম লগা ল'ৰা ছোৱালীদুটাক আঁতৰাই বনকৰা ছোৱালীজনীয়ে ৰাণীৰ বিচনাত দুটা পুতলা ৰাখি থ'লে আৰু ৰাণীক পতিয়ন নিয়ালে যে সেই পুতলা দুটাই তেওঁ জন্ম দিছে। ৰাণীয়ে দুখ পালে। ডাঙৰ ৰাণীক বেছিকৈ ভাল নোপোৱা ৰজায়ো কথাটো লৈ বেছি মূৰ নঘমালে।

সৰু ৰাণীয়ে বনকৰা ছোৱালীজনীক পুৰস্কাৰ স্বৰূপে এডাল মূল্যৱান গলপতা দিলে আৰু ল'ৰা ছোৱালী দুটা জীয়াই থাকিবলৈ নিদিব বুলি তাইৰপৰা প্ৰতিশ্ৰুতি আদায় কৰিলে। পিছে ল'ৰা ছোৱালীদুটাৰ স্বৰ্গীয় জেউতিৰ মুখ দুখন দেখি সিহঁতক হত্যা কৰিবলৈ তাইৰ সত নগ'ল আৰু এটা পাচিত ভৰাই ল'ৰা ছোৱালীহালক এখন নৈত উটুৱাই দিলে। এজন সন্ন্যাসীয়ে নদীত গা ধুই থাকোতে সেই পাচিটো পালে। সন্দেহবশতঃ পাচিটো ঢাকি



ৰখা কাপোৰখন তেওঁ আঁতৰাই দিয়াত তাত দুটা মৰমলগা ল'ৰা ছোৱালী দেখি তেওঁ আচৰিত হ'ল।

তেওঁ পাচিটো ঘৰলৈ লৈ গ'ল আৰু পৰম আনন্দেৰে ঘটনাটোৰ কথা পত্নীক ক'লে। দৰিদ্ৰ দম্পতিহালৰ কোনো সন্তান নথকাত এই ভগৱানৰ দান পাই তেওঁলোক বৰ সুখী হ'ল। সন্ন্যাসীৰ পত্নীয়ে ল'ৰা ছোৱালীহালক আলফুলে সাবটি ল'লে।

অতিশয় মৰমৰ মাজেদি ল'ৰা ছোৱালী-হালক ডাঙৰ দীঘল কৰা হ'ল। তেওঁলোকে কেৱল এটা কথা লৈয়েই উদ্বিগ্ন আছিল যে এদিন যদি ল'ৰা ছোৱালীহাল নিজৰ বুলি দাবী কৰি তেওঁলোকৰ ওচৰলৈ আহে তেতিয়া কি হ'ব? কিন্তু সন্ন্যাসীয়ে পত্নীক বুজালে, "মনত ৰাখিবা, মই সিহঁতক নৈত উটি অহা অৱস্থাত পাইছো। জানি শুনি সিহঁতক কোনোবাই মৰিবলৈ এৰি দিছিল। গতিকে কোনোবাই সিহঁতক বিচাৰি আহিব বুলি মিছাতে চিঞৰ বাখৰ কৰি লাভ কি? ল'ৰা ছোৱালীহাল আমাৰ আৰু সদায় আমাৰ লগতে থাকিব।"

ছোৱালীজনীৰ নাম ৰখা হ'ল ছেইল্জা আৰু ল'ৰাটোৰ মধু। চাঁওতে চাঁওতে বাৰ বছৰ পাৰ হৈ গ'ল। সৌভাগ্যৰ কথা, কোনেও সিহঁতক বিচাৰি তালৈ নাহিল। সন্ন্যাসীৰ দুই চাৰিজন ওচৰ চুবুৰীয়াই সৰুৰেপৰা দেখি অহা ল'ৰা ছোৱালীহালক আনৰ বুলি কেতিয়াও ভাবিব পৰা নাছিল।

এদিন ৰাতিপুৱা, সন্ন্যাসী নিজৰ বিচনাৰ-পৰা উঠিব নোৱাৰিলে। তেওঁ নিজৰ পত্নী আৰু ল'ৰা ছোৱালীহালক মাতি আনি ক'লে, "মই গুৰুতৰভাৱে অসুস্থ, মই বেছি সময় জীয়াই নাথাকিম। কোৱা তোমালোকে দুয়োকে মই কি দি যাম?"

ছেইল্জা আৰু মধুৱে দেউতাকৰ হাত দুখনত ধৰি ক'লে, "দেউতা, আপুনি ইমান মৰমৰ মাজেদি আমাক ডাঙৰ দীঘল কৰিলে। আমাক ইয়াতকৈ বেছি কি লাগে?"

সন্ন্যাসীয়ে তেওঁৰ বাকচৰপৰা পত্নীক এখন লেপ আৰু এটা বল উলিয়াই আনিবলৈ ক'লে। তেওঁ ক'লে, "এই দুটা বস্তুৰ বিশেষ গুণ আছে। লেপখন এবাৰ জোকাৰিলে তাৰপৰা ৰূপৰ মুদ্ৰা সৰি পৰিব। দ্বিতীয়বাৰ জোকাৰিলে তাৰপৰা সোণৰ মুদ্ৰা সৰিব। আৰু বলটো যদি

তোমালোকে দলিয়াই দিয়া ই তোমালোকৰ শত্ৰুক আঘাত কৰি পুনৰ ঘূৰি আহিব। এই দুটা বস্তু ভাবি চিন্তি ব্যৱহাৰ কৰিবা। আৰু এটা কথা, এই ঠাইখনৰ মাজেদি বৈ যোৱা নদীখন পশ্চিমৰপৰা পূবলৈ বৈ গৈছে। এই ঠাইখন এৰি যাব লগা হ'লেও কেতিয়াও পশ্চিমৰ ফালে নাযাবা।"

"আমি এই কথা মনত ৰাখিম দেউতা।" ল'ৰা ছোৱালীহালে ক'লে। এটা প্ৰশান্তিৰ হাঁহি মাৰি সন্ন্যাসীয়ে শেষ নিশ্বাস ত্যাগ কৰিলে।

কেইদিনমানৰ পাছত সন্ন্যাসীৰ পত্নীয়েও শেষ নিশ্বাস ত্যাগ কৰিলে। মৃত্যুৰ আগে আগে তেওঁ ছেইল্জা আৰু মধুক মাতি আনি ক'লে কেনেকৈ দেউতাকে সিহঁতক নৈত উটি অহা অৱস্থাত উদ্ধাৰ কৰি ঘৰলৈ লৈ আনিছিল আৰু দেউতাকৰ সকৰ্তবাণীৰ মমাৰ্থও বুজাই দিলে। ল'ৰা ছোৱালীহালে সকলো কথা বুজি পালে। মাকে যেতিয়া সুধিলে সিহঁতক কি লাগিব তেতিয়া সিহঁতে দেউতাকক শেষ সময়ত দিয়া একেটা উত্তৰকে দিলে।

মাকে তথাপিও সিহঁতক দুটা উপহাৰ দিব খুজিলে। প্ৰথমটো উপহাৰ হ'ল এটা বৰ্তন। মাকে ছেইল্জাক ক'লে, "এই বৰ্তনটোৱে তোমালোকক যি লাগে সেই খাদ্যই দিব। তোমোলোক কেতিয়াও ভোকত থাকিব লগীয়া নহয়।" তাৰপিছত তেওঁ মধুক এযোৰ চেণ্ডেল দি ক'লে, "তুমি এই চেণ্ডেলযোৰ পিন্ধিলে, যলৈকে মন যায় তালৈকে উৰি যাব পাৰিবা। তুমি উৰি যাওঁতে ভন্টিকো লগত লৈ যাব পাৰিবা, তাইৰ ওজন তুমি অনুভৱেই নকৰিবা।" কেইমুহূৰ্ত্তমানৰ পাছত মাকে শেষবাৰৰ বাবে চকু মুদিলে। ল'ৰা ছোৱালীহালে বৰ দুখ পালে।

মধুৱে দেউতাকৰ দৰে মাকৰো অন্ত্যেষ্টি-ক্ৰিয়া সম্পন্ন কৰিলে। এদিন অকলে থাকোতে মধুৱে ভনীয়েক ছেইল্জাক ক'লে, "আমাক পশ্চিমৰ কোনোবাই বিসৰ্জন দিছিল, গতিকে মই ভাবো আমি পশ্চিমলৈ যাবই লাগিব। আমি কিজানি আমাৰ আচল মা দেউতাক বিচাৰি পাঁওৱেইবা।" ছেইল্জাই সন্মতি প্ৰকাশ কৰিলে। "হয় তুমি ঠিকেই কৈছা। ইয়াত থাকিনো আমি কৰিম কি? ব'লা পশ্চিমলৈ যাওঁ।"

সিহঁতে এটা পৰিত্যক্ত ঘৰ দেখা পালে। সদ্যহতে সিহঁতে সেই ঘৰটোতে থাকিবলৈ ঠিক কৰিলে। পিছদিনা ছেইল্‌জাই বৰ্ত্তনটোৰ সহায়ত আহাৰ ৰান্ধিলে। মধুৱে বলটো হাতত লৈ ক'লে, "মোক আৰু মোৰ ভণ্টিক এৰি দিয়া জন যদি ইয়াত আছে তেওঁক গৈ আঘাত কৰাগৈ।"

কিছুসময়ৰ পাছত বলটো নিজৰ হাতলৈ ঘূৰি অহাত মধু আচৰিত হ'ল। "বলটোৱে বাৰু কাক আঘাত কৰিলেগৈ।" মধুৱে চিন্তা কৰিলে। পিছদিনা সি একেটা কামকে কৰিলে। যথাৰীতি বলটো ঘূৰি আহিল।

ইফালে ৰাজপ্ৰাসাদৰ উদ্যানত টহল দি ফুৰা সৰুৰাণীক হঠাতে ক'ৰবাৰপৰা অহা এটা বলে আহি কপালতে আঘাত কৰিলেহি। তেওঁ বিষত আৰ্ত্তনাদ কৰি উঠিল। ৰাণীৰ পৰিচাৰিকাসকলে উদ্যানত কাকো নেদেখিলে। তেওঁলোকে ৰজাক আহি কথাটো কলেহি। ৰজাই কেইদিনমানৰ বাবে সৰুৰাণীক উদ্যানলৈ নাযাবলৈ পৰামৰ্শ দিলে।

পিছদিনা বিষ নোহোৱা হ'ল যদিও সৰুৰাণীৰ কপালখন ফুলি থকা দেখা গ'ল। ৰাণীয়ে চোতালতে পায়চাৰি কৰি থকা অৱস্থাত আকৌ বল এটাই আহি সৰুৰাণীক আঘাত কৰিলেহি আৰু মুহূৰ্ত্তৰ ভিতৰতে বলটো অদৃশ্য হ'ল।

ঘটনাটোৰ কথা শুনি ৰজা যাদৰ সিঙ সৰুৰাণীৰ ওচৰলৈ উধাতু খাই আহিল। ৰজাই ৰাজবৈদ্য আৰু সেনাপতিক মাতি পঠিয়ালে। ৰাজবৈদ্যই ৰাণীৰ কপালত অলপ ঔষধ ঘঁহি

লেপখন সিহঁতে দুবাৰ জোকাৰি দিয়াত অলপ ৰূপৰ আৰু সোণৰ মুদ্ৰা পালে। মুদ্ৰাখিনি আৰু বলটো সিহঁতে বৰ্ত্তনটোত ভৰাই ল'লে। মধুৱে চেঙেলযোৰ পিন্ধি উৰিবলৈ সাজু হ'ল। ভনীয়েকক সি ককালত ধৰি দাঙি ল'লে আৰু আচৰিত কথা, সি অনুভৱ কৰিলে সি যেন এডাল পাখিহে তুলি লৈছে। মধুৱে পশ্চিমৰ ফালে মুখ কৰাৰ লগে লগে চেঙেলযোৰে সিহঁতক পশ্চিমৰ ফালে উৰুৱাই লৈ গ'ল। এখন মুকলি পথাৰ দেখি মধুৱে নিজৰ ভৰি দুটা ঘঁহাই দিয়াত চেঙেলযোৰে সিহঁতক লাহে লাহে তললৈ নমাই আনিলে।

জনালে যে ওখহাটো জামৰিবলৈ দুদিনমান লাগিব। সেনাপতি অহাত ৰজাই বলটোৰে সৈতে দুষ্কৃতিকাৰীক ধৰিবলৈ বিভিন্ন দিশত সৈনিক পঠিয়াবলৈ নিৰ্দেশ দিলে।

সৈনিকসকলে ক'তো এনে এটা বলৰ শৃংসূত্ৰ বিচাৰি নাপালে। সৈন্যৰ আন এটা দলে বল লৈ খেলি থকা এটা সৰু ল'ৰা পালে। এজন সৈনিকে ল'ৰাটোক খঙেৰে সুধিলে, "হেৰা, তুমি ৰজাৰ উদ্যানৰ ফালে এই বলটো মাৰি পঠিয়াইছিলা নেকি?"

এটা নিমাখিত হাঁহি মাৰি ল'ৰাটোৱে ক'লে, "মহাশয়, ৰাজউদ্যান কোনফালে আছে মই তাকে নাজানো! গতিকে মইনো ৰাজউদ্যানলৈ লক্ষ্য কৰি বলটো মাৰি পঠিয়াম দিয়?"

"ঠিক আছে, এই ঠাই এৰি নাযাবা, আৰু ৰাজউদ্যান বা ৰাজপ্ৰাসাদৰ ওচৰলৈ যাবলৈ চেষ্টা নকৰিবা।" সৈনিকজন গুচি যোৱাৰ আগতে ল'ৰাটোক সাৱধান কৰি থৈ গ'ল।

সৈনিকজন চকুৰ আঁৰ হোৱাৰ পাছত মধুৱে ভনীয়েকৰ ওচৰলৈ গৈ ক'লে, "বলটোৱে ৰাজপ্ৰাসাদৰ কাৰোবাক গৈ আঘাত কৰিছে যেন মোৰ ধাৰণা হৈছে। তেওঁনো কোন হ'ব পাৰে বাৰু?"

ছেল্‌জাই ক'লে, "কেইদিনমান বাট চোৰা আৰু চোৰা যাওক কিবা ঘটনা ঘটে নেকি?"

পিছদিনা সিহঁতে ঘোঁৰাৰ পদধ্বনি শুনিলে। তিনিজন অশ্বাৰোহী সিহঁতৰ ঘৰৰ মুখত আহি ৰ'লহি। ছেল্‌জা আৰু মধু বাহিৰ ওলাই আহিল আৰু এজন অশ্বাৰোহীয়ে কোৱা শুনিলে, "মহাৰাজ, এই ল'ৰাটোকে আমি এটা বল লৈ খেলি থকা দেখিছিলো। এনেকৈ বল লৈ খেলি থকা আমি আন কোনো ল'ৰা বিচাৰি নাপালো।"

ৰজা নিজৰ ঘোঁৰাৰপৰা নামি ল'ৰা ছোৱালী-হালৰ ফালে আগবাঢ়ি আহিল। ৰজাই নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। ল'ৰাটো দেখাত সাইলাখ তেওঁৰ দৰে আৰু ছোৱালীজনী ডাঙৰ ৰাণীৰ দৰে। "তোমালোক ইয়াত অকলে থাকা নেকি?" ৰজাই সুধিলে।

"হয়, আমাৰ মা দেউতা ঢুকোৱাত আমি

ইয়াতে নিগাজীকৈ থাকিবলৈ আহিছো।" মধুৱে ক'লে।

"আমাৰ কেঁচুৱা অৱস্থাতে কোনোবাই আমাক নৈত পেলাই দিছিল। নৈত উটি অহা এটা পাচিত পাই দেইতাই আমাক তেওঁৰ ঘৰলৈ লৈ আহিছিল। আমাৰ আচল মা দেউতা কোন আমি নাজানো," ছেইল্‌জাই ক'লে।

ৰজাই নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে। তেওঁ ক'লে, "মই জানো তেওঁলোক কোন? মোৰ প্ৰাসাদলৈ আঁহা আৰু মই তোমালোকক দেখুৱাই দিম। মোৰ ৰথখন অহালৈ অপেক্ষা কৰা। মোৰ দেহৰক্ষীয়ে তোমালোকক লৈ যাবহি।" ৰজা নিজৰ ঘোঁৰাত উঠি গ'লগৈ।

সোনকালেই তালৈ এখন ৰথ আহিল। মধু আৰু ছেইল্‌জা ৰাজপ্ৰাসাদলৈ যাবলৈ সাজু হ'ল। মধুৱে ভনীয়েকক কাণে কাণে ক'লে, "বৰ্ত্তনটো আৰু মুদ্ৰাখিনি এৰি থৈ নাযাবা! কোনে জানে আমাৰ কপালত কি লিখা আছে?" মধুৱে উৰণীয়া চেণ্ডেলযোৰো পিন্ধি ল'লে।

ল'ৰা ছোৱালীহাল ৰথত উঠিল। ৰজাৰ দেহৰক্ষী পিছে পিছে গ'ল। ৰাজপ্ৰাসাদত ৰজাই আহি দুয়োকে সাবটি ধৰিলেহি। "মোৰ সন্তানহঁত আঁহা তোমালোকৰ মাক লগ ধৰাহি।" ল'ৰা ছোৱালীহালক সাবটি ধৰা ডাঙৰ ৰাণীৰ চকুৰেদি চকুলো বৈ অহা দেখা গ'ল।

ডাঙৰ ৰাণীৰ ওচৰতে আন এগৰাকী মহিলা থিয় হৈ আছিল। মধু আৰু ছেইল্‌জাই তেওঁৰ কপালখন মন কৰিলে। সিহঁতে গম পালে শত্ৰু কোন? কোনেও মন নকৰাকৈ ইটোৱে সিটোক কথাটো গোপনে ৰাখিবলৈ ইংগিত দিলে।

ৰজা আৰু ডাঙৰ ৰাণীয়েও নিজৰ সন্দেহৰ কথা ব্যক্ত নকৰিবলৈ সিদ্ধান্ত ল'লে। মধু আৰু ছেইল্‌জাই যুৱৰাজ আৰু যুৱৰাণীৰ মৰ্যাদা পালে।



চেহ-টাৰৰপৰা চেটাৰলৈ

বীণা নোহোৱাকৈ সৰস্বতীৰ চিত্ৰ আঁকিব নোৱাৰি। একেদৰে তানপুৰা নোহোৱাকৈ নাৰদ মুনিৰ চিত্ৰও সম্ভৱ নহয়। চিত্ৰত ভগৱান শিৱৰ হাতত থাকে ডম্বৰু। তৰুণ কৃষ্ণৰ ছবিত সদায়ে তেওঁক বাঁহীবাদক হিচাপে চিত্ৰিত কৰা হয়। দেখাত চেটাৰৰ দৰে বিভিন্ন প্ৰকাৰ আৰু আকৃতিৰ সাংগিতীক বাদ্যযন্ত্ৰ পুৰণি কালৰেপৰা ভাৰতত প্ৰচলিত হৈ আহিছে। দ্বাদশ শতিকাত ভাৰতত বাস কৰা পাৰ্চী কবি আমিৰ খুচৰ'ৰে এনেকুৱা এবিধ যন্ত্ৰকে সংশোধিত কৰি *চেহ টাৰ* নাম দিয়ে যিটো পিছলৈ চেটাৰ নামে জনাজাত হয়। এই যন্ত্ৰৰ সাতডাল তাঁৰ আছে।

প্ৰথম অৱস্থাৰ বিদ্ৰোহীসকল

মংগল পাণ্ডেই নিজৰ বেৰেকৰপৰা ওলাই তেওঁৰ ব্ৰিটিছ অফিচাৰজনক গুলীয়াই নিহত কৰাৰ লগে লগে ১৮৫৭ চনৰ ২৯ মাৰ্চ তাৰিখে চিপাহী বিদ্ৰোহৰ সূচনা হয়। ফাঁচি দিয়াৰ লগে লগে বিদেশী শাসনৰপৰা দেশক মুক্ত কৰাৰ সংগ্ৰামত তেওঁ প্ৰথমজন শ্বহীদৰ সন্মান লাভ কৰে। ইয়াৰ আগতে বিশাখাপটনমত (১৭৮০) হোৱা আন এটা বিদ্ৰোহত ভাৰতীয় চিপাহীসকলে ব্ৰিটিছ সৈনিক আৰু অসামৰিক লোকক হত্যা কৰিছিল। মাদ্ৰাজ (এতিয়াৰ চেন্নাই) অভিমুখী এখন জাহাজত উঠিবলৈ নিৰ্দেশ পোৱাৰ লগে লগে তেওঁলোকে বিদ্ৰোহ কৰিছিল। এই নিৰ্দেশে তেওঁলোকৰ নিয়োগৰ প্ৰাথমিক চৰ্ত্ত খণ্ডন কৰিছিল বুলি তেওঁলোকে ভাবিছিল।

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-৩

ফলৰ দানৰদ্বাৰা প্ৰাণৰক্ষা!

তিনিশ বছৰৰো অধিক কালৰ আগতে সেইটো আছিল বিখ্যাত দিল্লী দৰবাৰৰ এটা অস্বাভাৱিক দৃশ্য। হাতৰ মুঠি পিছফালে ৰাখি প্ৰচণ্ড ক্ৰোধত সম্ৰাট ঔৰংজেৱে খোজ কাঢ়িব লাগিছে। বাজী প্ৰভুঁ আৰু তেওঁৰ কেইজনমান সাহসী মানুহৰ বীৰোচিত কাৰ্যৰ সহায় লৈ শিৱাজীয়ে পান্হালাৰপৰা পলায়ন কৰা বেছি দিন হোৱা নাই। মাৰাঠী নেতাজনে আকৌ এবাৰ তেওঁৰ দুঃসাহসিক অভিযানসমূহ আৰম্ভ কৰিছে। দক্ষিণৰ গোৱালৈকে তেওঁ ইতিমধ্যেই দাক্ষিণাত্য অধিকাৰ কৰিছে। এতিয়া তেওঁ উত্তৰ অভিমুখে আগবাঢ়িছে আৰু ঔৰাংগাবাদৰ ফালে গৈছে, তেওঁৰ লগত অহা সৈনিকে উপকূলৰেখাৰ ওচৰত থকা শত্ৰুৰ জানহাজবোৰ আক্ৰমণ কৰি শত্ৰুক হাৰাশাস্তি কৰাত লাগিছে।



শিৱাজীৰ বয়স তেতিয়া বাৰ বছৰ হঁও হঁও। দেউতাক শ্বাহজীৰ লগত তেওঁ গৈছিল বিজাপুৰৰ চুলতানৰ ৰাজসভালৈ। এইজন চুলতানৰ অধীনত শ্বাহজীয়ে চাকৰি কৰিছিল। ৰাজসভাত প্ৰবেশ কৰি শ্বাহজীয়ে তিনিবাৰ ভূমি স্পৰ্শ কৰি চুলতানক অভিবাদন জনালে।

তাৰপাছত তেওঁ পুতেকক তেনে কৰিবলৈ নিৰ্দেশ দিলে। কিন্তু সৰু ল'ৰাটোৱে কেইখোজমান পাছলৈ গৈ শিৰ ওখ কৰি থিয় দি থাকিল। তাৰ উজ্জ্বল চকুদুটাই বুজাই দিছিল বিদেশী শাসকৰ ওচৰত সি কেতিয়াও শিৰনত নকৰে। ৰাজকীয় খোজেৰে সি ৰাজসভাৰপৰা ওলাই আহিল। সকলো আচৰিত হ'ল, কিয়নো সৰ্বশক্তিমান চুলতানৰ ৰাজসভাত এনে আচৰণ কৰাৰ সাহস কাৰো নাছিল। অৱশ্যে শ্বাহজী পুতেকৰ এই আচৰণত আনন্দিত আৰু গৌৰৱান্বিত হৈছিল।

দাম্ভিক আৰু নিষ্ঠুৰ ঔৰংজেৱে অসুস্থ পিতৃক আগ্ৰা ফৰ্টত বন্দী কৰি থৈছিল য'ত বৃদ্ধ সম্ৰাটে শেষ নিশ্বাস ত্যাগ কৰিছিল। সিংহাসন অধিকাৰ কৰি ১৬৫৮ চনত তেওঁ নিজকে সম্ৰাট বুলি ঘোষণা কৰিছিল। তাৰপিছত ঔৰংজেৱে নিষ্ঠুৰতাৰে তেওঁৰ ভ্ৰাতৃ যুৱৰাজ তথা বিদগ্ধ পণ্ডিত দাৰা শুকহক মৃত্যুদণ্ড দিয়ে আৰু আন দুজন ভ্ৰাতৃক হত্যা কৰে। আনকি সম্ভাব্য বিৰোধিতাৰ আশংকা কৰি ঔৰংজেৱে নিজৰ বৰপুত্ৰক যাৱজ্জীৱন

কাৰাদণ্ড আৰু দ্বিতীয় পুত্ৰক ছবছৰৰ কাৰাদণ্ড দিবলৈয়ো কুণ্ঠাবোধ কৰা নাছিল।

দাক্ষিণাত্যৰ পৰ্বতভৰা এলেকাত গ্ৰহণ কৰা গেৰিলা ৰণকৌশলৰ বাবে শিৱাজীক ঔৰংজেৱে বৰ ভয় কৰি চলিছিল। অস্থিৰ আৰু ক্ৰোধান্বিত সম্ৰাটে তেওঁৰ বিশ্বাসী যোদ্ধা তথা মামাক শ্বাইস্তা খানৰ নেতৃত্বত ১৬৬০ চনত এক বিশাল সেনাবাহিনী প্ৰেৰণ কৰে মাৰাঠা নেতাজনক মষিমূৰ কৰিবলৈ। মাৰাঠা পক্ষৰ তীব্ৰ প্ৰতিৰোধৰ মুখামুখি হৈ আৰু নিজৰ শ শ সৈনিক হেৰুৱাৰ পাছত মোগল সেনাপতিয়ে পুণে অধিকাৰ কৰিবলৈ সক্ষম হয় আৰু শিৱাজীৰ শৈশৱৰ ঘৰ নিজৰ বাসগৃহ কৰে। তিনিবছৰৰ ভিতৰত শিৱাজীয়ে নিষ্ঠুৰ মোগল বাহিনীৰ অবিৰত আক্ৰমণৰ পৰিণতি নিজে অধিকাৰ কৰা প্ৰায়বোৰ এলেকাই হেৰুৱাবলগীয়া হয়। কিন্তু পুনৰ আক্ৰমণৰ বাবে শিৱাজী সঠিক সুযোগৰ অপেক্ষাত ৰ'ল।

পুণে নগৰৰ মাজেদি এটা শীতৰ নিশা এক বৰযাত্ৰীৰ দল পাৰ হৈ গৈছিল। হঠাতে বৰযাত্ৰীৰ দলৰে এটা গোট এক গোপন দ্বাৰেদি মোগল সেনাপতিৰ বাসভৱন অভিমুখে সংগোপনে গতি কৰিলে। তেওঁলোকে বিশাল ভৱনটোৰ চুকে কোণে চিনি পোৱা যেন লাগিছিল। হঠাতে নিজৰ শয়নকক্ষত তন্দ্ৰালু শ্বিয়েস্তাখানে মাৰাঠা নেতাজন আৰু তেওঁৰ সাহসী সৈনিক কেইজনক সমুখত দেখা পালে। এয়া তেওঁ সপোন দেখিছে নেকি, আশ্চৰ্যত ডুব যোৱা সেনাপতিয়ে ভাবিলে। কিন্তু এয়া দিঠকহে বুলি পতিয়ন যোৱাৰ পাছত ভয়ত থৰহৰি কম্পমান মোগল সেনাপতিয়ে উন্মুক্ত খিৰিকী এখনেৰে জাঁপ মাৰি পলাব খুজিলে। কিন্তু তাৰ আগতে শিৱাজীয়ে চকুৰ পচাৰতে চলোৱা তৰোৱালৰ কোবত মোগল সেনাপতিয়ে তেওঁৰ এখন হাতৰ এটা আঙুলি হেৰুৱাবলগীয়া হয়।

এই দুঃসাহসিক আক্ৰমণত নিজৰ প্ৰাণ ৰক্ষা পৰে যদিও হতাশাগ্ৰস্ত হৈ শ্বিয়েস্তা খান দিল্লীলৈ ঘূৰি যায়। নিজৰ মামাকৰ এই অপ্ৰত্যাশিত বিফলতা দেখি ঔৰংজেৱৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ।

তাৰপিছত, ১৬৬৪ চনত শিৱাজীয়ে চুৰাটত থকা মোগল প্ৰতিষ্ঠানসমূহ আক্ৰমণ কৰে যিবোৰ ইয়াৰ সম্পদ আৰু প্ৰাচুৰ্যৰ বাবে বিখ্যাত আছিল। খঙত একোনাই হৈ ঔৰংজেৱে খ্যাতনামা যোদ্ধা, কুটনীতিবিদ আৰু ৰাজপুত বীৰ জয়সিংহৰ নেতৃত্বত এক



বিশাল সেনাবাহিনী পঠিয়ায় শিৱাজীক দমন কৰিবৰ বাবে। জয়সিংহই পুৰন্দৰক ঘেৰি ল'লে আৰু লাহে লাহে আৰু বিছটা দুৰ্গ অধিকাৰ কৰি ল'লে।

চতুৰ শিৱাজীয়ে বুজিলে যে এই যুদ্ধত তেওঁ জয়লাভ কৰাৰ আশা ক্ষীণ আৰু সেয়েহে তেওঁ ৰজা জয়সিংহৰ লগত সন্ধি কৰিলে। জয়সিংহৰ নেৰানেপেৰা অনুৰোধত শিৱাজীয়ে এক যুদ্ধবিৰতিৰ বাবে অনিচ্ছাসত্ত্বেও সম্রাট ঔৰংজেৱৰ ৰাজসভালৈ এবাৰ যাবলৈ সন্মত হ'ল। এইবুলি এট গুজৱ ওলাইছিল যে সম্রাটে তেওঁক দাক্ষিণাত্যৰ ভাইচৰয় নিয়োগ কৰিব পাৰে। তেওঁৰ শুভাকাংখীসকলে আশংকা কৰিলে যে ঔৰংজেৱৰ ওচৰলৈ যোৱা মানে ৰাক্ষসৰ মুখৰ ওচৰলৈ নিজৰ মূৰ আগবঢ়াই দিয়াৰ দৰে। কিন্তু ৰজা জয়সিংহই প্ৰতিশ্ৰুতি দিলে যে মাৰাঠা নেতাক কোনো ধৰণৰ অপকাৰ কৰা নহয়।

শিৱাজীয়ে নিজৰ নুমলীয়া পুত্ৰ শম্ভুজীক লৈ মোগল দৰবাৰলৈ গ'ল। সেইদিনা ঔৰংজেৱৰ জন্ম দিন আছিল, সেয়েহে আগ্ৰা ফৰ্টৰ দৰবাৰ জাকজমকতাৰে সজাই তোলা হৈছিল। "ৰজা শিৱাজীক স্বাগতম" সম্রাটে ব্যংগভৰা স্বৰেৰে তেওঁৰ অতিথিক স্বাগতম জনালে। আৰু ৰাজসভাৰ পিছৰ শাৰীত সাধাৰণ মানুহ, নিম্ন শ্ৰেণীৰ সভাসদৰ লগত একেলগে শিৱাজীক নি বহোৱাবলৈ সৈনিক কেইজনমানক নিৰ্দেশ দিলে। সভাৰ কাম আৰম্ভ হ'ল আৰু শিৱাজীৰ উপস্থিতিক গ্ৰাহ্যই কৰা নহ'ল। ই আছিল অসহ্যকৰ অপমান। ক্ষোপ আৰু ক্ৰোধত তেওঁ দৰবাৰৰপৰা ওলাই আহিল। ঔৰংজেৱে তৎক্ষণাৎ শিৱাজীক অপৰাধী বুলি ঘোষণা কৰি তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিলে।

সোনকালেই পিতা পুত্ৰক এটা ঘৰত বন্দী কৰি ৰখা হ'ল, সশস্ত্ৰ প্ৰহৰীয়ে তাত দিনে নিশাই পহৰা দি থাকিল। তেওঁলোকৰ মুক্তিৰ আশা দিনে দিনে ক্ষীণ হৈ আহিল। তেওঁলোকে জানিছিল যে নিষ্ঠুৰ মোগল সম্রাটে এদিন তেওঁলোকক হত্যা কৰিব। তিনিমাহ পাৰ হৈ গ'ল। এদিন প্ৰচাৰ কৰা হ'ল যে শিৱাজী টান নৰিয়াত পৰিছে। সভাসদসকল, ব্ৰাহ্মণসকল আৰু সন্ন্যাসী-সকলৰ বাবে পাচিত ভৰাই মিঠাই, ফল আৰু ফুল পঠিয়াবলৈ শিৱাজীয়ে অনুমতি বিচাৰিলে, কিয়নো এইসকল লোকৰ নিষ্ঠাপূৰ্ণ প্ৰাৰ্থনাইহে হেনো তেওঁক আৰোগ্য কৰিব পাৰিব। সম্রাটে আনন্দেৰে অনুমতি দিলে। দৈনিক বিশাল পাচি দুজন মানুহে ঘৰটোৰপৰা

বাটলৈ বুলি কঢ়িয়াই নিবলৈ ধৰিলে। স্বাভাবিকতে প্ৰহৰীসকলে তন্ন তন্নকৈ পৰীক্ষা কৰাৰ পাছতহে পাচিবোৰ পাৰ হৈ যাবলৈ দিছিল। দিন যোৱাৰ লগে লগে এই পৰীক্ষা ওপৰে ওপৰে দিয়া দৃষ্টিলৈ পৰিণত হ'ল কাৰণ সৈনিকসকলে সন্দেহ নকৰা হ'ল। শিৱাজীয়ে এই অৱস্থালৈকে অধীৰ আগ্ৰহেৰে বাট চাই আছিল।

এদিন আবেলি, প্ৰহৰীসকলক জনোৱা হ'ল যে মাৰাঠা নেতাগৰাকী ভীষণভাৱে অসুস্থ হৈ পৰিছে আৰু তেওঁক যাতে কোনেও আমনি নিদিয়ে। পিছদিনা ৰাতিপুৱা মোগল সৈনিকসকলে খিৰিকীৰে জুমি চালে আৰু এই দৃশ্য দেখি সন্তুষ্ট হ'ল যে সৰ্বশৰীৰ এখন লেপেৰে ঢাক খাই কেৱল সোঁহাতখনহে বাহিৰ ওলাই আছে আৰু তাত শিৱাজীৰ সোণৰ খাৰু ডাল লাগি থকা দেখা গ'ল। এজন ভৃত্যই তেওঁৰ ভৰি পিটিকি আছিল। সন্ধিয়া সময়ত এজন মানুহ আৰু তেওঁৰ পিছে পিছে সেই ভৃত্যজন বাহিৰলৈ ওলাই আহিল। প্ৰবেশদ্বাৰত তেওঁলোকে প্ৰহৰীসকলক কাতৰ অনুৰোধ কৰিলে: "হুলস্থূল নকৰিব। মালিক খুব অসুস্থ আৰু তেওঁক শান্তিৰে টোপনি যাবলৈ দিয়ক।" এইবুলি কৈ মানুহ দুজন সমুখৰ ৰাস্তাত অদৃশ্য হৈ গ'ল।

অসপ সময়ৰ আগতে সদায় অহা ভাৰবাহী দুজন ঘৰটোৰপৰা বাহিৰ ওলাই আহিছিল লগত ফুল আৰু ফলৰ পাচি লৈ। প্ৰহৰীবোৰে কোনো সন্দেহ নকৰাকৈ যাবলৈ দিলে। শিৱাজী আৰু তেওঁৰ পুত্ৰ দুটা পাচিৰ ভিতৰত লুকাই আছিল। সোনকালেই দুয়োজন মুকলি আকাশৰ তললৈ আহিল।

সেইদিনা বিয়লি আচৰিত ধৰণে কোনেও অসুস্থ শিৱাজীক দেখা কৰিবলৈ নাহিল। কেউফালে এটা অস্বাভাৱিক নীৰৱতা। সৈনিকসকলৰ সন্দেহ হ'ল, তেওঁলোকে কোঠাৰ ভিতৰত প্ৰবেশ কৰিলে। দেখা গ'ল লেপৰ তলত কোনো নাই। চৰাই উৰি গ'ল।

তৎক্ষণাৎ মোগল প্ৰহৰীৰ নেতাই সম্ৰাটৰ ওচৰলৈ আহি ভয়াৰ্ত কণ্ঠেৰে ক'লে, "হে মহান সম্ৰাট, ৰজা শিৱাজী নিজৰ কোঠাতেই আছিল। আমি তেওঁক নিয়মীয়াকৈ লগ পাই আছিলো। হঠাতে তেওঁ নোহোৱা হ'ল। নাজানো তেওঁ কি যাদু কৰিলে।"

সম্ৰাট ঔৰংজেৱক যেন একেলগে হাজাৰটা সাপেহে দংশন কৰিলে। তেওঁৰ টোপনি কাঢ়ি নিয়া শত্ৰুজনেই আকৌ শেষ হাঁহিটো মাৰিলে।

(এ.কে.ডি.)



ৰংবোৰ আছে আমাৰ নিচেই কাষতে

“আন এখন আমনিদায়ক সভা!” তাৰাই ফুচফুচালে। সূৰয আৰু বৰ্ষা আচৰিত নহ'ল। “এই ডিটেক্টিভ ক্লাব সঁচাই অদৰ্কাৰী,” তাৰাই ক'লে।

বৰ্ষাই জানিছিল কথাটো দলিয়াই পেলাব নোৱাৰি। কিন্তু সিহঁত যে ডিটেক্টিভ হ'ব খুজিছে।

“অঁতো! আমি দেখোন নতুন কিবা এটা কৰিব পাৰো,” বিজ্ঞৰ দৰে তাই ক'লে।

“কেনেকুৱা কাম?” সূৰযে সুধিলে। সিহঁতবোৰ বহি আছিল এজোপা আঁহত গছৰ মাটিৰ ওপৰত ওলাই থকা শিপাবোৰৰ ওপৰত।

“ঠিক ভাবিব পৰা নাই,” বৰ্ষাই ক'লে।

“পিছে আমি দেখা প্ৰতিখন নতুন মুখকে সন্দেহৰ চকুৰে চোৱাটোও মূৰ্খামি হ'ব,” তাৰাই ক'লে। “মনত পেলোৱাছোন দীঘল বগা দাড়িৰ মানুহজনক আমি যোৱা মাহত কেনেকৈ আক্ৰমণ কৰিছিলো।”

“কিন্তু দেখাত অচিনাকি যেন লগা প্ৰতিজন মানুহকেইতো আমি সন্দেহ কৰিব নোৱাৰো, নহয় জানো?” তাৰাই যুক্তি দিলে। কোনো উত্তৰ নাহিল। তাইৰ লগৰবোৰে চাই থকা ওপৰৰ ফালে তাইয়ো চাই পঠিয়ালে। দেখাত আচৰিত যেন লগা এগৰাকী মহিলা গছজোপাৰ পাছফালৰপৰা ওলাই আহিল।

সিহঁত আছিল দিল্লী ৰিড্জৰ এটা জনশূন্য এলেকাত। সন্ধ্যা হঁও হঁও হৈছিল। সেই সময়ত মানুহ সেইফালে প্ৰায় নাহেই।

আচৰিত মহিলাগৰাকীয়ে এটা দীঘল, পুৰণি ধৰণৰ ঘাগৰা পিন্ধি আছিল। তেওঁ মৰাপাটৰ এটা বস্তা কঢ়িয়াই আনিছিল। তেওঁ খালী ভৰিৰে আহিছিল, তেওঁৰ কেকোৰা চুলিবোৰ বতাহত উৰি আছিল।

আচৰিত মহিলাগৰাকীয়ে অনুচ্চ স্বৰত কিবা এটা গুণগুণাই আছিল। অচিনাকি শব্দ, অচিনাকি সুৰ। কেইটামান চৰাই তেওঁৰ কাষলৈ উৰি আহিল আৰু সিহঁতে সোনকালেই এটা কোৰাচ আৰম্ভ কৰিলে।

আচৰিত মহিলাগৰাকীয়ে বস্তাৰ ভিতৰৰপৰা কিবা অলপ উলিয়ালে। ল'ৰা ছোৱালীহঁতৰ অনুসন্ধিৎসা বাঢ়ি গ'ল। এখন কিতাপ। তাৰপাছত মহিলাগৰাকীয়ে বস্তাৰপৰা উলিয়ালে কেইটামান পুৰণি বটল। প্ৰতিটো বটল ৰঙীন পানীৰে ভৰা আছিল। তাৰপাছত তেওঁ বস্তাৰপৰা উলিয়ালে এডাল দীঘল পাখি। "তেওঁ কিবা আঁকি আছে দেখোন," বৰ্ষাই ফুচফুচাই ক'লে।

তাৰায়ো ফুচফুচালে। "চৰাই আঁকিছে ছাগৈ। আৰু তেওঁ দেখোন কিবাকিবি লিখিও আছে।"

মহিলাগৰাকীয়ে কৰি থকা কামবোৰৰ বাবে সূৰযে ভয় খালে। "ব'লা, আমি যাওঁগৈ," সি আনবোৰক ক'লে। বস্তাৰ ৰঙীন কাপোৰৰ নুৰাবোৰ মাটিত পৰি আছিল। "ব'লা, আমি মূল ৰাস্তালৈ দৌৰি যাওঁগৈ," সূৰযে কাকূতি কৰিলে।

সি দৌৰিবলৈ আৰম্ভ কৰিলে। বাকী দুজনেও তাক অনুসৰণ কৰিলে। বস্তাটো তাৰ বাটতে পৰা আছিল, সূৰযে উজুতি খালে। সি হামখুৰি খাই পৰিল। তাক খুন্দা মাৰি ভাৰসাম্য হেৰুৱাই পেলোৱা বৰ্ষা আৰু তাৰাও তাৰ ওপৰতে পৰিলহি।

আচৰিত মানুহগৰাকীৰ বটলবোৰ খুন্দা খাই বাগৰি পৰিল। বস্তাটোৰ ফালে সেউজীয়া, হালধীয়া, গুলপীয়া আৰু নীলা ৰঙৰ সৰু নদী বৈ গ'ল বস্তাটোৰ ফালে। মানুহগৰাকীৰ মুখত বিৰক্তিৰ চিন দেখা গ'ল, কিন্তু কেইমুহূৰ্ত্তমানৰ বাবেহে। "বস্তাত থকা ৰঙৰ সামগ্ৰীবোৰৰ ভালকৈ চাবা!" তেওঁ চিঞৰিলে। "চাবা, চাবা সেইবোৰ মোৰ মহা মল্যৱান ৰঙ!" আচৰিত মানুহগৰাকীয়ে সিহঁতৰ সৈতে কথা পাতিছে! আৰু তাকো সিহঁতে বুজি পোৱা ভাষাত!

সিহঁতে আৰু খৰকৈ পলাবলৈ ধৰিলে। মানুহগৰাকীয়ে নিশ্চয় সিহঁতক ধৰি বস্তাত ভৰাই ল'ব খুজিছে। সূৰযে কথাটো কোৱাৰ

লগে লগে তিনিওটাই ভয় খালে।

"মিছা কথা!" তাৰাই জোৰকৈ হাঁহিলে।

"তেওঁ বস্তাত থকা দুপাত্তাবোৰ ৰঙ দিয়াৰ কথাহে কৈছে কিজানি। তেওঁ বোধকৰো বন্ধনী দুপাত্তা বা সেইধৰণৰ কিবা বিক্ৰী কৰে।"

"মই শুনামতে সেইবোৰ বৰ ৰঙচঙীয়া। আমি ঘূৰি যাঁও ব'লা। মই সেইবোৰ চাব খোজো।" বৰ্ষাই ক'লে। তাই নিজৰ ৰাস্তা সলনি কৰি পোনে পোনে অচিনাকি মহিলা-গৰাকীৰ ফালে আহিল। অনিচ্ছাসত্ত্বেও তাৰাই তাইক অনুসৰণ কৰিলে।

"তোমালোক যোৱা, মই তোমালোকৰ বাবে ইয়াতে ৰৈ থাকিম!" ভয় ভয়কৈ সূৰযে ক'লে। সি পতিয়ন যোৱা নাছিল।

"জেঠাই, আমি দুখিত যে আমি আপোনাৰ বস্তাবোৰ তেনেই ছেদেলি ভেদেলি কৰি পেলালো!" বৰ্ষাই পোনে পোনে কথাখিনি কৈ আচৰিত মানুহগৰাকীৰ চকুলৈ চালে। হঠাতে মানুহগৰাকীক তাইৰ বৰ আপোন যেন লাগিল।

"কোনো কথা নাই!" মাটিত পৰি থকা পাখিডাল আৰু বটল-বোৰ উঠাবলৈ লৈ মানুহ-গৰাকীয়ে ক'লে।

"আপুনি আমাক আপোনাৰ ৰঙ দিয়া দোপাত্তাবোৰ দেখুৱা-বনে?" তাৰাই ক'লে।

"নিশ্চয়, দেখুৱাম!" সুন্দৰ ৰঙদিয়া কাপোৰবোৰ মানুহ-গৰাকীয়ে উলিয়াই আনিলে।

"কেনে সুন্দৰ!" তাৰা আৰু বৰ্ষাৰ মুখৰ-পৰা একেলগে ওলাই আহিল।

"এই ৰঙবোৰ তৈয়াৰ কৰা হৈছে পাচলিৰপৰা," মানুহগৰাকীয়ে বুজাই দিলে। "মই এই ৰংবোৰ নিজেই তৈয়াৰ কৰোঁ। ইচ্ছা কৰিলে তোমালোকেও কৰিব পাৰা।"

উত্তেজিত হৈ তাৰাই ক'লে, "হয় নেকি? আপুনি আমাক শিকাই দিবনে?"

"কিয় নিশিকাম? মই কৈছো..." মানুহগৰাকীয়ে বাক্যটো সম্পূৰ্ণ কৰিব নোৱাৰিলে। তাৰা আৰু বৰ্ষাই সেই ভয়াৰ্ত্ত চিঞৰটো কাৰ ধৰিব পাৰিলে। সূৰযৰ মাত। সিহঁতে তৎক্ষণাৎ ঘূৰি চালে। তিনিটা ওখ পাখ ল'ৰাই সূৰযক ঘেৰি ধৰিছে আৰু তাক ঠেলা ঠেলি কৰিছে। ল'ৰাকেইটাই হাঁহিছিল কিন্তু সূৰযে হাঁহিব পৰা নাছিল!

"হে ভগৱান! আকৌ সেই গেঙটো!" বৰ্ষাই কলে?

"গেঙ?" মানুহগৰাকীয়ে সুধিলে।

বৰ্ষাই বুজাই দিলে সেই তিনিটা ল'ৰা থাকে সিহঁতৰ ক'লনীতে। হ'লিৰ সময়ত সিহঁতে পানী আৰু ৰঙীন পাউডাৰ ভৰাই থোৰা বেলুন মানুহৰ গালে মাৰে। অঞ্চলটোত সিহঁত একপ্ৰকাৰ সন্ত্ৰাস। হ'লি কাইলৈহে, কিন্তু সিহঁতে কাম আজিৰপৰা আৰম্ভ কৰিলেই।

ল'ৰা ছোৱালীহঁতে এই উৎসৱ ভাল পাইছিল। পিছে বাটেদি যোৱা ৰাইজৰ ওপৰত অচিনাকি মানুহে মাৰি পঠিওৱা পানীৰ বেলুন আৰু ৰাসায়নিক ৰঙবোৰতহে সিহঁতে আনন্দ বিচাৰি নাপায়।

আটাইবোৰ অৱশেষত গৈ সেই ঠাইত উপস্থিত হ'লগৈ, অঘাইটঙ ল'ৰা তিনিটাই ইতিমধ্যে উদ্যানৰ অনেক ধুনীয়া ফুলৰ গছ টহিলঙ কৰিছে। সিহঁতৰ ভৰিৰ তলত অনেক ফুল ঢলি পৰিছে।

"বন্ধ কৰা!" গেঙৰ এটা সদস্যৰ হাতৰপৰা ৰঙীন পানীৰ বেলুন এটা কাঢ়ি লৈ অচিনাকি মানুহগৰাকীয়ে চিঞৰি উঠিল। "কেনে বিপদজনক ৰাসায়নিক ৰঙ! তোমালোকে জানানে এই ৰঙবোৰ ছালৰ বাবে কিমান অপকাৰী? মূৰ্খ ল'ৰা!"

গেঙৰ ল'ৰাহঁতে প্ৰথমবাৰলৈ ভয় খালে। নতুন মানুহগৰাকীৰ নতুন ধাৰণা দেখি সিহঁতে ভয় খাই উঠিল।

"তোমালোকে জানাথে ৰঙৰ উৎসৱৰ আচল অৰ্থ?" প্ৰশ্নটো সুধি লৈ মহিলাগৰাকীয়ে নিজৰ সাংগিতীক সুৰত নিজেই উত্তৰটো দিলে, "এয়া হ'ল বসন্তৰ আগমনৰ বাবে প্ৰকাশ কৰা আনন্দ। আমাৰ চাৰিওফালে থকা ফুল আৰু চৰাইবোৰৰ অপূৰ্ব ৰঙবোৰ চোৱা। প্ৰকৃতিৰ এই ৰঙৰ সমাহাৰ উদযাপন কৰি আমি বন্ধুৰ গাত ধেমালিতে পানী মাৰো। কিন্তু মানুহৰ ওপৰত কৰা বন্য আক্ৰমণ কিহৰ আনন্দ? আৰু তোমালোকে ব্যৱহাৰ কৰা ৰাসায়নিক ৰঙবোৰ চোৱা। তোমালোকে পাচলিৰ পৰা তৈয়াৰী নিৰাপদ আৰু ভাল ৰঙ যে হ'লিত ব্যৱহাৰ কৰিব পাৰি সেই কথা কেতিয়াও শুনা নাইনে?"

অনুতাপত দগ্ধ গেঙটো লাহে লাহে আঁতৰি গ'ল। পিছৰ সপ্তাহত তাৰা, বৰ্ষা আৰু সূৰযে পাচলিৰ পৰা কেনেকৈ পৰিবেশৰ ক্ষতি নকৰা ৰঙ তৈয়াৰ কৰিব পাৰি তাক শিকিবলৈ আৰম্ভ কৰিলে।

- ভি.শ্ৰুতি দেৱী



মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-৬



সাহিত্য অকাডেমি বঁটা বিজেতা সত্তৰ গৰকা অশোকামিত্ৰণ তামিল আৰু ইংৰাজী ভাষাৰ প্ৰসিদ্ধ লেখক। তেওঁ লিখি উলিওৱা চল্লিছৰো অধিক গ্ৰন্থৰ ভিতৰত আছে কল্পকাহিনী, সত্যকাহিনী, সাহিত্য সমালোচনা আৰু সংকলন। বিভিন্ন ভাৰতীয় ভাষাৰ বাহিৰেও তেওঁৰ সাহিত্যকৰ্ম জাৰ্মান, ফৰাচী, ইংৰাজী, স্পেনিচ, ৰাচিয়ান আৰু হাঙ্গেৰীয়ানলৈ অনূদিত হৈছে। তিনিবাৰ তেওঁৰ গ্ৰন্থ তামিলনাডু চৰকাৰে দিয়া বছৰৰ শ্ৰেষ্ঠ কল্পকাহিনী বঁটাৰ বাবে বাচনিত উঠিছে। তেওঁ হাৰমনি এৱাৰ্ড আৰু অগ্নি অক্ষৰ বঁটাও লাভ কৰিছে।

মোৰ স্মৃতিত মহাভাৰত আৰু মহাত্মা

মই শৈশৱত বেছি ভালপোৱা কাহিনী হ'ল বালভাৰতম আৰু মহাত্মা গান্ধীৰ এখন সংক্ষিপ্ত জীৱনী--এই দুখন কিতাপৰপৰা জনা কাহিনী।

তেতিয়া আমি বাস কৰিছিলো চেকেন্দ্ৰাবাদৰ বাড়িগুড়াত। মই সেই কিতাপদুখন পঢ়িছিলো ১৯৩৬ আৰু ১৯৩৮ৰ মাজত। মই তেতিয়া স্কুললৈ যাব খোজা নাছিলো আৰু মোৰ মা-দেউতাই যিহেতু মোৰ দুজন ককাই-দেউক অকালতে হেৰুৱাইছিল সেয়েহে তেওঁলোকে মোক পলমকৈ স্কুলত নাম লগোৱাৰ আনন্দকণৰ পৰা বঞ্চিত কৰা নাছিল।

বাল ভাৰতম লিখা হৈছিল বিশেষকৈ শিশুসকলৰ বাবে। ইয়াত কোনো অলংকৰণ নাছিল। কিতাপখনে অৱশ্যে পাঠকক মহাকাব্যখনৰ কাহিনীবোৰৰ মেৰপাক আৰু মমাৰ্থ ভালকৈ বুজাই দিব পাৰিছিল। এতিয়া মোৰ এই কিতাপখন হেৰাল -কিন্তু মোৰ মনত পৰে তাৰ কথনভংগীয়ে কোনো চৰিত্ৰৰ প্ৰতি অন্যায় আচৰণ কৰা নাছিল। যুধিষ্ঠিৰ আৰু ভীমক মই খুব ভাল পাইছিলো যদিও দুৰ্যোধন আৰু কৰ্ণৰ প্ৰতি মোৰ মনত কোনো ঘৃণাভাব নাছিল।

সেই সময়ত মোৰ বয়স হৈছিল প্ৰায় ছবছৰ, কিন্তু মোৰ এতিয়াও দুখ লাগে এই কথা ভাবি যে সেই মহান মানুহবোৰে কিয় এজনে আনজনক হত্যা কৰিবলগীয়া হৈছিল। ৰজা পাণ্ডুৰ দুগৰাকী পত্নীয়ে জন্ম দিছিল সৰ্বগুণী পুত্ৰক। পাণ্ডুৰ ককায়েক অন্ধ ধৃতৰাষ্ট্ৰৰ পত্নী গান্ধাৰী অসুখী আছিল এটা কথাতেই যে পাণ্ডৱৰ সৈতে খেলিব পৰাকৈ তেওঁৰ কোনো সন্তান নাই। খঙতে গান্ধাৰীয়ে এটুকুৰা শিলেৰে নিজৰ উদৰত আঘাত কৰিলে আৰু তাৰপিছত্ তেওঁ এটুকুৰা মাংসপিণ্ড প্ৰসৱ কৰিলে।

মহৰ্ষি ব্যাসে এই মাংসপিণ্ডক এশটা পুত্ৰ আৰু এজনী কন্যালৈ পৰিৱৰ্তিত কৰিছিল। গতিকে কৌৰৱৰ জন্মৰ গুৰিতে আছিল ঈৰ্ষা।

এওঁলোকৰ ভিতৰত জ্যেষ্ঠতম দুৰ্যোধন পাণ্ডৱসকলৰ জনপ্ৰিয়তাৰ বাবে ঈৰ্ষান্বিত

হৈছিল। তেওঁৰ বিশেষকৈ ঈৰ্ষা হৈছিল ভীমৰ শাৰীৰিক শক্তি দেখি। এদিন দুৰ্যোধন আৰু তেওঁৰ ভায়েকহঁতে ভীমক বিহ খুৱাই এখন নদীত পেলাই দিলে। বহুতো বিষাক্ত সাপে ভীমক আহি ঘেৰি ধৰিলেহি আৰু দংশন কৰিলেহি। সাপৰ বিষে ভীমৰ শৰীৰত থকা বিহ অকামিলা কৰি দিলে আৰু ভীমে সাপৰ কবলৰপৰা নিজকে ৰক্ষা কৰিবলৈ সক্ষম হ'ল। ভীমে গৈ সাপবোৰৰ ৰজাৰ ওচৰত অভিযোগ কৰিলেগৈ। ৰজাই ভীমক নিজৰ অতিথি হিচাপে পাই সন্তোষ পালে আৰু ভীমক অযুত হাতীৰ বল প্ৰদান কৰিলে।

তাৰপিছত ভীম, দুৰ্যোধন আৰু তেওঁৰ ভায়েকহঁতৰ বাবে আগতকৈয়ো ডাঙৰ সন্ত্ৰাস হৈ উঠিল। পাণ্ডৱৰ সাফল্য দেখি দুৰ্যোধন যিমানেই বেছি ঈৰ্ষান্বিত হৈছিল, পাণ্ডৱৰ সাফল্যও সিমানেই চকুতলগা হৈছিল।

অৱশেষত জ্যেষ্ঠ পাণ্ডৱ যুধিষ্ঠিৰৰ জুৱাখেলৰ প্ৰতি এটা দুৰ্বলতা আছিল। দুৰ্যোধনে ইয়াৰ সুবিধা লৈ পাঁচজন ভ্ৰাতৃক তেৰ বছৰ বনবসালৈ প্ৰেৰণ কৰে। শেষত এখন ডাঙৰ যুদ্ধ হ'ল আৰু গোটেই কৌৰৱ বংশকে ধৰি কৌৰৱ আৰু পাণ্ডৱ উভয়ৰে অনেক শুভাকাংখীয়ে এই যুদ্ধত প্ৰাণ আহুতি দিবলগীয়া হয়। এইদৰে দুৰ্যোধনৰ ঈৰ্ষাৰ পৰিণতিতে অসংখ্য মানুহৰ জীৱনলৈ নামি আহিছিল দুখ। মহাভাৰতত আৰু বহুতো নীতিশিক্ষা আছে। কিন্তু এজন মানুহৰ ঈৰ্ষাই মাতি অনা অভাৱনীয় দুখৰ কাহিনীয়ে মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল।

এতিয়া ক'ব খুজিছো মহাত্মা গান্ধীৰ চমু জীৱনীখনৰ কথা। ইয়াত উল্লেখ থকা ৰাজনৈতিক ঘটনাৱলীৰ গুৰুত্ব মই তেতিয়া উপলব্ধি কৰিব পৰা নাছিলো যদিও কিতাপখনে জানিবলৈ দিছিল যে তেওঁৰ আদৰ্শ আৰু দেশমাতৃৰ প্ৰতি থকা আত্মোৎসৰ্গৰ বাবে গান্ধী সেই সময়ৰ সবাতোকৈ শক্তিশালী ব্যক্তি হিচাপে পৰিগণিত হৈছিল। গাঁৱত মঞ্চস্থ হোৱা হৰিশ্চন্দ্ৰ নাটক চাই মন্ত্ৰমুগ্ধ হোৱা মোহনদাস নামৰ ল'ৰাটোৰ কথা কিতাপখনত বৰ সুন্দৰকৈ বৰ্ণনা কৰা হৈছিল।

সেই সময়ত মই কাহিনীটো ভালকৈ বুজা নাছিলো, কেৱল ইমানখিনিয়েই জানিছিলো যে চৰম দুৰ্ভাগ্যৰ সময়তো হৰিশ্চন্দ্ৰই অসত্য কথা নকৈছিল।

সেই সময়ত বৰ বেছি চলচ্চিত্ৰ দেখিবলৈ পোৱা নগৈছিল। দুই তিনিমাহৰ ভিতৰত আমি এখন চলচ্চিত্ৰ উপভোগ কৰিছিলো। সেইবোৰ সাধাৰণতে তেলুগু ভাষাত আছিল। বাল ভাৰতম পঢ়ি হোৱা অভিজ্ঞতাই মোক এই চলচ্চিত্ৰবোৰ উপভোগ কৰাত সহায় কৰিছিল। চকু মেলি চিনেমাত বহি থাকোতে মোৰ কল্পনাত কেৱল ভাহি উঠিছিল ধৰ্মপুত্ৰ বা কুন্তিৰ ছবি।

মহাভাৰতৰ কিছুমান অনন্য গুণ আছিল। ভগৱান কৃষ্ণ খুব সঘনাই আহে যদিও, ইয়াত বৰ্ণিত আনবোৰ চৰিত্ৰ মানৱীয় প্ৰমূল্যৰ চৰিত্ৰ, সেইবোৰ চৰিত্ৰৰ মাজেদিয়েই পাঠকে নিজৰ আৰু আন মানুহৰ জীৱনৰ মমাৰ্থ বিচাৰি পায়।

সোনকালেই মই স্কুললৈ যাবলৈ আৰম্ভ কৰিলো। স্কুলখন যিহেতু খ্ৰীষ্টিয়ান স্কুল আছিল, বাইবেলৰ সাধুবোৰ পঢ়াটো বাধ্যতামূলক আছিল। এই সাধুবোৰৰ চৰিত্ৰই মোক দিছিল কল্পনাশক্তি আৰু বৰ্ণনাশক্তি। চেমচন, জেভিড আৰু গোলিয়াথৰ কাহিনী এইবোৰ মোক উদ্বুদ্ধ কৰিছিল। এটা শিশুৰ মানসিক বিকাশৰ আঁৰত বহুতো কাৰক থাকে যদিও, প্ৰতিজন লোকেই শৈশৱৰ দুই এটা গুৰুত্বপৰ্ণ প্ৰভাৱৰ কথা ক'ব পাৰে।

মোৰ মতে, মোৰ মা-দেউতা, ভাই ভনীৰ বাহিৰৰ এখন বিশ্বত প্ৰথম ভৰি দিব পাৰিছিলো বাল ভাৰতমৰ জৰিয়তে। মোৰ ককাই-দেইহঁতৰ বাবেই নিশ্চয় কিতাপখন ক্ৰয় কৰা হৈছিল।

মই নিশ্চিত তেওঁলোকেও ইয়াৰপৰা বহুতো উপকাৰ পাইছিল। মোৰ মতে স্কুললৈ যাবলৈ টান পোৱা অৱস্থাতে কিতাপখন পঢ়াৰ স্মৃতি মনলৈ আহিলে মই এটা পুলক অনুভৱ কৰো, আজি সত্তৰো অধিক বছৰৰ পাছত।



চান্দমামা ভাৰত কুইজ-১১

Co-sponsored by
Infosys FOUNDATION, Bangalore

যি শুদ্ধ উত্তৰ দিব তেওঁলোকৰ এজনক ২৫০ টকা দিয়া হ'ব*

মনত পেলাওঁ আঁহা ভাৰতৰ কেইজনমান খ্যাতনামা ব্যক্তিক, তেওঁলোকৰ শৈশৱত ঘটা কিছুমান ঘটনাৰ জৰিয়তে...

**শুদ্ধ উত্তৰ দিওঁতাৰ সংখ্যা এজনতকৈ অধিক হ'লে পুৰস্কাৰৰ ধন ড্ৰৰদ্বাৰা নিৰ্বাচিত পাঁচজন প্ৰতিযোগীৰ মাজত সমানে ভগাই দিয়া হ'ব।*

তুমি কি কৰা উচিত: ১.শুদ্ধ উত্তৰবোৰ বাচি লৈ ক্ৰম অনুসাৰে সেইবোৰ লিখি দিয়া; ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা; ৩.লেফাফাৰ ওপৰত লিখা **চান্দমামা ভাৰত কুইজ-১১;** ৪.৩১ ডিচেম্বৰ, ২০০৭ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ ফেব্ৰুৱাৰী, ২০০৮ সংখ্যাত প্ৰকাশ কৰা হ'ব।

১. জন্মৰ পাছত ড.আম্বেডকাৰৰ নাম দিয়া হৈছিল ভীমৰাও। 'ভীম' আছিল তেওঁৰ মাকৰ নামৰ একাংশ। মাকৰ সম্পূৰ্ণ নাম কি আছিল?

২. তেওঁ যি বছৰত জন্ম হৈছিল একে বছৰতে জন্ম হৈছিল তেওঁৰ ভাবী স্বামী। তেওঁলোকৰ বিয়া হৈছিল মাত্ৰ তেৰ বছৰ বয়সত। তেওঁলোক কোন আছিল?

৩. মাত্ৰ ১৪ বছৰ বয়সত, তেওঁ প্ৰথম কবিতা সংগ্ৰহ 'বনফুল' লিখি উলিয়াইছিল। সেই তৰুণ কবিজন কোন আছিল?

৪. কৰ্ণাটকৰ মাংগালোৰৰ এক সাৰস্বত পৰিয়ালত তেওঁৰ জন্ম হৈছিল। পিছলৈ তেওঁ "এগৰাকী নৱজাগৰণৰ ব্যক্তি" আৰু "ভাৰতীয় সংস্কৃতিৰ উচ্চ পূজাৰিণী" নামে পৰিচিত হৈছিল। ইয়াত বাৰু কাৰ কথা কোৱা হৈছে?

৫. বিনায়ক নৰহৰিৰ মাকে দেখিলে এদিন তেওঁৰ কিশোৰ পুত্ৰই পাকঘৰৰ জুইত কিছুমান কাগজ পুৰি আছে। মাকে সোধাত ল'ৰাজনে কৈছিল, "মোৰ চাৰ্টিফিকেটবোৰ। মোক এইবোৰ ভৱিষ্যতে নালাগিব!" তাৰপিছত তেওঁ নিজকে সকলো আনুষ্ঠানিক শিক্ষাৰপৰা আঁতৰাই আনিছিল। পিছৰ জীৱনত তেওঁ কি নামেৰে পৰিচিত হৈছিল?

শিশুৰ কান্দোন

বাদছাহ আকবৰৰ প্ৰশংসা লাভ কৰিবলৈ ৰাজপ্ৰাসাদৰ কিছুমান কৰ্মচাৰী আৰু উচ্চ বিষয়াই প্ৰায়েই তেওঁক প্ৰশংসাৰে বুৰাই পেলাইছিল। তেওঁলোকৰ এই আচৰণ বীৰবলে বৰ আচহুৱা অনুভৱ কৰিছিল আৰু ভাবিবলৈ ধৰিলে, "এঁওলোক ৰাজ কৰ্মচাৰী নে বাদছাহৰ পোহনীয়া কুকুৰ?" এদিন তেওঁলোকক বীৰবলে এই কথাটো কৈ পেলালে। ৰাজকৰ্মচাৰী আৰু উচ্চ বিষয়সকল জাঙুৰ খাই উঠিল, "বীৰবল, তুমি আমাৰ ঘোৰ অপমান কৰিছা। তাৰ বাবে তুমি আমাৰ ওচৰত ক্ষমা খুজিব লাগিব।"

"কিয়!" বীৰবলে সুধিলে।

"কাৰণ আমি কুকুৰ নহয়," ৰাজকৰ্মচাৰীসকলে ক'লে। "অঁ, অঁ, মই জানো," বীৰবলে ক'লে।

"তেন্তে আমাক কুকুৰৰ লগত তুলনা কৰিছা কিয়?" ৰাজকৰ্মচাৰীসকলে খঙেৰে ক'লে।

"কুকুৰৰ নেজ থাকে। আপোনালোকৰ নাথাকে। গৰাকীক দেখিলেই কুকুৰে নেজ ল'ৰায়। ৰজাক দেখিলেই আপোনালোকে তেওঁৰ প্ৰশংসা কৰি জিভা লৰায়। পাৰ্থক্য সেই তাতেই। তেওঁ কোনো অসংলগ্ন কথা ক'লেও আপোনা-লোকে বাহ বাহ বুলি ক'বলৈ ধৰে।" বীৰবলে ক'লে।

"আমাৰ যি মন যায় কৰিম। তাত আপত্তি কৰিবলৈ তুমি কোন হে? মানুহক কুকুৰ বুলি কোৱাটো কেনেকৈ উচিত হ'ব পাৰে?"

"মানি লৈছো, তোমালোক সকলো মানৱ, কিন্তু তোমালোকৰ ৰাজহাড় নাই।" বীৰবলে ক'লে।

"তোমাৰ জিভা নিয়ন্ত্ৰণত ৰাখা বীৰবল," ৰাজকৰ্মচাৰীসকলে তেওঁক সাৱধান কৰি দিলে।

"মইনো কি কথা ক'লো যে

আপোনালোকৰ ইমান খঙ উঠিছে। মই কেৱল ক'ব খুজিছো আপোনালোকৰ সাহস নাই। সত্য কথাটো তিতা লাগিছে।" বীৰবলে মিচি-কিয়া হাঁহি মাৰি ক'লে।

"বাৰু, আমাৰ কথা এৰা। তুমি নিজে আমাতকৈ বেছি সাহসী নেকি?" ৰাজকৰ্মচাৰী সকলে সুধিলে।

"নিসন্দেহে। সেই কথা প্ৰমাণ কৰিবলৈ মই কি কৰিব লাগিব?" বীৰবলে সুধিলে।

"আগতে অনুমতি নোলোৱাকৈ তুমি বাদছাহতকৈ পলমকৈ দৰবাৰলৈ আহিব পাৰিবানে?" এজন কৰ্মচাৰীয়ে সুধিলে।

বাদছাহ দৰবাৰলৈ অহাৰ আগতেই প্ৰতিজন সভাসদ তাত উপস্থিত থকাটো বাধ্যতামূলক আছিল। পলমকৈ আহিব পাৰে, কিন্তু বিনা অনুমতিত সেই কাম কৰিলে বাদছাহে কঠোৰ শাস্তি দিছিল। এই কথা বীৰবলে খুব ভালকৈ জানিছিল। কিন্তু এটা কথা বীৰবলে জানিছিল যে ভয়াতুৰ মানুহে জীৱনত একো কাম কৰিব নোৱাৰে। সেয়েহে তেওঁ ভাবিবলৈ ধৰিলে এই শাস্তি কেনেকৈ এৰাই চলিব পৰা যায়। তেওঁ ক'লে, "ঠিক আছে, কাইলৈ বাদছাহ যেতিয়া দৰবাৰলৈ আহিব, তেতিয়া মই দৰবাৰত নাথাকো, আগতে অনুমতি নোলোৱাকৈ মই অনুপস্থিত থাকিম।"

দৰবাৰীসকলে মনতে এই কথা ভাবি আনন্দিত হ'ল যে এইবাৰ নিশ্চয় বীৰবল হাৰিব আৰু তেওঁ কঠোৰ শাস্তি পাব। ভৱিষ্যতে বাদছাহেও তেওঁক সন্মান নকৰিব।

পিছদিনা বাদছাহ যেতিয়া দৰবাৰলৈ আহিল তেতিয়া বীৰবলৰ বাহিৰে সকলো দৰবাৰী উপস্থিত আছিল। তেওঁলোক নিজৰ নিজৰ আসনত বহি আছিল। বাদছাহ সোমাই অহাৰ লগে লগে তেওঁলোক নিজৰ আসনৰপৰা উঠি থিয় হ'ল আৰু মূৰ দোঁৱাই বাদছাহক অভিবাদন জনালে।

বাদছাহে গোটেই সভাখন তীক্ষ্ণ দৃষ্টিৰে চালে আৰু ক'লে, "বীৰবল ক'ত আছে? কাৰোবাক তেওঁ খবৰ দিছিল নেকি যে তেওঁ সময়মতে আহিব নোৱাৰিব?"

এজন বিষয়াই ক'লে, "নাই প্ৰভু।"

"বিনা অনুমতিত ঘৰত থকাৰ এই সাহস তেওঁ পালে ক'ৰপৰা! সৈনিকক পঠিয়াই দিয়া আৰু তৎক্ষণাৎ তেওঁক মতাই অনা," বাদছাহে হুকুম দিলে।

বীৰবলৰ ঘৰলৈ যোৱা সৈনিক এঘন্টাৰ

পাছত ঘূৰি আহিল আৰু ক'লে, "প্ৰভু, বীৰবলে তেওঁৰ সৰু ল'ৰাটোৰে কন্দা বন্ধ কৰিলেই নিশ্চয় আহিব।"

"মোৰ আজ্ঞা অৱমাননা কৰাৰ এনে দুঃসাহস! সৰু ল'ৰা এটাৰ কন্দা বন্ধ কৰাটো ইমান টান কামনে? মইতো ভাবিছিলো বীৰবল বুদ্ধিমান আৰু প্ৰতিটো সমস্যাৰ সমাধান উলিয়াবলৈ সক্ষম।" আকবৰে আবেশভৰা কণ্ঠেৰে কথাখিনি ক'লে।

কেইমুহূৰ্ত্তমানৰ বাবে দৰবাৰ নীৰৱ হৈ থাকিল, "বীৰবলক তৎক্ষণাৎ ইয়াত হাজিৰ কৰা হওক। আহিবলৈ অস্বীকাৰ কৰিলে তেওঁৰ হাত ভৰি বান্ধি লৈ অহা হওক," বাদছাহে হুকম দিলে।

অলপ সময়ৰ পাছত তালৈ অহা বীৰবলক বাদছাহে ভৰিৰপৰা মূৰলৈ ভালকৈ চালে।

"বাদছাহ ক্ষমা কৰক। আমাৰ তিনি বছৰীয়া ল'ৰাটোৱে আজি ৰাতিপুৱাৰেপৰা কান্দি আছে। সেইকাৰণেই মই আহিব নোৱাৰিলো। এতিয়াও সি কান্দিয়েই আছে।" বীৰবলে ক'লে।

"তোমাৰ দৰে বুদ্ধিমান মানুহ এজনৰ পক্ষে সৰু ল'ৰা এটাক চুপ কৰা, তাৰ কন্দা বন্ধ কৰা ইমান টান কাম হ'লনে?" ব্যংগভৰা স্বৰেৰে বাদছাহে সুধিলে। সকলো দৰবাৰীয়ে ভাবিলে যে বীৰবল ফান্দত পৰিছে আৰু ইয়াৰপৰা তেওঁ বাহিৰ ওলাই আহিব নোৱাৰিব। তেওঁলোকে ইজনে সিজনলৈ চাই মুখ টিপি হাঁহিবলৈ ধৰিলে।

"মোৰ ঘৰখনৰ অৱস্থা কি হৈছে বৰ্ণনা কৰিলে আপুনি বুজিব পাৰিব।" সৰু মাতেৰে বীৰবলে ক'লে। আকবৰে অলপ কোমল মাতেৰে সুধিলে, "কোৱাচোন।"

"প্ৰথমতে ল'ৰাটোৱে কুঁহিয়াৰ বিচাৰি কান্দিবলৈ ধৰিলে। মই আনি দিলো তথাপি সি কান্দিয়েই থাকে। মই সুধিলো, "কোৱাচোন তোমাক আৰু কি লাগে?" সি কুঁহিয়াৰৰ ৰস বিচাৰিলে। কুঁহিয়াৰৰপৰা ৰস উলিয়াই মই ৰসখিনি এটা গিলাচত ভৰালো। সি গিলাচটো মাটিত পেলাই দি ক'লে, 'সেই ৰসখিনি এতিয়া গিলাচত ভৰাই দিয়া।" "যিখিনি ৰস মাটিত পৰি আছে সেইখিনি আকৌ মই গিলাচত ভৰাওঁ কেনেকৈ? সেয়েহে মই সময়মতে দৰবাৰলৈ আহিব নোৱাৰিলো।" বীৰবলে ক'লে।

"এটা সৰু ল'ৰাৰ কান্দোন বন্ধ কৰিব

নোৰৰা এজন মানুহ হৈ তুমি কেনেকৈ মোৰ পৰামৰ্শ দাতা হৈ থাকিবা বীৰবল।" আকবৰে আচৰিত হৈ সুধিলে।

"সৰু ল'ৰা ছোৱালীৰ দুষ্টামি এনেকুৱাই হয় প্ৰভু। কেতিয়াবা আপুনি কান্দি থকা শিশুৰ কান্দোন বন্ধ কৰিবলৈ চেষ্টা কৰিছেনে প্ৰভু," বীৰবলে সুধিলে।

"নাইকৰা" বাদছাহে ক'লে।

"আপুনি চেষ্টা কৰি চাওকচোন, ধৰি লওক, আপুনি ডাঙৰ মানুহ আৰু মই এটা তেনেই সৰু ল'ৰা। আপুনি মোক হঁহাব পাৰে নেকি চাওঁচোন বাৰু।" বীৰবলে ক'লে।

"মুহূৰ্ত্তৰ ভিতৰতে হঁহুৱাব পাৰো," পৰম বিশ্বাসেৰে আকবৰে ক'লে। বীৰবল সৰু ল'ৰাৰ দৰে মাটিত পৰি গ'ল আৰু হাত ভৰি এচাৰিবলৈ ধৰিলে। বাদছাহ তেওঁৰ ওচৰলৈ আহি মৰমেৰে ক'বলৈ ধৰিলে, "নাকান্দিবা মোৰ বাচা। কোৱা, তোমাক কি লাগে।" সৰু ল'ৰাৰ মাত উলিয়াই বীৰবলে ক'লে, "এটা আঙুঠি।"

আকবৰে নিজৰ আঙুলিৰপৰা আঙুঠি এটা খুলি বীৰবলক দিলে। আঙুঠিটো লৈ বীৰবলে আকৌ কান্দিবলৈ ধৰিলে।

"আঙঠি দিলো, এতিয়া আকৌ কান্দিছা কিয়।" বাদছাহে সুধিলে।

"মোক এটা হাতী লাগে,"

আকবৰে এটা হাতী পোৱালি অনালে। তথাপিও বীৰবলে কান্দিবলৈ ধৰিলে।

"আৰু কি লাগে," বাদছাহে সুধিলে, 'সেই হাতীটো আঙঠিৰ মাজেদি সৰকিবলৈ দিয়ক," এইবুলি কৈ বীৰবলে কান্দিবলৈ ধৰিলে।

আকবৰে খঙত একোনাই হৈ সুধিলে, "এইটো অসম্ভৱ কথা।" "কুঁহিয়াৰৰ যিখিনি ৰস মাটিত পৰি গৈছিল সেইখিনি মই কেনেকৈ গিলাচত ভৰাব পাৰো মহাৰাজ।" মিচিকিয়া হাঁহি এটা মাৰি বীৰবল উঠি থিয় হ'ল।

আকবৰেও নিজৰ হাঁহি ৰাখিব নোৱাৰিলে। তেওঁ ক'লে, "হয় বীৰবল, মানি লৈছো, সৰু ল'ৰা ছোৱালীৰ কান্দোন বন্ধ কৰাটো বৰ জটিল কাম। এতিয়া মই বুজি পালো আজি তোমাৰ পলম হ'ল কিয়?" এইবুলি কৈ তেওঁ সিংহাসনত বহি পৰিল।

যিসকল ৰাজকৰ্মচাৰীয়ে বীৰবলক প্ৰত্যাহ্বান জনাইছিল, বীৰবলে তেওঁলোকৰ ফালে চালে। যিসকলে তেওঁক বিপদত পেলাব খুজিছিল, সেইসকলে নিজৰ পৰাজয় স্বীকাৰ কৰি লাজতে তলমূৰ কৰিলে।



বন্ধুত্ব

কমল, ধনীৰাম আৰু ভূষণ নলেগলে লগা বন্ধু আছিল। কমল আৰু ধনীৰাম বেপাৰী আছিল, ভূষণ খেতিয়ক আছিল। এদিন কমলে ভূষণক ক'লে, "দেখিলা, ধনীৰামে প্ৰতিবেশী বেপাৰীসকলৰ আগতে মোক কেনেকৈ অপমান কৰিলে। ভৱিষ্যতে মই তেওঁৰ লগত বন্ধুত্ব নাৰাখো। মোৰ আৰু তেওঁৰ মাজৰ সম্পৰ্ক শেষ হৈ গ'ল বুলি ধৰা।"

ভূষণে সহানুভূতি দেখুৱাই আবেগভৰা কণ্ঠৰে ক'লে, "কথাটো কি? এতিয়া যাঁও বলা। মই নিজেই তেওঁক কাৰণটো সুধিম আৰু তেওঁৰ সৈতে কথা পাতিম।"

"এই লৈ মই এতিয়া মূৰ ঘমাব নোখোজা। এইটো একেবাৰে সঁচা কথা যে তেওঁ জানি শুনি মোক অপমান কৰিছে। এই মুহূৰ্ত্তৰেপৰা মই সেই প্ৰতাৰক, সেই দ্ৰোহীৰ মুখ নাচাওঁ," এইবুলি কৈ কমল বেগাই তাৰপৰা গুচি গ'ল।

ভূষণেও ঠিক কৰিলে ভৱিষ্যতে তেওঁৰ সেই ধনীৰামৰ লগত কোনো সম্পৰ্ক নাৰাখে যি তেওঁৰ পৰম বন্ধু কমলক ইমান ডাঙৰ মানসিক আঘাত দিলে। কোনে জানে কাইলৈ তেওঁৰ সৈতেও ধনীৰামে একে ব্যৱহাৰেই কৰিব পাৰে।

এসপ্তাহ পাৰ হৈ গ'ল। এদিন আবেলি যেতিয়া ভূষণ মন্দিৰলৈ গৈ আছিল তেওঁ দেখিলে যে কমল আৰু ধনীৰামে হাঁহি হাঁহি কথা পাতি আহে আছে। এই দৃশ্য দেখি ভূষণে তবধ মানিলে।

ৰাতি আহাৰ গ্ৰহণ কৰি উঠি ভূষণৰ পত্নীয়ে তেওঁক ক'লে, "এইটোনো কি আচৰিত কথা। যি পতি পত্নীয়ে এজনে আনজনক খুব ভাল পায় তেওঁলোকৰ মাজত কেতিয়াবা মতভেদ হ'বই। এইটো স্বাভাৱিক কথা। দুজন ভাল বন্ধুৰ মাজতো একেটা কথাই প্ৰযোজ্য। তুমি হস্তক্ষেপ নকৰি বৰ ভাল কাম কৰিলা।" ভূষণে আগতেই নিজৰ পত্নীক কমল আৰু ধনীৰামৰ মাজৰ কাজিয়াখনৰ কথা কৈছিল।

– ***ৰাম নাৰায়ণ, ৰাঁচী***

মানুহৰ জন্ম

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া মগধদেশৰ এক দুখীয়া পৰিয়ালত বোধিসত্ত্বই জন্মগ্ৰহণ কৰিছিল আৰু বোধিসত্ত্বই ৰজাৰ প্ৰাসাদত এজন লিগিৰাৰ কাম কৰিছিল।

মগধ আৰু অংগদেশ আছিল চুবুৰীয়া ৰাজ্য। দুয়োখন দেশৰ মাজভাগত আছিল চম্পানদী। এই নৈৰ তলিত এখন নাগদেশ অৱস্থিত আছিল। এই নাগদেশৰ ৰজা আছিল চম্পেয়। মগধ আৰু অংগদেশৰ মাজত সঘনে যুদ্ধ হৈছিল।

এবাৰ দুয়োখন দেশৰ মাজত হোৱা যুদ্ধত মগধৰ ৰজা পৰাজিত হ'ল। বন্দী হোৱাৰ আগতে ৰজাই অশ্বৰ পিঠিত উঠি চম্পানদীৰ তীৰলৈ আহি ভাবিলে: শত্ৰুৰ হাতত বন্দী হোৱাতকৈ আত্মঘাতী হোৱা ভাল। এই কথা ভাবি অশ্বাৰূঢ় অৱস্থাতে নৈৰ গভীৰ পানীত নামিলগৈ আৰু চাওঁতে চাওঁতে অশ্বটোৰে সৈতে চম্পানৈৰ পানীত ডুবি তেওঁ নাগদেশ পালেগৈ। নাগৰাজে মগধৰাজলৈ যথোচিত সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰিলে আৰু মগধৰ ৰজাৰ পৰা সকলো বৃত্তান্ত ধৈৰ্য্য সহকাৰে শুনিলে।

নাগৰাজে মগধৰাজক প্ৰয়োজনীয় অভয় দান কৰি ক'লে, "ঘটি যোৱা ঘটনাৰ কাৰণে দুখ নকৰিবা। আকৌ কেতিয়াবা অংগৰাজৰ বিৰুদ্ধে যুদ্ধ কৰিবলগা হয় যদি--মই আপোনাক মোৰ সামৰ্থই আ[illegible]ন সহায় কৰিম।"

কিছুকালৰ পাছত মগধৰাজে অংগৰাজৰ বিৰুদ্ধে পুনৰ যুদ্ধৰ আয়োজন কৰিলে। ইতিমধ্যে দি থোৱা প্ৰতিশ্ৰুতি অনুসাৰে নাগৰাজে মগধৰাজলৈ সহায় আগবঢ়ালে। সেই যুদ্ধত মগধৰাজৰ হাতত অংগৰাজৰ মৃত্যু হ'ল।

এই যুদ্ধৰ পাছৰপৰা মগধৰ ৰজা অংগ-ৰাজ্যৰো ৰজা হ'ল। আৰু যুদ্ধত কৰা সহায়ৰ

'জাতক-কাহিনী'

বাবে নাগৰাজৰ সৈতে মগধৰাজৰ বন্ধুত্ব অধিক গভীৰ হ'ল।

এবাৰ মগধৰাজ সপৰিয়ালে চম্পানদীৰ তীৰলৈ গ'ল। মগধৰাজে নাগৰাজক উপহাৰ দিবলৈ কিছুমান মূল্যৱান বস্তু লগত লৈ গ'ল। বন্ধুৰ আগমনৰ বাৰ্তা শুনি নাগৰাজ চম্পা নদীৰ তলদেশৰপৰা উঠি আহি সানন্দে উপহাৰ গ্ৰহণ কৰিলে।

এনেবোৰ দিয়া নিয়াৰ ঘটনা প্ৰায়েই ঘটিছিল। বন্ধুত্বৰ চিন স্বৰূপে মগধৰাজে নাগৰাজক আৰু নাগৰাজেও মগধৰাজক উপহাৰ দিছিল।

বোধিসত্ত্বই মগধৰাজৰ লিগিৰা হিচাপে কাম কৰিছিল। মাজতে এবাৰ মগধৰাজৰ সৈতে নাগৰাজৰ প্ৰাসাদলৈ গৈ, নাগৰাজৰ অগাধ সম্পদ দেখি বোধিসত্ত্ব হতবাক হ'ল। মৃত্যুৰ পূৰ্ব মুহূৰ্ততলৈকো বোধিসত্ত্বই নাগৰাজৰ এই অভাৱনীয় বৈভৱৰ দৃশ্য পাহৰিব পৰা নাছিল। সেইবাবে, নাগৰাজৰ মৃত্যুৰ লগে লগে বোধিসত্ত্বৰো মৃত্যু হ'ল আৰু তেওঁ, অৰ্থাৎ বোধিসত্ত্বই নাগৰাজৰূপে জন্মগ্ৰহণ কৰিলে।

পূৰ্বজন্মৰ পুণ্যকৰ্মৰ ফলস্বৰূপে পূৰ্বজন্মৰ সকলো কথা বোধিসত্ত্বৰ মনত পৰিছিল। নিজৰ দেহ সাপৰ দৰে হোৱাত তেওঁ মুঠেই ভাল নাপালে। তেওঁ ভাবিলে: নাগৰাজৰ সম্পদৰ লোভৰ ফলতহে মোৰ এনেকুৱা এক কদাকাৰ জন্ম হ'ল। তেওঁ সৰ্পজীৱনৰ পৰা মুক্তি পাবলৈ মৃত্যুবৰণ কৰাটোকে স্থিৰ কৰিলে।

সৰ্পৰূপী বোধিসত্ত্বই যেতিয়া আত্মহত্যা কৰাটোক স্থিৰ কৰিলে, তেতিয়া এগৰাকী নাগকন্যাই তেওঁৰ সখীয়েকহঁতৰ সৈতে বোধিসত্ত্বৰ ওচৰলৈ আহিল আৰু বোধিসত্ত্বক প্ৰণাম কৰিলে। এই নাগকন্যাৰ নাম আছিল সুমন।

কিছুদিনৰ ভিতৰত সুমনৰ সৈতে নাগৰাজৰ সম্পৰ্ক গভীৰ হ'ল, আৰু ইয়াৰ পৰিণতিত আত্মহত্যাৰ সংকল্প পৰিত্যাগ কৰি নাগৰাজৰূপী বোধিসত্ত্বই সুমনক বিবাহ কৰাই সুখেৰে জীৱনযাপন কৰি থাকিল।

কিছুকালৰ অন্তত, নিষ্ঠাৰে সৈতে পূজা আৰু দান ধৰ্মাদি কৰি নাগৰজাই পুণ্য অৰ্জনলৈ মন মেলিলে। কিন্তু এইবোৰ কৰিবলৈ হ'লে মানৱ জন্মৰ প্ৰয়োজন। পিছে সৰ্পজীৱন অক্ষুন্ন থকালৈকে মানৱ জন্ম সম্ভৱ নহয়। সেয়েহে তেওঁ যেনেকৈয়েই নহওক সৰ্পজীৱনৰ পৰিসমাপ্তি ঘটাবলৈ কৃতসংকল্প

হ'ল। তেওঁ ভাবিলে: চম্পানৈৰ তীৰত থকা হাঁফলুটোৰ ওপৰত মই দীঘল দি পৰি থাকিম। তেতিয়া কোনোবা এটা শেনচৰায়ে নিশ্চয় মোক খাব। নহ'লেও কোনোবা মানুহে মোক মাৰি পেলাব। তথাপিও মুক্তি পাম।--এই কথা ভাবি তেওঁ সেই হাঁফলুটোৰ ওপৰত লেটি খাই পৰি থাকিল।

কিন্তু ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। নাগৰাজে ভবামতে ঘটনা নঘটিল। বৰঞ্চ মানুহে তেওঁক ফল ফুল গাখীৰ কল আদিৰে পূজা দিবলৈ ধৰিলে। চাওঁতে চাওঁতে মানুহে তাত মন্দিৰ নিৰ্মাণ কৰি পেলালে। মন্দিৰত সদায় মানুহৰ খদমদম লাগি থাকিল। নাগৰাজে যেতিয়া গমিলে যে ইয়াত তেওঁৰ ইচ্ছাপূৰণৰ সম্ভৱনা নাই, তেতিয়া তেওঁ কিছুদিনলৈ নাগলোকত আৰু কিছুদিনলৈ এই মন্দিৰত কটাবলৈ ধৰিলে।

এদিন সুমনে ক'লে, "তুমি যে প্ৰায়েই মানৱলোকলৈ গৈছা, তাত যদি কিবা এটা ঘটে--মই গম পাম কেনেকৈ?"

সুমনৰ কথা শুনি, অলপ ভাবি লৈ, নাগৰাজে সুমনক এটা জলাশয়ৰ ওচৰলৈ লৈ গ'ল আৰু ক'লে, "চোৱাঁ, সেই কথা তুমি জনাৰ উপায়টো কম। মোৰ গাত কিবা আঘাত লাগিলে এই জলাশয়ৰ জল ঘোলা হৈ উঠিব। মোক যদি শেন চৰায়ে লৈ যায়--এই জলাশয় শুকাই যাব। আৰু মোক যদি কোনোবা তান্ত্ৰিক নাইবা সাপধৰা মানুহে লৈ যায়--তেনেহ'লে এই জলাশয়ৰ জল একেবাৰে তেজৰ দৰে ৰঙা হৈ পৰিব।"

কাশীৰ এজন ব্ৰাহ্মণ যুৱকে বশীকৰণ

বিদ্যাৰ শিক্ষা লৈ তক্ষশীলাৰপৰা নিজ দেশলৈ গৈ থাকোঁতে এই মন্দিৰ দৰ্শন কৰিবলৈ আহিল আৰু মন্দিৰৰ ভিতৰত সুদৃশ্য এই সাপটোক দেখি মন্ত্ৰ মাতি সাপটোক ধৰি আনি পাচিৰ ভিতৰত সুমুৱাই ল'লে। তাৰ পাছত সেই ব্ৰাহ্মণ যুৱকে এই দীৰ্ঘদেহী সুন্দৰ আৰু বিচিত্ৰ সাপটোক কাশীলৈ লৈ গ'ল। কাশীৰ বিভিন্ন ঠাইত খেলা দেখুৱাই ঢেৰ ধন অৰ্জিবলৈ ধৰিলে। তেতিয়া সাপৰূপী বোধিসত্ত্বই ভাবিলে: মন্দিৰৰ বন্দীত্বৰপৰা মুক্তি লাভ কৰি মোৰ একো লাভ নহ'ল, মই এই লোভী ব্ৰাহ্মণ যুৱকৰ হাতত বন্দী হ'লোঁ। গতিকে--মই অনশন কৰি মৃত্যুবৰণ কৰিম।" এই কথা ভাবি তেওঁ একেৰাহে এমাহলৈ লঘোনে কটালে।

ইপিনে--এমাহতকৈয়ো অধিক দিন ধৰি নাগৰাজৰ একো সংবাদ নাপাই সুমন সেই

জলাশয়ৰ ওচৰলৈ গ'ল। তাত গৈ জলাশয়ৰ জল তেজৰঙা হোৱা দেখা পাই সুমনে ভাবিলে: মোৰ স্বামীক নিশ্চয় কোনোবা সাপধৰাই ধৰি লৈ গ'ল।

নাগৰাজক বিচাৰি সুমন ওলাল। গৈ গৈ সুমন কাশী পালেগৈ। কাশী পাই, এগৰাকী তৰুণীৰ ৰূপ ধাৰণ কৰি সুমনে বিভিন্ন ঠাইত ঘূৰি ফুৰিবলৈ ধৰিলে।

এদিন এঠাইত সাপৰ খেলা অনুষ্ঠিত হোৱা দেখি সুমনো তাত ৰ'ল আৰু লাহে লাহে ভিৰ ফালি আগশাৰীত থিয় দিলেগৈ। এই ঠাইত দৰ্শসসকলৰ মাজত কাশীৰ ৰজাও বহি আছিল। সৰ্পৰূপী বোধিসত্ত্বই হঠাৎ তাত সুমনক দেখা পাই লাজতে কোঁচ খাই গ'ল আৰু পাছ মুহূৰ্তত এজন যুৱকৰ ৰূপ ধাৰণ কৰিলে।

তৰুণীৰূপী সুমন কাশীৰাজৰ কাষ চাপিলে আৰু তেওঁক ক'লেগৈ, "মহাৰাজ, আপোনাৰ ওচৰত মই মোৰ পতি ভিক্ষা প্ৰাৰ্থনা কৰিছোঁ। আপুনি অনুগ্ৰহ কৰি মোৰ স্বামীক প্ৰত্যাৰ্পণ কৰক।"

কাশীৰাজে সুমনৰপৰা সকলো বৃত্তান্ত আনুপূৰ্বিক শুনি আচৰিত হ'ল আৰু নাগ-দম্পতিক ৰাজকীয় অতিথি হিচাপে তাত সাত দিন থাকিবলৈ অনুৰোধ কৰিলে। তাৰ পাছত কাশীৰ ৰজায়ো নাগদম্পতিৰ সৈতে এদিন নাগলোকলৈ গ'ল।

নাগলোকৰ অগাধ সম্পদ দেখি কাশীৰ ৰজাই তৱধ মানিলে আৰু নাগৰাজক সুধিলে, "ইমান ঐশ্বৰ্য থকা সত্ত্বেও আপুনি সৰ্পৰূপে মৰ্ত্যভূমিলৈ গৈছিল কিয় ক'বনে? বহুত চিন্তা কৰিও মই আপোনাৰ উদ্দেশ্য ধৰিব পৰা নাই বুলিহে কথাষাৰ সুধিছোঁ, বেয়া নাপাব।"

"হে কাশীৰাজ, ইয়াত যিমানেই ঐশ্বৰ্য্য নাথাকক, মনুষ্যজীৱন অধিক আকৰ্ষণীয়। মনুষ্যজীৱনৰ আকৰ্ষণ হেতুকে মই অপমৃত্যুৰ বাবে এক অতি অদ্ভুত সিদ্ধান্ত গ্ৰহণ তথা চেষ্টা কৰিছিলোঁ।" নাগৰাজৰূপী বোধিসত্ত্বই কাশীৰ ৰজাক বিস্তাৰিতভাৱে বুজাই ক'লে।

নাগৰাজই কিয় যে মৰ্ত্যভূমিলৈ গৈছিল--তেতিয়াহে কাশীৰ ৰজাই বুজি পোৱা হ'ল। নাগলোকত কিছুদিনলৈ বসবাস কৰাৰ অন্তত অসংখ্য মূল্যৱান উপহাৰ লগত লৈ কাশীৰাজ পুনৰ কাশীলৈ উভতি গ'ল।

ৰামায়ণ

সুগ্ৰীৱৰ কথা শুনি ৰামে ক'লে, "তোমালোক দুয়ো ভ্ৰাতৃৰ মাজত বৈৰীভাব কিয়, মই জানিব খোজো আৰু তোমালোক দুয়োৰে শক্তিৰ বিষয়ে জনাৰ পাছতহে মই তোমাৰ সুখৰ পথ বিচাৰিব পাৰো। আমি দুয়ো এতিয়া মিত্ৰ। অগ্নিক সাক্ষী কৰি আমি মৈত্ৰী স্বীকাৰ কৰিছো। মই সকলো অৱস্থাতে, প্ৰতিটো সুখ আৰু দুখতে তোমাৰ লগত আছো। তুমি তোমালোক দুয়ো ভ্ৰাতৃৰ মাজত হোৱা মতবিৰোধৰ কাৰণ মোক কোৱা। লগতে তেওঁৰ শক্তি কিমান, তেওঁৰ এনে কি সামৰ্থ আছে যাৰ ভয়ত তুমি পলাই থাকিবলগীয়া হৈছে সেই কথাও স্পষ্টকৈ কোৱা। তাৰপিছত মই যি কৰিব পাৰো, সেই সকলোখিনি কৰিম।"

সুগ্ৰীৱে ক'বলৈ ধৰিলে, "মই আৰু মোৰ পিতাই বালীক বৰ আদৰৰ দৃষ্টিৰে চাইছিলো। পিতাৰ মৃত্যুৰ পাছত জ্যেষ্ঠ সন্তান হিচাপে বালীয়ে ৰাজ্য লাভ কৰে। দুন্দভিৰ পুত্ৰ মায়াবী নামৰ ৰাক্ষস বৰ পৰাক্ৰমী আছিল। এগৰাকী স্ত্ৰীক লৈ বালী আৰু মায়াবীৰ মাজত কাজিয়া হৈছিল। এদিন মাজনিশাৰ সময়ত মায়াবী কিষ্কিন্ধাৰ প্ৰৱেশদ্বাৰৰ ওচৰলৈ আহিল। সি গৰজি বালীক যুদ্ধলৈ আহ্বান কৰিলে। বালী উঠিল আৰু মায়াবীৰ অহংকাৰ দূৰ কৰিবলৈ বাহিৰ ওলাল। মই আৰু মোৰ পত্নীয়ে বহুত বুজালো, কিন্তু বালী নোযোৱাকৈ নাথাকিল। তেওঁ অকলে যোৱা দেখি ময়ো লগতে যাবলৈ ঠিক কৰিলো। মায়াবীয়ে দাদাক দেখিয়েই ভয়তে পলাবলৈ ধৰিলে। আমি তাক পাছে পাছে খেদি গ'লো। তেনেতে চন্দ্ৰোদয় হ'ল। আমাৰ লগত নিজৰ দূৰত্ব কমি

কিষ্কিন্ধা কাণ্ড-২

অহা দেখি মায়াবীয়ে ভয়তে এটা গুহাত প্ৰবেশ কৰিলে। সেই গুহাৰ সমুখত ডাঙৰ ডাঙৰ ঘাঁহ আছিল। তাৰ ভিতৰলৈ যোৱাটো বেচ কঠিন কাম আছিল।

"বালীয়ে ক'লে যে তেওঁ মায়াবীক ভিতৰলৈ গৈ মাৰি থৈ আহিব। তেওঁ মোক বাহিৰত থিয় হৈ থাকিবলৈ ক'লে। মই ক'লো যে ময়ো লগতে যাওঁ, কিন্তু তেওঁ মোৰ কথা নুশুনিলে। তেওঁ সেই গুহাত প্ৰবেশ কৰিলে।

"মই মোৰ দাদালৈ অপেক্ষা কৰি পূৰা এবছৰ তাত থিয় হৈ থাকিলো। মোৰ আশংকা হ'ল যে বালীয়ে নিশ্চয় ক'ৰবাত প্ৰাণ দিবলগীয়া হৈছে। মোৰ ভয় আৰু বাঢ়িল যেতিয়া মই দেখিলো যে গুহাৰপৰা তেজৰ সোঁত ব'বলৈ আৰম্ভ হৈছে। কান্দোনৰ শব্দও শুনিবলৈ পালো। বালী মৰিল বুলি জানি মই বৰ দুখ পালো। মই গুহাৰ দুৱাৰমুখত এটা ডাঙৰ পাথৰ থৈ দিলো আৰু বালীক শ্ৰদ্ধাৰ্ঘ তৰ্পণ কৰি কিষ্কিন্ধালৈ ঘূৰি আহিলো।

"বালীৰ মৃত্যুৰ বিষয়ে মই কাকো একো নকলো। কিন্তু মন্ত্ৰীসকলে নিজৰ মাজতে আলোচনা কৰি মোৰ অভিষেক সম্পন্ন কৰিলে। যেতিয়া মই ৰাজত্ব কৰি আছিলো, বালীয়ে মায়াবীক মাৰি ঘূৰি আহে।

"মই ৰজা হোৱা বুলি শুনি বালীৰ ভীষণ খং উঠিল। মন্ত্ৰীসকলক তেওঁ কাৰাগাৰত নিক্ষেপ কৰিলে। মোকো বহুত গালি শপনি দিলে আৰু তিৰস্কাৰ কৰিলে। মই সবিনয়ে আৰু সাদৰে তেওঁক নমস্কাৰ কৰিলো কিন্তু তেওঁ মোক আশীৰ্বাদ নিদিলে। মই মোৰ মুকুট তেওঁৰ চৰণত অৰ্পণ কৰিলো। কিন্তু তেওঁৰ ক্ৰোধ শান্ত নহ'ল। মই তেওঁক ৰাজত্ব কৰিবলৈ প্ৰাৰ্থনা কৰিলো। গুহাৰ ওচৰত মই যি দেখিছিলো আৰু শুনিছিলো তেওঁক জনালো। গুহাৰ দুৱাৰমুখত কিয় মই ডাঙৰ পাথৰ ৰাখি থৈ আহিছিলো তাকো ক'লো। মই ক'লো যে মোৰ কোনো ৰাজ্যলোভ নাই। ৰাজ্যৰ কল্যাণৰ নিমিত্তে মন্ত্ৰীসকলেই মোক মুকুট পিন্ধাইছিল। তোমাৰ অনুপস্থিতিত মই ৰাজত্ব কৰিছিলো, এতিয়া মই তোমাৰ যুৱৰাজ হৈ কাম কৰিম। মোৰ ওপৰত খঙ নকৰিবা আৰু মোক ক্ষমা কৰিবলৈ তেওঁক মই কাতৰ অনুৰোধ জনালো।

"কিন্তু বালীয়ে মোৰ কথা নুশুনিলে। তেওঁৰ প্ৰিয় মন্ত্ৰীসকলৰ সমুখতে মোক গালি দিলে। তেওঁ গুহাত প্ৰবেশ কৰাৰ পাছত তেওঁ হেনো মায়াবীক দেখাই পোৱা নাছিল। তাৰপিছত তেওঁ মায়াবী আৰু মায়াবীৰ বন্ধুহঁতক নিধন কৰিলে। যেতিয়া তেজৰ

সোঁত ব'বলৈ ধৰিলে আৰু যেতিয়া তেওঁ তাৰ দুৰ্গন্ধ সহ্য কৰিব নোৱাৰিলে তেতিয়া তেওঁ দুৱাৰমুখলৈ আহি মোক মাতিছিল। মই তেওঁৰ প্ৰতীক্ষা কৰা নাছিলো। তেওঁক গুহাত বন্দী কৰি থ'বলৈ মই জানি শুনি দুৱাৰমুখত ডাঙৰ পাথৰ থৈ আহিছিলো। এই ধৰণৰ অভিযোগ আনি তেওঁ মোক কিষ্কিন্ধাৰপৰা বাহিৰ কৰি দিলে আৰু মোৰ স্ত্ৰীক অপহৰণ কৰিলে।

"তেওঁৰ এই সন্দেহ হ'ল যে মই ৰাজ্যৰ লোভতে জানিশুনি গুহাৰ দ্বাৰ বন্ধ কৰি দিছিলো। কিন্তু এই কথা সঁচা নহয়। মোৰ মনত কোনো স্বাৰ্থ নাছিল বা এতিয়াও নাই। কিন্তু তেওঁৰ বিশ্বাস নহ'ল। তাতে মোৰ পত্নীক অপহৰণ কৰি নিয়াটোও ঘোৰ অন্যায় কথা হৈছে।

দাদাই খেদি দিয়াৰ পাছত মই ইফালে সিফালে প্ৰাণ লৈ পলাই ফুৰিলো। শেষত মই ঋষ্যমূক পৰ্বতত থকাৰ সুযোগ পালো। এটা কাৰণত তেওঁ ইয়ালৈ আহিব নোৱাৰে। মোৰ কোনো দোষ নথকা সত্ত্বেও মই এনেকৈ কষ্ট সহিবলগীয়া হৈছে। মোৰ কষ্ট আপুনিয়েই দূৰ কৰিব লাগিব।

"এতিয়া মই বালীৰ শক্তিৰ বিষয়ে কম। তেওঁ হ'ল অসাধাৰণ শক্তিৰ অধিকাৰী। সূৰ্যোদয়ৰ আগতেই, তেওঁ চাৰিও দিশত থকা সমুদ্ৰ অনায়াসে অতিক্ৰম কৰিব পাৰে। পৰ্বতৰ শিখৰত আৰোহণ কৰি তেওঁ বিশাল শিলাখণ্ড সৰু এটা বলৰ দৰে দাঙি ল'ব পাৰে। গছৰ ডাঙৰ ডাঙৰ ডাল তেওঁ অনায়াসে ভাঙি পেলাব পাৰে।

"তেওঁৰ শাৰীৰিক বল আপুনি যাতে অনুমান কৰিব পাৰে তাৰ বাবে এটা কাহিনী



ক'ব খুজিছো। ম'হৰ ৰূপত থকা দুন্দভি নামৰ এটা অতি বলৱান ৰাক্ষস আছিল। তাৰ হাজাৰ হাজাৰ হাতীৰ সমান বল আছিল। নিজৰ বলৰ অহংকাৰত সি এবাৰ সমুদ্ৰক যুদ্ধলৈ আহ্বান কৰিছিল। সমুদ্ৰই মানৱৰ ৰূপ ধৰি আহি ক'লে, "তোমাৰ দৰে প্ৰবীণ যোদ্ধাৰ লগত যুদ্ধ কৰাৰ শক্তি মোৰ নাই। এই শক্তি আছে কেৱল গিৰিৰাজ হিমালয়ৰ। তুমি তেওঁৰ সৈতে যুদ্ধ কৰাগৈ।"

"দুন্দভি হিমালয়ৰ ওচৰলৈ গ'ল। নিজৰ শিঙেৰে ডাঙৰ ডাঙৰ গছ ওঘালি সি প্ৰচণ্ড চিঞৰ মাৰি হিমালয়ক যুদ্ধৰ বাবে আহ্বান কৰিলে।" ভাই, মই তোমাৰ সৈতে যুদ্ধ কৰিব নোৱাৰো; মোক কিয় আমনি কৰিছা? বিশ্ব কল্যাণৰ নিমিত্তে কিমান যোগী ইয়াত সাধনাৰত। এইখন শান্তিৰ ৰাজ্য। তোমাৰ সৈতে যুদ্ধ কৰাৰ বল মোৰ আছে যদিও

অন্তেষপুৰৰ স্ত্ৰীসকলৰ লগত বালী বাহিৰলৈ ওলাই আহিল। বালীয়ে দুন্দভিক ক'লে, "আৰে মই তোমাক নাজানো। কিয় চিঞৰিছা? তোমাৰ জীৱনৰ প্ৰতি কোনো মায়া নাই নেকি?" ক্ৰোধান্বিত দুন্দভিয়ে ক'লে, "হেৰা, স্ত্ৰীৰ সমুখত বীৰ ওলাবলৈ আহিছা। মোৰ সৈতে যুদ্ধ কৰা। এতিয়া যুদ্ধ কৰিব নোৱৰা যদি, ৰাতিটো আৰাম কৰা, নিজৰ বানৰসকলক কি কি দিবলৈ আছে দিয়া। তোমাৰ ঠাইত এজন নতুন ৰজা বাচনি কৰা। শেষবাৰলৈ গোটেই কিষ্কিন্ধা চাই, কাইলৈ পুৱাই যুদ্ধলৈ আহিবা।"

বালীয়ে দুন্দভিৰ ফালে চাই হাঁহিবলৈ ধৰিলে। তাৰা আদি অন্তেষপুৰৰ স্ত্ৰীসকলক পঠিয়াই, ইন্দ্ৰই দিয়া সোণৰ মালা পিন্ধি, যুদ্ধৰ বাবে ওলাই আহিল। দুয়োৰে মাজত ভয়ংকৰ যুদ্ধ হ'ল। প্ৰথমতেই বালীয়ে দুন্দভিৰ শিঙত ধৰি তাক ঘূৰাই ঘূৰাই মাটিত পেলাই দিলে। লাহে লাহে বালীৰ বল বাঢ়ি গ'ল আৰু দুন্দভিৰ বল কমি আহিল। বালীক ব্ৰহ্মাই এই বৰ দিছিল যে যাৰে সৈতে বালী সমুখ সমৰত অৱতীৰ্ণ হয়, তেওঁৰ আধা বল বালীৰ শৰীৰত প্ৰৱেশ কৰিব। এইদৰে তেওঁ শত্ৰুতকৈ সদায় অধিক শক্তিশালী হৈ থাকিব আৰু অপৰাজেয় হৈ থাকিব। শেষত বালীয়ে দুন্দভিক ওপৰলৈ উঠাই মাটিত থেকেচা মাৰি নিধন কৰিলে। তাৰপাছত দুন্দভিৰ মৃতদেহ তেওঁ কেব্‌কোশ দূৰলৈ দলিয়াই দিলে। সেই মৃতদেহৰপৰা ওলোৱা তেজৰ টোপাল মহামুনি মাতংগৰ আশ্ৰমত গৈ পৰিলগৈ। তেজৰ টোপাল দেখি মাতংগ ক্ৰুদ্ধ হ'ল আৰু আশ্ৰমৰ পৰা বাহিৰ ওলাই আহিল। মৃতদেহটো দেখি তেওঁ

অনাহকতে মই তোমাৰ লগত যুদ্ধ কৰো কিয়। যদি তোমাৰ বল প্ৰদৰ্শনৰ ইমানেই হাবিয়াস হৈছে তেন্তে তুমি কিষ্কিন্ধালৈ যোৱা। তাতে বালী নামৰ এজন মহাবীৰ বানৰ ৰজা আছে। তেওঁ তোমাতকৈয়ো বলৱান আৰু ডাঙৰ যোদ্ধা। তেওঁ তোমাৰ ইচ্ছা পূৰণ কৰিব।" হিমালয়ে ক'লে।

দুন্দভি কিষ্কিন্ধালৈ গ'ল। নিজৰ ভৰিৰ খুৰাৰে সি মাটি খান্দিবলৈ ধৰিলে। ডাঙৰ ডাঙৰ শিলাখণ্ড নিজৰ শিঙেৰে ওপৰলৈ দলিয়াই সি গৰজি উঠিল, "কোন এই বালী, ক'ত আছে বালী? মোতকৈ বলৱান ওলাবলৈ আহিছে। ওলাই আহ বনৰ, ক'ত লুকাই আছে? চাওঁ তোৰ কিমান বল আছে? আজি তোৰ যুদ্ধলিপ্সা শান্ত হ'ব আৰু তোৰ বলৰ মিথ্যা দম্ভ ধূলিস্যাৎ হ'ব।" তাৰ এই দম্ভালি বালীয়ে সহ্য কৰিব নোৱাৰিলে।

অভিশাপ দিলে, "এই ৰাক্ষসৰ মৃতদেহ যিয়েই ইয়াত পেলাইছে, তেওঁৰ বা তেওঁৰ অনুচৰ এই বনলৈ আহিলেই মৃত্যুক সাবটি ল'ব লাগিব।"

"মাতংগ মহামুনিৰ অভিশাপৰ কথা শুনি, বালীৰ অনুচৰ ভয়তে পলাই গ'ল আৰু বালীক এই কথা জনালেগৈ। তেওঁলোকে লগলাগি, এই অভিশাপ উঠাই ল'বলৈ মহামুনিক প্ৰাৰ্থনা জনালে। কিন্তু তেওঁ উঠাই নল'লে। তেতিয়াৰেপৰা বালী ঋষ্যমূক পৰ্বতৰ ফালে নাহে। এই কথা জানিব পাৰি মই আৰু মোৰ মন্ত্ৰী ইয়ালৈ আহি থাকিবলৈ লৈছো। সৌ যে টিলাৰ দূৰে দেখিছে, সেইটোৱেই দুন্দভিৰ মৃতদেহ।

বালীৰ বলৰ আৰু এটা উদাহৰণ দিওঁ, সৌ যে সাতজোপা চগুণ বৃক্ষ দেখিছে, আটাইকেউজোপা গছ বালীৰ একেডাল বাণতে মৰি যাব। ইমান শক্তিশালী বীৰ এজনক আপুনি কেনেকৈ বধ কৰিব?"

সুগ্ৰীৱৰ কথা শুনি লক্ষ্মণে হাঁহি মাৰি ক'লে, "ৰামে কি কৰিলেনো তেওঁৰ শক্তিৰ ওপৰত তোমাৰ বিশ্বাস হ'ব?"

সুগ্ৰীৱে লক্ষ্মণক ক'লে, "মই বালীৰ পৰাক্ৰমৰ কথা জানো। তেওঁ কেতিয়াও কাৰো ওচৰত পৰাজয় স্বীকাৰ কৰা নাই। সেয়েহে মই ইয়াত লুকাই আছোহি। মই তো ৰামৰ পৰাক্ৰমৰ কথা নাজানো।

ৰাম দুন্দভিৰ মৃতদেহৰ ওচৰলৈ গ'ল। নিজৰ ভৰিৰ আঙুলিৰে মৃতদেহটো ওপৰলৈ উঠাই দহকোশ দূৰলৈ দলিয়াই দিলে।

তাকে দেখি সুগ্ৰীৱে ক'লে, "ৰাম, যেতিয়া বালীয়ে কেইকোশমান দূৰলৈ এই



মৃতদেহটো দলিয়াই দিছিল, তেতিয়া তেওঁ যুদ্ধ কৰি বহুত ভাগৰি গৈছিল। তাতে সেই সময়ত মৃতদেহটো বহুত গধুৰ আছিল। এতিয়া শুকোৱাৰ পাছত ই বহুত পাতল হৈ গ'ল। গতিকে এতিয়াও মই বালী আৰু আপোনাৰ মাজত থকা পাৰ্থক্য স্পষ্টকৈ ধৰিব পৰা নাই। যদি আপুনি এই সাতজোপা চগুণ গছ একেলগে শানি পেলোৱাকৈ এডাল কাড় মাৰিব পাৰে তেন্তে মই পতিয়ন যাম।"

ৰামে বাণ এৰিলে। বাণে সাতজোপা গছ ভেদ কৰি পাহাৰত গৈ পৰিলগৈ। বাণ আকৌ ৰামৰ ওচৰলৈকে ঘুৰি আহিল।

তাকে দেখি সুগ্ৰীৱৰ মূৰ ঘূৰাই গ'ল। "ৰাম, স্বয়ং ইন্দ্ৰয়ো আপোনাৰ সৈতে যুদ্ধ কৰি টিকি থাকিব নোৱাৰিব। আপোনাৰ দৰে এজন মিত্ৰ লাভ কৰাটো মোৰেই সৌভাগ্য। মোৰ শত্ৰু বালীক আপুনি এতিয়াই নিধন কৰক। "তেওঁ ৰামক সাষ্টাংগে প্ৰণাম কৰিলে। ৰামে সুগ্ৰীৱক আলিংগন কৰি ক'লে, "ব'লা, এতিয়াই কিষ্কিন্ধালৈ যাঁও। তুমি আমাতকৈ আগতে গৈ বালীক যুদ্ধৰ বাবে আমন্ত্ৰণ কৰাগৈ।

ৰাম, লক্ষ্মণ, সুগ্ৰীৱ আদি কিষ্কিন্ধালৈ গ'লে। বাকী সকলো গছৰ আঁৰত লুকাই থাকিল। সুগ্ৰীৱই ইমান ডাঙৰকৈ গৰ্জন কৰিলে যে সেই গৰ্জন বালীৰ কাণত পৰিল।

ভায়েকৰ গৰ্জন শুনি খঙত একোনাই হৈ বালী আহিল। দুয়ো ভ্ৰাতৃৰ মাজত তয়াময়া ৰণ হ'ল। ৰামে ধনু হাতত লৈ, ঠাইতে থিয় হৈ ভাবি থাকিল যে কোনজন বালী আৰু কোনজন সুগ্ৰীৱ। ৰামে বালীক চিনি নাপালে, কাৰণ দুয়োকে একে সমান দেখা গৈছিল।

এইখিনি সময়ৰ ভিতৰতে সুগ্ৰীৱৰ ওপৰত এনে প্ৰহাৰ পৰিল যে ৰামক নেদেখি সুগ্ৰীৱ, পলাবলৈ বাধ্য হ'ল। কোনোমতে প্ৰাণ লৈ সুগ্ৰীৱ ঋষ্যমূক পৰ্বত পালেগৈ। "যা, আজিলৈ বাচি গলি।" বুলি কৈ বালী ঘূৰি আহিল।

ইয়াৰ পাছত ৰাম, লক্ষ্মণ আৰু হনুমান ঋষ্যমূক পৰ্বতলৈ আহিল। সুগ্ৰীৱে ৰামক দেখি মূৰ দোঁৱাই ক'লে, "এয়া আপুনি কি কৰিলে? মোক মাৰ খুৱাবলৈকে আপুনি মোক বালীৰ সৈতে যুদ্ধত প্ৰবৃত্ত কৰালে নেকি? বালীক বধ কৰিব নোৱাৰো বুলি আপুনি মোক আগতেই কৈ দিয়াহেঁতেন মই তালৈ নগ'লোৱেইহেঁতেন।"

মতবিৰোধ

আলিবাটত কুকুৰৰ ভুকভুকনি শুনি জানকীৰাম সাৰ পাই উঠিল। তেতিয়া মাজনিশা হৈছিল। কুকুৰেনো কেলৈ ভুকিছে জানিবৰ কাৰণে জানকীৰাম দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল। আন্ধাৰত এটা গাধ দেখি বাটৰ কুকুৰে ভুকিছিল। জানকীৰামে কুকুৰবোৰ খেদাই দিলে। যেতিয়া তেওঁ পুনৰ ভিতৰলৈ যাবলৈ ওলাল, তেতিয়া তেওঁৰ দৃষ্টি বাহিৰৰ বাৰান্দাত শুই থকা এক অচিনাক্তৰ ওপৰত পৰিল।

"কোন তুমি?" জানকীৰামে সুধিলে।

কিন্তু তেওঁ কোনো উত্তৰ নাপালে। জানকীৰামে মানুহটোৰ পিঠিত থপথপাই দিলে। মানুহটোৰ তীব্ৰ কঁপে জ্বৰ উঠিছিল।

জানকীৰামে ক'লে, "বাহিৰত ভীষণ ঠাণ্ডা পৰিছে। ভিতৰলৈ আহি শুই থাকা।"

বৰ কষ্টেৰে মানুহটো থিয় হ'ল আৰু হাত যোৰ কৰি জানকীৰামক প্ৰণাম কৰিলে। জানকীৰামে ধৰি ধৰি ভিতৰলৈ লৈ গ'ল। খাট পাৰি তেওঁক শুৱাই দিলে আৰু গাত কম্বল ভালকৈ জাপি দিলে। মানুহটো ততালিকে টোপনি গ'ল।

তাৰপাছত কোনোবাই দুৱাৰত জোৰেৰে ঢকিওৱাত জানকীৰাম সাৰপাই উঠিল। ইতিমধ্যে বেলি উঠিছিল। দুৱাৰত ঢকিয়াইছিল তেওঁৰ পত্নী ৰত্নাই। আগ ৰাতি তেওঁ নিজৰ সম্পৰ্কীয় এঘৰ মানুহৰ বিয়াত ভাগ ল'বলৈ গৈছিল আৰু ৰাতিপুৱাৰ লগে লগে ঘৰলৈ উভতি আহিছিল।

"আপুনি এতিয়ালৈকে শুই আছেনে? কেতিয়াবাই বেলি উঠিল।" এইবুলি কৈ ৰত্না ঘৰৰ ভিতৰলৈ আহিল।

খাটত কম্বল লৈ শুই থকা মানুহজনক দেখি ৰত্নাই জানকীৰামক সুধিলে, "কোনোবা আলহী আহিছে যেন পাওঁ। কোন তেওঁ?"

"মইয়ো নাজানো।" এইবুলি কৈ জানকী-

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী



ৰামে আগবাতিৰ গোটেই কথাখিনি তেওঁৰ পত্নী ৰত্নাক বিৱৰি ক'লে।

"আয়ৈ দেহি! মানুহজনক অলপ গৰম গাখীৰ খুৱাই দিলে তেওঁ গাটো ভাল পাব। তুমি তেওঁক জগাই হাত মুখ ধুবলৈ কোৱা।" এইবুলি কৈ ৰত্না পাকঘৰলৈ গ'ল। জানকীৰামে অচিনাক্ত মানুহজনক জগাবলৈ তেওঁৰ কপালত হাত থ'লে। কিন্তু তেওঁ আচৰিত হ'ল। কালি তীব্ৰ কপে জ্বৰ উঠা মানুহজনৰ গাটো এতিয়া বৰফৰ দৰে ঠাণ্ডা। "হে ভগৱান! এঁওৰতো মৃত্যু ঘটিছে।" ভয়তে তেওঁ চিঞৰি উঠিল।

ৰত্না পাকঘৰৰপৰা দৌৰি দৌৰি ওলাই আহিল। বিবুদ্ধিত পৰি তেওঁ ক'লে, "বেচেৰা মানুহজন মৰিল নেকি? এতিয়া কি কৰা যায়? তেওঁবা কোনখন গাঁৱৰ মানুহ আছিল?"

তাৰপাছত জানকীৰামে মানুহজনৰ কঁকালত হাত থ'লে। টকাৰ এটা টোপোলা তেওঁৰ হাতত লাগিল। টোপোলাটো খুলি আনি তেওঁ মাটিত লুটিয়াই দিলে। টকাৰ লগতে তাত এখন চিঠিও আছিল, "বোপা নাৰায়ণ! আমাৰ গাঁৱৰে এজন মানুহে ক'লে তোমাৰ হেনো জ্বৰ হৈছিল। এতিয়া তোমাৰ স্বাস্থ্য কেনে আছে? ইয়াত তোমাৰ ভাইটোৰ অৱস্থা বৰ ভাল নহয়! একেটা চিন্তাতে তেওঁৰ টোপনি নোহোৱা হৈছে যে জীয়েকৰ বিয়াৰ বাবে লগা টকা তিনি হাজাৰ তেওঁ গোটায় কেনেকৈ? বিয়া কৰিবলৈ ওলোৱা ল'ৰাটো বৰ ভাল। এই অৱস্থাত তোমালোকে পুৰণি মতবিৰোধ আৰু অভিমান পাহৰি যোৱা উচিত। ৰাধাৰ বিয়াত তুমি সহায় কৰিবই লাগিব। সেয়েহে এই চিঠিখন পোৱাৰ লগে লগে যদি তোমাৰ স্বাস্থ্য ভাল থাকে তেন্তে টকাখিনি লৈ সোনকালে আহিবা। এইফালে আমি ঘৰ সলনি কৰিছো। ঠিকনাটো তলত দিছো। তুমি চিঠিখন লগতে লৈ আনিলে নতুন ঘৰটো বিচাৰি উলিওৱাত তোমাৰ অসুবিধা নহ'ব।"

চিঠিখন পঢ়ি জানকীৰামে এতিয়া গোটেই কাহিনীটো বুজি পালে। তেওঁ পত্নীক ক'লে, "বেচেৰাই নিজৰ ভতিজীৰ বিয়াৰ কামত অহাকৈ টকা লৈ ওলাই আহিছিল আৰু বাটতে তেওঁৰ মৃত্যু হ'ল। এটা কথা ভাল হ'ল যে চিঠিখন তেওঁ লগত আনিছিল। অন্ততঃ আমি তেওঁৰ ভায়েকৰ ঘৰৰ ঠিকনাটো পালো।"

এখন গাড়ী ভাড়ালৈ লৈ জানকীৰামে নাৰায়ণৰ ভায়েকৰ গাঁও অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। ঘৰটো উলিয়াবলৈ তেওঁৰ বিশেষ অসুবিধা নহ'ল। কিন্তু ঘৰৰ দুৱাৰমুখত ভৰি ৰাখোতেই ভিতৰৰ পৰা অহা কথাবোৰ শুনি তেওঁ ঠাইতে ঠেৰেঙা লাগিল।

“মা, টকা নাপালো। মই দৰাৰ দেউতাকক বুজাম তেওঁ যেন বেলেগ মিতিৰ বিচাৰে।” জানকীৰামে ভাবিলে এই কথা কোৱা মানুহজনেই নিশ্চয় মৃতকৰ ভায়েক হ’ব।

“বোপাই, এয়া তুমি কি কৈছা? এনে সম্পৰ্ক দুনাই নাহে। টকা যোগাৰ নহ’ল বুলিয়েই তুমি এই সম্পৰ্ক ভাঙি দিবানে? মই তোমাৰ ককাইদেউলৈ টকা বিচাৰি চিঠি লিখিছো। তেওঁ নিশ্চয় সময়মতে আহিব।” মাকে পুতেকক বুজালে।

“মা, তুমি মোক নোকোৱাকৈ ককাই-দেউলৈ কিয় চিঠি লিখিলা? ককাইদেউৰ পইচা মই হাতেৰে নুচুম। সেই ধনেৰে মই মোৰ ছোৱালীৰ বিয়া পাতিব নোখোজো।” ভায়েকে ক’লে।

“হেৰ’ বোপাই, সৰু কথা এটা লৈ হোৱা মতবিৰোধৰ বাবেই তোমালোক দুয়ো ককাই ভায়ে আজি ইমানদিনে ইজনে সিজনৰ মুখ নোচোৱাকৈ আছা। মই ভাবিছিলো ৰাধাৰ বিয়াৰ অজুহাততে তোমালোক দুয়ো পুনৰ এক হ’ব পাৰিবা।” গভীৰ আবেগেৰে মাকে কথাখিনি কৈছিল।

তেনেতে জানকীৰামে দুৱাৰত ঢকিয়াই সুধিলে, “নাৰায়ণৰ ভায়েকৰ ঘৰ এইটোৱেই নেকি বাৰু?”

ভিতৰৰপৰা চল্লিশ বছৰীয়া মানুহ এজনে দুৱাৰ খুলি আচৰিত হ’ল আৰু ক’লে, “আপুনি কোন? ভিতৰলৈ আহকচোন।”

জানকীৰামো ভিতৰলৈ আহি এখন চকীত বহিল। টকাৰ টোপোলাটো মেজত থৈ চিঠিখন ভায়েকৰ হাতত দিলে। ভায়েকে চিঠিখন পঢ়ি উঠি ক’লে, “এইখন চিঠি মোৰ মায়ে মোৰ



ককাইদেউলৈ লিখিছিল। নিজে আহিবলৈ সংকোচ কৰি তেওঁ হ’বলা টকা পঠিয়াই দিছে। আপুনি অনুগ্ৰহ কৰি টকাৰ টোপোলাটো মোৰ সমুখৰপৰা আঁতৰাই নিয়ক।”

“আপোনাৰ ককায়েক নিজেই আহিব খুজিছিল, কিন্তু আহিব নোৱাৰিলে। এতিয়া আপোনালোক দুয়োজনৰে মুখামুখি এই জনমত নহ’ব।” এইবুলি জানকীৰামে গোটেই কাহিনীটো ক’লে।

কথা শুনি ভায়েকৰ মুখ শুকাই গ’ল। মাকে ইনাই বিনাই কান্দিলে। নিজৰ হাতেৰে মুখ ঢাকি ভায়েকেও উচুপি উঠিল, “ককাইদেউ, মোক ক্ষমা কৰি দে।”

ভায়েকক এনেকৈ কন্দা দেখি সহানুভূতি দেখুৱাই জানকীৰামে ক’লে, “জীয়াই থকা মানুহৰ মূল্য নিৰূপণ কৰা কঠিন। আপোনাৰ ককায়েকৰ আপোনাৰ প্ৰতি গভীৰ চেনেহ

নথকাহেঁতেন শৰীৰত তমোময় জ্বৰ লৈ ওলাই নাহিলহেঁতেন। এনে এজন ভ্ৰাতৃৰ প্ৰেমৰপৰা আপুনি আজি ইমানদিনে বঞ্চিত হৈ আছিল। এতিয়া আপুনি ইচ্ছা কৰিলেও তেওঁক লগ নাপায়।"

তেনেতে পঞ্চাছ বছৰীয়া এজন মানুহ তালৈ আহিল আৰু তেওঁ সুধিলে, "এইবোৰ কি হৈছে? মই হ'লে একো বুজা নাই!"

মানুহজনক দেখিয়েই মাক আৰু ভায়েকৰ কান্দোন বন্ধ হ'ল। ভায়েকে মানুহজনৰ ওচৰলৈ আহি ক'লে, "তই এতিয়াও জীয়াই আছ ককাইদেউ? মই মূৰ্খই আজিলৈকে তোৰ মহানতা উপলব্ধি কৰিব নোৱাৰিলো।" এইবুলি কৈ ভায়েকে ককায়েকৰ ভৰি দুখন সাবট মাৰি ধৰিলে।

জানকীৰামে বুজি পালে এইজনেই সেই নাৰায়ণ যাক সকলোৱে ইমান সময়ে মৰা বুলি ধৰি লৈছিল।

গোটেই কথাখিনি জানি নাৰায়ণে হাঁহি মাৰি ক'লে, "মই টকা লৈ পৰহিয়েই ঘৰৰপৰা ওলাই আহিছিলো। ৰাধালৈ ৰেছমী শাড়ী এখন কিনি লৈ যাঁও বুলি চহৰৰ এখন বজাৰত সোমালো। তাতে এজন বুঢ়া মানুহ ভিক্ষা খুজি মোৰ পাছে পাছে আহিল। তেওঁৰ প্ৰতি মোৰ দয়া উপজিল। টকাৰ টোপোলাটো উলিয়াই মই তাৰপৰা মানুহজনক এটকা দিলো। ইয়ৰপাছত মই দোকানত সোমাই শাড়ী বাচিবলৈ লাগিলো। সেই বুঢ়াজন মোৰ পাছে পাছে আহি থকাত মোৰ সন্দেহ হ'ল। মই শাড়ীখন কিনি টকাৰ টোপোলাটো উলিয়াবলৈ লৈ দেখো টোপোলাটো নাই। তাৰপাছত দোকানৰপৰা ওলাই মই পোনে পোনে ঘৰলৈ গ'লো। টকা লৈ ইয়ালৈ আহিলো। আপোনাৰ ঘৰৰ মৰা মানুহজন নিশ্চয় সেই চোৰটোৱেই হ'ব।" নাৰায়ণে জানকীৰামক বুজালে।

"ভালেই হ'ল, সেই চোৰটো মৰি আমাৰেই উপকাৰ কৰি থৈ গ'ল। তাৰ বাবেই তোমা-লোক দুয়ো ভ্ৰাতৃৰ পুনৰমিলন হ'ল।" মাকে আনন্দেৰে ক'লে।

"মই এতিয়া উঠোহে। ঘৰত ভালেখিনি কাম পৰি আছে।" জানকীৰামে হাতযোৰ কৰিলে।

"অহা মাহত আমাৰ ছোৱালীজনীৰ বিয়া। আপুনি সপৰিবাৰে আহিব লাগিব।" এইবুলি কৈ দুই ভ্ৰাতৃয়ে জানকীৰামক বিদায় সম্ভাষণ জনালে।



চিত্ৰ : গান্ধী অয্যা 21
অপৰাজেয় গৰুড়
ৰাজগুৰুৰ তত্ত্বাৱধানত পুনৰুদ্ধাৰকৃত মন্দিৰৰ শুদ্ধিকৰণ সমাৰোহ অয়োজন কৰা হয়। আদিত্যই অনুভৱ কৰে যে তেওঁৰ অলৌকিক শক্তি প্ৰাপ্ত হৈছে। মন্দিৰটো সূৰ্যপুৰীৰ সৈনিকসকলে ঘেৰি লয়। সেনাপতি ধীৰসেনে মন্দিৰত বলপূৰ্বকভাৱে প্ৰবেশ কৰে।
ধীৰসেনে নিজকে জালত বন্দী অনুভৱ কৰে।
দুৱাৰখন কিমান শক্তিশালী! এইখন খুলিবই নোৱাৰি! এইখন নিজে নিজে কেনেকৈ বন্ধ হ'ল? কিবা অলৌকিক ঘটনা নেকি?
ধীৰসেনে চাৰিওফালে ঘূৰি চায়।
মোৰ সৈনিকলকলৰ হৈছে কি? যেন ধুমুহাত উৰি ফুৰা শুকান পাতহে! ইহঁতৰ এতিয়া হ'ব কি?
সৈনিক মন্দিৰৰ দেৱাল আৰু স্তম্ভৰ চাৰিওফালে উন্মত্ত হৈ অজান লক্ষ্য অভিমুখে যেন সাঁতুৰিবহে লাগিছে।

সৈনিকসকলক এটা গহ্বৰৰ ফালে টানি নিয়া হয় আৰু তেওঁলোক অদৃশ্য হয়।
ধীৰসেন অবাক হৈ পৰে।
অবিশ্বাস্য! মই মন্দিৰৰ ধ্বংসাৱেশৰ মাজত অকলে আছো নেকি?
ভয়াৰ্ত্ত ধীৰসেনে বাহিৰলৈ অহাৰ ৰাস্তা বিচাৰি মন্দিৰৰ চাৰিওফালে দৌৰিবলৈ ধৰে।
কাক সোধা যায়? ইয়াত চৰাই এটাও নাই। কেনেকৈ বাহিৰলৈ যাওঁ?
হঠাতে তেওঁ দেৱালয়ৰপৰা আহি থকা এটা জ্যোৰ্তিময় আকৃতি দেখিবলৈ পায়।
এওঁক দিব্যাত্মা যেন লাগিছে। কোন হ'ব পাৰে বাৰু?
ধীৰসেনে আদিত্যক চিনি নাপায়।
হে প্ৰভু! মোক ৰক্ষা কৰক। অনুগ্ৰহ কৰি মোক ৰাস্তা দেখুৱাওক।
তুমি কোন? তোমাক ভাগৰুৱা যেন লাগিছে। শান্ত হোৱা।
মই ধীৰসেন, সূৰ্য্যপুৰীৰ সেনাপতি। মই চন্দ্ৰপুৰীত ৰাজকুমাৰ আদিত্যৰ সন্ধানত ইয়ালৈ আহিছো। মই তেওঁক নাপালো আৰু মোৰ আটাইবোৰ সৈনিক সন্ধানহীন হৈছে।

তুমি তেওঁক কিয় বিচাৰি আছা? ময়েই আদিত্য।
মই তেওঁক...
আদিত্য মন্দিৰৰ গৰ্ভগৃহৰ ফালে ঘূৰে।
হে প্ৰভু! এওঁক ক্ষমা কৰি দিয়া। এওঁক দয়া কৰা।
হে প্ৰভু! মোক ক্ষমা কৰা!
সমাৰোহৰ দৰ্শক আৰু মন্দিৰ পৰিক্ৰমা কৰা কৰ্মচাৰী-সকলে তেতিয়া প্ৰভুৰ নাম জপ কৰি মন্দিৰত প্ৰবেশ কৰে। ঔম নমো নাৰায়ণৰ জপ শুনিবলৈ পোৱা যায়।
আদিত্যই ৰাজগুৰুক দেখি আচৰিত হয়।
আমাক সৈনিকসকলে ঘেৰি ধৰিছে। মই মোৰ মানুহখিনিক প্ৰভুৰ নাম জপ কৰিবলৈ কৈছো। মই চকু মেলি দেখো যে সৈনিকসকল অদৃশ্য হৈছে।
ধীৰসেনে মন কৰে তেওঁক কৰ্মচাৰীসকলে ঘেৰি ধৰিছে।
অনুগ্ৰহ কৰি মোক ক্ষমা কৰক।
মন্দিৰত এজন অচিনাকি মানুহ দেখি ৰাজগুৰু আচৰিত হয়।
তুমি কোন? তুমি ইয়ালৈ কেনেকৈ আহিলা?
মই ইয়ালৈ আহিছিলো আপোনাক আৰু ৰাজকুমাৰ আদিত্যক বন্দী কৰিবলৈ।
গুৰুদেৱ, মোৰ ধাৰণা হৈছে এওঁক আমি বহুত কথা ক'ব লাগিব। মোৰ মতে আপোনালোক দুয়ো আমাৰ শিবিৰলৈ যাওক। মই পিছত গৈ আছো।


আদিত্যই কাৰিকৰসকলক নিৰ্দেশ দি আছে।
আদিত্যই ৰাজগুৰুৰ উদ্বিগ্নতা মন কৰে।
কিবা সমস্যা হৈছে নেকি গুৰুদেৱ?
প্ৰভুৱে ৰক্ষা কৰিলে আদিত্য। ধীৰসেন সঁচাই এক বিনাশকাৰী উদ্দেশ্য লৈ ইয়ালৈ আহিছিল।
কি উদ্দেশ্য লৈ?
তেওঁ নিজেই তোমাক ক'ব?
মোক মন্ত্ৰী পুষ্পৰাজে বজ্ৰপুৰীলৈ মাতি পঠিয়াইছিল। আপোনাৰ অনুপস্থিতিত তেওঁ চন্দ্ৰপুৰী আক্ৰমণ কৰিব খুজিছিল। মই ইয়াত আপোনাক আৰু ৰাজগুৰুক বন্দী কৰিবলৈ আহিছিলো।
হয়নে, বজ্ৰপুৰীয়ে আমাৰ অনুপস্থিতিত চন্দ্ৰপুৰীৰ ওপৰত আক্ৰমণ কৰিব খুজিছিল, কিন্তু কিবা কাৰণতো থাকিব?
তেওঁলোকে ৰজাক আঁতৰাই পূৰ্ব সেনাপতিৰ পুত্ৰক সিংহাসনত বহুৱাব খুজিছিল। তেওঁ সূৰ্যপুৰী ৰাজ্য মোক দিয়াৰ প্ৰতিশ্ৰুতি দিছিল।
হে ৰাজকুমাৰ! মই আপোনাৰ অলৌকিক শক্তি দেখা পাই আপোনাৰ ওচৰত সমৰ্পণ কৰাৰ সিদ্ধান্ত ল'লো। কথা দিছো, এতিয়াৰেপৰা আপোনাৰ সেৱাৰ বাবে সাজু থাকিম আৰু সূৰ্যপুৰী তথা চন্দ্ৰপুৰীৰ মিত্ৰ হৈ থাকিম।
এনে পৰিস্থিতিত মই তোমাৰ ৰজাৰপৰা আশ্বাস ল'ব খোজো। মই তোমাৰ লগতে সূৰ্যপুৰীলৈ যাম।
সেনাপতি, আমি জানিব লাগিম তোমাৰ ওপৰত আমি কিমান আস্থা ৰাখিব পাৰো।
ক্ৰমশঃ

ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান

হুমায়ুনৰ সমাধি



দ্বিতীয় মোগল সম্ৰাট হুমায়ুনৰ যেতিয়া মৃত্যু হৈছিল তেতিয়া তেওঁৰ বিধৱা পত্নী হামিদা বানুৱে খুব আশা কৰিছিল তাতে তেওঁৰ বাবে এটা স্মৃতিসৌধ নিৰ্মাণ কৰা হওক। তেওঁ হেৰাটৰ দুজন প্ৰখ্যাত স্থপতি, দুজন পিতা-পুত্ৰক, এই স্মৃতিসৌধৰ আৰ্হি তৈয়াৰ কৰিবলৈ মতাই পঠিয়ালে। নিৰ্মাণ কাৰ্য ১৫৬২ খ্ৰীষ্টাব্দত আৰম্ভ হয়; ইয়াক সম্পূৰ্ণ কৰি তুলিবলৈ আঠবছৰ লাগিছিল।

ইয়াৰ নিৰ্মাণত ক'লা আৰু হালধীয়া শিলৰ বাহিৰেও ৰঙা বালিশিল ব্যৱহাৰ কৰা হৈছিল। এখন বৰ্গাকৃতিৰ বাগিচাৰ চাৰিওফালে দিয়া হৈছিল ওখ প্ৰাচীৰ। সমাধিটো আছিল এই বন্ধঘৰৰ একেবাৰে সোঁমাজত আৰু এখন প্লেটফৰ্মৰ ওপৰত উঠা আছিল, যাৰ তলতে কেউকাষে আছিল এলানি চেল। ধেনুভিৰীয়া খোলাপথৰ সৈতে। সমাধিটো আছিল এটা ... ত বৰ্গাকৃতিৰ স্তম্ভ, যাৰ শীৰ্ষ আছিল মাৰ্বলৰ আৰু একেবাৰে ওপৰত আছিল তামৰ আৰ্হি।

ই এই ধৰণৰ মোগল স্থাপত্যৰ প্ৰথম নিদৰ্শন আছিল যি পিছত তাজমহলৰ আৰ্হিতো অনুপ্ৰেৰণাৰ কাম কৰিছিল। স্মৃতিসৌধৰ চাৰিওফালে থকা বাগিচাৰ নাম দিয়া হৈছিল চাৰবাগ যাক চাৰিটা বিশাল বৰ্গত ভাগ কৰা হৈছিল, সিহঁতক পথ আৰু পানীৰ খালৰ দ্বাৰা পৃথক কৰা হৈছিল। ভাৰতীয় উপমহাদেশত এনে ধৰণৰ উদ্যান থকা সমাধি এইটোৱেই প্ৰথম আছিল।

এই ভৱনৰ চৌহদত হামিদা বানু বেগমৰ লগতে পিছৰ কেইজনমান মোগল ৰাজকুমাৰৰ সমাধিও আছিল।

এই চৌহদক ১৯৯৩ চনত ইউনেস্কৰ ঐতিহ্যমণ্ডিত স্থান হিচাপে ঘোষণা কৰা হয়। এই সমাধি স্থাপত্যৰ দিশৰপৰা বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি ইউনেস্ক'ই অভিহিত কৰিছে কিয়নো মোগল স্থাপত্যৰ এইটোৱেই আছিল প্ৰথম উৎকৃষ্ট নিদৰ্শন।

শিশুৰ খেল হৈ উঠিল এখন চলচ্চিত্ৰ

চাইফুল মণ্ডলৰ বয়স এতিয়া ১৪ বছৰ। তিনি বছৰ বয়সতে তেওঁ নিজৰ দেউ-তাকক হেৰুৱায়। মাকে মানুহৰ ঘৰত ঘৰুৱা কাম কৰিছিল। শিশু চাইফুলে গাঁৱৰ মানুহৰ ছাগলী আৰু গৰু চৰাইছিল। মাকৰ উপাৰ্জনৰ লগত সি পোৱা টকাকেইটা যোগ কৰাৰ পাছতো তাৰ স্কুললৈ যোৱা খৰচ নোলাইছিল। সেয়েহে মাকে তাক কলকাতাত চেন্টাৰ ফৰ কমিউনিকেছন এণ্ড ডেভেলপমেন্টে চলোৱা এখন অনাথ শিশুৰ স্কুললৈ পঠিয়াইছিল। এদিন তাৰ শিশুহঁতে মুখা তৈয়াৰ কৰি হাবিত থকা জন্তুৰ খেলা খেলিছিল। সিহঁতে খেলটো খেলি খুব ভাল পালে আৰু কেন্দ্ৰৰ সচিব স্বপন মুখাৰ্জীৰ আগত খেলটো দেখুৱালে। মুখাৰ্জীয়ে জীৱ জন্তুৰ চৰিত্ৰসমূহক লৈ এটা কাহিনী লেখি উলিওৱাৰ প্ৰস্তাৱ দিলে, চাইফুলে চৰিত্ৰবোৰৰ বাবে কাগজ আৰু পাতেৰে পোছাক তৈয়াৰ কৰিলে। এতিয়া খেলটো খেলি আৰু ভাল লগা হ'ল। সকলোৱে এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ ঠিক কৰিলে আৰু দুদিন ধৰি অনুশীলন চলালে। ইয়াৰ নিৰ্দেশনাৰ দায়িত্ব লৈছিল চাইফুলে। "আমৰা" নামৰ ১২ মিনিটৰ এই ছবিখনে অলপতে ইটলীৰ নেপল্‌ছত অনুষ্ঠিত শিশুৰ বাবে শিশুৱে কৰা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰে আৰু চিকাগো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত সমালোচকৰ বঁটা লাভ কৰে। দুয়োটা সন্মান আহে ২০০৫ চনত। কিছুমান দৃশ্যৰ বাবে চাইফুলে নিজেই কেমেৰা চলাইছিল। চমুকৈ ছবিখনৰ কাহিনীটো এন ধৰণৰ—জন্তুবিলাকে নিজৰ মাজত কাজিয়া নকৰিবলৈ সিদ্ধান্ত ল'লে কিন্তু সিহঁতক মাৰিবলৈ অহা সকলক আক্ৰমণ কৰিবলৈ ঠিক কৰিলে। অষ্টম শ্ৰেণীৰ ছাত্ৰ চাইফুলে এতিয়া তেওঁৰ পৰৱৰ্তী চলচ্চিত্ৰৰ বাবে প্ৰস্তুতি চলাইছে।

চান্দমামা ভাৰত কুইজ প্ৰতিযোগিতা-৯ (অক্টোবৰ ২০০৭)

আমাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰৱিষ্টিত আটাইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। পাঠকসকলৰ সুবিধাৰ্থে কুইজ-৯ৰ উত্তৰবোৰ ২৭ নম্বৰ পৃষ্ঠাত দিয়া হৈছে। চান্দমামা ভাৰত কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

কেলেণ্ডাৰ আৰু সংখ্যা

প্ৰথমে কোনটো আহিছিল: জ্যোতির্বিদ্যা নে অংকশাস্ত্ৰ? আকাশলৈ চাবলৈ আৰু দিনটোৰ সময়ৰ কথা জানিবলৈ সংখ্যাৰ ব্যৱহাৰ প্ৰয়োজন হৈছিল। কেলেণ্ডাৰ তৈয়াৰ কৰিবলৈ থাকিব লাগিব সংখ্যাৰ জ্ঞান। গতিকে ক'ব পাৰি, সংখ্যাবোৰেই নিশ্চয় প্ৰথমতে আহিছিল। খ্ৰীষ্টপূৰ্ব ২০০০ চনতেই মানুহে কেৱল সংখ্যাই নহয়, কোণ আৰু কোণৰ মান জোখাৰ উপায়ৰ কথা জনাৰ প্ৰমাণ আছে। এই সময়তে ইংলণ্ডত ষ্ট'নহেজ নিৰ্মাণ কৰা হৈছিল। ভাবাচোন প্ৰথম কোণবোৰ কেনেকৈ আৱিষ্কাৰ কৰা হৈছিল আৰু কেনেকৈ সিহঁতক বৰ্ণনা কৰা হৈছিল?

তোমাৰ পৰিৱেশ

আচৰিত আজৱেইন

আজৱান বা বিশ্বপ্চ উইড্চ নামেৰেও জনাজাত আজৱেইন হ'ল ভাৰতৰ দেশী মচলা, গোটেই দেশতে ই ব্যাপক মাত্ৰাত হয়। ইয়াৰ গছজোপা দেখাত বনৰীয়া পাৰ্চলীৰ দৰে। অৱশ্যে ইয়াৰ গোন্ধ অ'ৰেগান' আৰু থাইমৰ দৰে। ইয়াৰ ঔষধীয় গুণৰ বাবে আজৱেইনৰ গুটিবোৰ সাধাৰণতে চোবাই খোৱা হয়। ইয়াৰ সোৱাদ খুব জলা আৰু তিতা, খোৱাৰ পিছত কিছুসময়লৈ সেয়েহে জিভাখনৰ সাৰসিকতি নোহোৱা হয়। পোহৰৰপৰা আঁতৰত বায়ুৰুদ্ধ টেমাত ৰাখিলে এই গুটিবোৰ অনিৰ্দিষ্ট কাললৈ সাঁচি ৰাখিব পাৰি। আজৱেইন গছৰ পাত আৰু গুটি দুয়োটাই ঔষধ হিচাপে ব্যৱহাৰ্ কৰা হয়। ইয়াক খালে সিৰামুৰি ধৰা আৰু বদহজম ভাল হয়। যকৃত, পাকস্থলী আৰু অন্ত্ৰৰ ৰোগ নিৰাময় কৰাতো ইয়াক ব্যৱহাৰ কৰিব পাৰি।

এচামুচ আজৱেইন নামমাত্ৰ নিমখৰ লগত খাই পিছত যথেষ্ট পৰিমাণে পানী খাই দিলে বদহজমৰ সমস্যা নাইকিয়া হয়।

আজৱেইন, ফেনেল আৰু নিমখৰ এটা মিশ্ৰণ ঘী আৰু ভাতৰ সৈতে দিনে তিনিবাৰকৈ খালে ভোক নলগা নোহোৱা হয়।

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

NARAYANAMURTHY TATA

T. KARNAN

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা। *ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,* জে ভি এল প্লাজা, ষষ্ঠ মহলা, ৬২৬ (পুৰণি ৫০১), আন্না চালাই, টিনামপেট, চেন্নাই - ৬০০ ০১৮. এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ পাওঁতা জনৰ নাম ফেব্ৰুৱাৰী সংখ্যাত প্ৰকাশ কৰা হ'ব।

অক্টোবৰ সংখ্যাৰ পুৰস্কাৰ বিজেতা

উপাসনা
মাৰফৎ: মঞ্জু দত্ত দাস
গাহস্থ্য বিজ্ঞান মহাবিদ্যালয়
অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট, অসম

বিজয়ী প্ৰৱিষ্টি

শিল্পীৰ এই হাতৰ খেলা।
আমাৰ বাবে সপোনৰ মেলা॥

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ :

১.গিয়ানীজী; ২.খ্ৰীষ্টপূৰ্ব ৫৯৯, কুণ্ডগ্ৰাম, বিহাৰৰ বৈশালীৰ ওচৰত, ৩.অঞ্জুমান (অগ্নি মন্দিৰ); ৪.জাতকমালা, ৫. ১৩ চেপ্তেম্বৰ, ৬২২--যেতিয়া পয়গম্বৰ মহম্মদ মক্কাৰপৰা মদিনালৈ পলাই গৈছিল।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

CHANDAMAMA

ACQUIRES MANY A NEW VALUE ADDITIONS

New address:
JVL Plaza, 6th floor,
626 (Old 501) Anna Salai,
Teynampet, Chennai 600 018

New Telephone Numbers :
044-24334455
044-32402323
New Fax Number :
044-24322103

New e-mail ID :
chandamama@chandamama.com

New Website :
www.chandamama.com

STILL CHANDAMAMA REMAINS YOUR **GOOD OLD** FAVOURITE MAGAZINE!

Watch out for many surprises in the
NEW YEAR SPECIAL ISSUE
CHANDAMAMA (ENGLISH)

Book your copy with your nearest news agent or take out Annual Subscription.

CHANDAMAMA (Assamese) Dec 2007 RNI No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08

মাত্ৰ তলৰ সহজ প্ৰশ্নটোৰ উত্তৰ দিয়ক আৰু আকৰ্ষণীয় পুৰস্কাৰ জিকক।

বেঙ্কত এলাৰ্ম বজাই দিয়া জন কোন আছিল ?

ইয়াৰ উত্তৰ **56767600**-লৈ এচএমএচ কৰক বা **poppins@parle.biz** লৈ ই-মেইল কৰক বা ডাকযোগে পঠিয়াওক ইয়ালৈ: **পাৰ্লে পপিন্স**, মাৰফৎ ক্ৰুতি প্ৰমোশ্যন্চ এণ্ড ইভেণ্টচ,103, 1ম মহলা, লিঙ্কৱে ইষ্টেট, মালাড লিঙ্ক ৰোড, মালাড (পশ্চিম), মুম্বাই-400 064। লগতে আপোনাৰ **নাম, বয়স আৰু ঠিকনা** জনাব।

1000* লাকী বিজেতাই পাব চিপাৰ কুল পানীৰ বটল।

1ম পুৰস্কাৰ* এপল্ আইপড

2য় পুৰস্কাৰ* ফিলিপ্স এমপিথ্ৰী প্লেয়াৰ

3য় পুৰস্কাৰ* কোডেক কেমেৰা

* চৰ্ত প্ৰযোজ্য। সমস্ত শুদ্ধ এণ্ট্ৰিৰ লাকী ড্ৰৰ ভিত্তিত পুৰস্কাৰ দিয়া হ'ব। যোগ দিয়াৰ অন্তিম তাৰিখ 31 ডিচেম্বৰ 07।